27
3-9-84
REFERENCE
(Not for issue)

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**VOL. - I**

**No. 34**

Dated the 27th June, 1978

1978

PRINTED AT RAJLAXMI PRINTERS
ZOO--NARENGI ROAD
GUWAHATI—24.

REFERENCE
(Not For Issue)
... Only Inside Library

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

**( Budget Session )**

Volume—1

No. 34

Dated the 27th June, 1978.

—: CONTENTS :—


| | | Page |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Miscellaneous | 57 |
| 3. | Calling Attention | 65 |
| 4. | Matter Under Rule 301 | 72 |
| 5. | Resolution | 89 |
| 6. | Statement by Minister | 131 |
| 7. | Adjournment | 139 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday, the 27th June, 1978 with the Hon. Deputy Speaker in the Chair, 11 (eleven) Ministers, 3 (three) Ministers of State, 3 (three) Parliamentary Secretaries and 87 (eightyseven) Members present.

**STARRED**

QUESTIONS AND ANSWERS

(To which oral answers were given)

Date : 27th June, 1978

---

***Re* : Construction of building for Bongaigaon Fire Brigade Station**

**Shri Mathura Mohan Sinha** asked :

*352. Will the Chief Minister be pleased to state—

(a) Whether there is a proposal to construct the building for Fire Brigade Station at Bongaigaon ?

(b) If so, whether it is a fact that necessary land had been allotted to the Department for construction of its own Office Building at Bongaigaon in the year 1971 ?

(c) If so, when it will be constructed ?

(d) Whether Government is aware that only one vehicle had been allotted at Bongaigaon Fire Brigade Station which is not sufficient for a town like Bongaigaon ?

**Shri Golap Borbora** (Chief Minister) replied :

352. (a)—At present there is no such proposal.

(b)—The land was taken before starting of Bongaigaon Sub-Fire Station because of the fact that the land would be required for future construction of Bongaigaon Sub-Fire Station.

(c)—The plans and estimates for construction of Sub-Fire Station at Bongaigaon together with its staff quarters is under preparation and the project will be taken up with the P.W.D for construction of the same when the fund could be provided by the Government.

(d)—At present only one water tender pump of 1000 gallons capacity has been allotted to Bongaigaon Sub-Fire Station. One more will be allotted as soon as vehicle position improves.

**Shri Mathura Mohan Sinha** :— Whether Govt. is aware that there is at present water scarcity at the present site ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) ঃ এই বিষয়ে আমি খবৰ পাইছো আৰু সেই বিষয়ে বিশেষ ব্যৱস্থা গ্ৰহন কৰা হব।

**Shri Ranendra Narayan Basumatari** :— In view of the infrastructure for a subdivisional headquarter at Bongaigaon and also the growing importance of the town itself, whether the Chief Minister considers it necessary to construct a fulfledged fire brigade station at Bongaigaon ?

**Shri Golap orbora** ( Chief Minister ) :— We will examine it.

শ্ৰীচিৰাজুল হক ঃ— অধ্যক্ষ মহোদয়, বৰপেটাৰ এটা ভিতৰুৱা অঞ্চলত এটা

ভিতৰুৱা ঘৰত ফায়াৰব্ৰিগেদ ষ্টেচনটো চলি আছে। মুকলি-মূৰীয়া ঠাইলৈ এই ষ্টেচনটো অনাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— ফায়াৰ ব্ৰিগেদ ষ্টেচনটো বিভিন্ন ঠাইত আছে। সেই সকলো বিলাকৰ অৱস্থাৰ বিষয়ে বিবেচনা কৰি থকা হৈছে। আৰু আৰ্থিক অৱস্থাৰ ওপৰত ভিত্তি কৰি এইবিলাক কৰা হব।

মহম্মদ ছামচুল হুদা :— অসমৰ বিভিন্ন ঠাইত অগ্নিকাণ্ড হৈ বহুতো ঘৰ-দুৱাৰ, হাট-বজাৰ আজি ধ্বংস হৈছে। সেইবিলাক অঞ্চলত ফায়াৰ ব্ৰিগেদ ষ্টেচন পতাৰ কিবা চিন্তা চৰকাৰে কৰিছেনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) : — সেই বিষয়ে চৰকাৰে চিন্তা কৰি আছে।

**Shri Dewan Joynal Abedin :— At** present fire brigade is managed by the Home Department. May I know is there any proposal or dose the Govt. consider it necessary to set up a separate Department for fire brigade ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) : — এতিয়ালৈকে সেইটো চিন্তা কৰা হোৱা নাই।

শ্ৰীযোগেন গগৈ : — দেখা যায় যে, নগৰ চহৰ আদি ঠাইত ফায়াৰ ব্ৰিগেদ আছে কিন্তু যিবিলাক নগৰমুখী ভিতৰুৱা অঞ্চল সেই বিলাকত বা যিবিলাকত জনসংখ্যা বাঢ়িছে আৰু জনসমাবেশ হৈ আছে সেইবিলাক ঠাইত ফায়াৰ ব্ৰিগেদ নথকাৰ কাৰণে অগ্নিকাণ্ড আদি হলে নানা অসুবিধা হয়, গতিকে সেই অঞ্চল বিলাকত ফায়াৰ ব্ৰিগেদ ষ্টেচন দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা মুখ্যমন্ত্ৰী : - ফায়াৰ ব্ৰিগেদৰ ব্যৱস্থা যিমান ভাল কৰিব পৰা যায়, সিমান ভাল। সেই কাৰণে চাব ফায়াৰ ব্ৰিগেদ ষ্টেচন আদি কৰাৰ কথাও চিন্তা কৰিছিলো। সকলো টকাৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব। তথাপিও যাতে জুই লগাৰ খবৰ পোৱাৰ লগে লগে ফায়াৰ ব্ৰিগেদে গৈ জুই নুমাব পাৰে তাৰ বাবে চিন্তা কৰা হৈছে।

শ্ৰীমুকুট শৰ্ম্মা :— ফায়াৰ ব্ৰিগেদ ষ্টেচন হবলৈ হলে কি কি স্বৰ্ত্ত থাকিব লাগে ? অসমৰ পুলিচ কমিচনাৰে কিবা পৰামৰ্শ দাঙি ধৰিছেনেকি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— সংশোধনৰ বাবে পৰামৰ্শ দাঙি ধৰিছে।

শ্ৰীমুকুট শৰ্ম্মা :— কি কি ভিত্তিত এইটো কৰা হয় ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— ৫০ হাজাৰ জনসংখ্যা ঠকা ঠাইতে এই ফায়াৰ ব্ৰিগেদ ষ্টেচন কৰা হয়। তথাপিও ডিষ্ট্ৰিক হেড কোৱাটাৰ আৰু চাব ডিভিজনেল হেড কোৱাটাৰ বিলাকত ফায়াৰ ব্ৰিগেদ ষ্টেচন ৰখা হয়।

শ্ৰীমথুৰা মোহন সিংহ :— উক্ত ফায়াৰ ব্ৰিগেদ ষ্টেচনটোত টেলিফোন আছেনেকি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— টেলিফোন থকাটো আৱশ্যক।

**Shri Fokhrul Islam** :— I wish to draw the attention of the Chief Minister to the fact that whether there will be a fire brigade station at Patharkandi where there is a Population of 1 lakh people. This year also heavy damage has been caused by fire.

**Shri Golap Borbora** ( Chief Minister ) :— Though it is a separate question it will be considered.

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত :— ফায়াৰ ব্ৰিগেদ ষ্টেচন আৰু চাৰ ফায়াৰ ব্ৰিগেদ ষ্টেচনৰ মাজত কি দিফাৰেন্স আছে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— এটা ডাঙৰ আৰু আনটো সৰু।

মহম্মদ ছাম চুল হুদা :— ফায়াৰ ব্ৰিগেদ ষ্টেচন পাতিবৰ কাৰণে ৰাইজে বিভিন্ন সময়ত আবেদন নিবেদন কৰে। সেই সময়ত চৰকাৰে পুলিচ থানাৰ পৰা ৰিপোৰ্ট বিচাৰে কিন্তু থানাবিলাকে অগ্নিকাণ্ডৰ ৰেকৰ্ড নৰখাৰ কাৰণে ৰিপোৰ্ট দিব নোৱাৰে। ফলত চৰকাৰে ৰাইজৰ আবেদন নাকচ কৰে। এই কথালৈ চৰকাৰে থানাত অগ্নিকাণ্ডৰ ৰেকৰ্ড ৰখাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী)ঃ – সেই বিষয়ে ব্যৱস্থা কৰা হব। ফায়াৰ ব্ৰিগেদ আৰু পুলিচ থানাৰ ভিতৰত এটা যোগাযোগ ৰাখি যাতে এটা ৰিপ’ৰ্ট লিখা হয় তাৰ কাৰণে মই নিশ্চয় চাম।

## *Re* : Construction work of 4 km. Khetri-Golap-Borpak Road

**Dr. Tarini Mohan Barooa** asked :

*353. Will the Minister, P.W.D. be pleased to state—

(a) Whether it is a fact that the construction work of the 4 km. Khetri-Golap-Borpak road in Dispur Constituency was sanctioned and an amount of Rs. 3 lakhs also was earmarked for this construction as Flood damage work in 1977-78 ?

(b) If so, whether it is a fact that the work was stopped after calling tenders ?

(c) If so, the reasons thereof ?

**Shri Dulal Chandra Baruah** ( Minister, P.W.D. ) replied :

353. (a)—No estimate was sanctioned and no amount was earmarked for FDR works in 1977-78. Only estimate was prepared to take up the repairs under Advance Central Assitance and as an advance action tender was called for.

(b)—Does not arise in view of reply at (a) above.

(c)—Does not arise.

ডঃ তাৰিনী মোহন বৰুৱা :— যোৱা অসম বিধান সভাৰ নিৰ্ব্বাচনৰ আগে আগে সেই অঞ্চলৰ বাইজে বিশেষকৈ মাণৈবাৰী গাৱৰ বাইজে কংগ্ৰেছ প্ৰাৰ্থীক সমৰ্থন জনাবলৈ বিচৰা ধৰণৰ কোনো প্ৰতি-শ্ৰুতি নিদিয়াৰ কাৰণে কাম হাতত লৈও টেণ্ডাৰ কল কৰিও কামটো বন্ধ কৰা কথাটো সচানে ?

শ্ৰীদুলাল বৰুৱা (মন্ত্ৰী) :— সত্য নহয়।

**Shri Premadhar Bora**— Is it the basis that before the sanction of a particular scheme is received tenders are called for ?

**Shri Dulal Chandra Baruah (Minister)**—Plans and estimates are generally prepared in advance so that as soon as sanction is received works could be started.

ডাঃ তাৰিণী মোহণ বৰুৱা :— ফ্লাড দেমেজত চেংচন কৰা বুলি গম পাইছিলো। মন্ত্ৰী মহোদয়ে কৈছে যে সেইখিনি হোৱা নাই। ঠিক তেনেকুৱা আন এটা ৰাস্তাৰ টেণ্ডাৰ কল কৰিও ইমান দিনে কামটো বন্ধ কৰি ৰাখিছে। এইটোৰ ভিতৰুৱা কি কথা আছে অলপ জানি শুনি ব্যৱস্থা লবনে ?

শ্ৰীদুলাল বৰুৱা (মন্ত্ৰী) :— এইটোৰ টকা পাম বুলি প্লেন এষ্টিমেট কৰা হৈছিল। সেইমতে টেণ্ডাৰ কল কৰা হৈছিল যাতে টকাটো পোৱাৰ লগে লগেই কামটো আৰম্ভ কৰিব পৰা যায়। ভাৰত চৰকাৰৰ এদভান্স এচিচটেন্স স্কিমত এইটো লোৱাৰ কথা আছিল। কিন্তু সেই স্কিমত এই ৰাস্তাটো অনুমোদন নজনালে। সেই কাৰণে কামটো কৰিব পৰা নহল।

**Shri Premadhar Bora** :— Does the Minister-in-charge of P. W.D know that it is quite wrong that without sanction tenders cannot be called for ?

**Shri Dulal Chandra Barua (Minister)** :— It is not a question of right or wrong. It is done for administrative convenience.

Advance plans and estimates and tenders may be called for so that as soon as sanction is given or amount is allotted the work on a particular scheme can be started.

**Shri Md. Umaruddin** :— Sir, when tenders are called, the tenderers are required to deposit earnest money on the basis of the valuation of the work. Now, when the work cannot be given to a tenderer or contractor is it not a fact that the entire money remains locked up with the Government ?

**Shri Dulal Chandra Barua** ( Minister ) :— If the work is not started the money is refunded.

**Shri Md. Umaruddin** : Sir, is it not a project of commitment and will it not mislead the people ?

**Shri Dulal Chandra Barua** ( Minister ) :— Sir, it is not a question of wrong information. I am replying on the basis of records before me. For the convenience of the administration or to implement the work expeditiously this system is being followed by the various departments and the P.W.D. also is following this. If it is considered that it is not convenient to the departments as well as it go against the spirit of justice then the Government will reconsider the matter.

**Shri Md. Umaruddin** :— This practice is morally and basically wrong. will the Minister P.W.D. stop it immediately ?

**Shri Dulal Chandra Barua** ( Minister ) :— It was the practice that continued in almost all the development departments. I do not find any inconvenience in this system but as the Hon'ble members are pointing out that these are causing inconvenience to the tenderers or contractors we will definitely examine the whole matter.

**Shri Altaf Hussain Majumdar** :— Sir, will the Hon'ble Minister for Public works Department be pleased to state whether it is a fact that in certain urgent cases, and where the time factor is involved it becomes necessary to call tenders and send papers simultaneously for sanction also to do the work in time, within season and in urgent work ?

**Shri Dulal Chandra Barua** ( Minister ) :— Yes, by following that theory the works are being done by the Departments.

শ্ৰীচিৰাজুল হক :— এই ৰাস্তাটোৰ টেণ্ডাৰ দাখিল কৰা হৈছিল নেকি আৰু টেণ্ডাৰ গ্ৰহণ কৰা হৈছিল নেকি ?

শ্ৰীতুলাল বৰুৱা ( মন্ত্ৰী ) : – টেণ্ডাৰ কল কৰা হৈছিল আৰু গ্ৰহণ কৰা হৈছিল ।

শ্ৰীচিৰাজুল হক ঃ— টেণ্ডাৰ কল কৰাৰ পিচত সেই মতে দায়িত্ব পালন কৰিব নালাগেনে ?

শ্ৰীতুলাল বৰুৱা ( মন্ত্ৰী ) ঃ – দায়িত্ব নিশ্চয় আহি পৰে । টকা পইচাৰ অসুবিধাত দায়িত্ব পালন কৰাটো সম্ভৱপৰ নহয় ।

**Shri Abdul Muqtadir Choudhury** :— Sir, whether the administrative approval was given ?

**Shri Dulal Chandra Barua** ( Minister ) — No. administrative approval was given.

ডাঃ তাৰিণী মোহন বৰুৱা : বাকী থকা ৪ কিঃ মিঃ কৰিবৰ কাৰণে আচনি হাতত লৈছেনেকি ?

শ্ৰীতুলাল বৰুৱা ( মন্ত্ৰী ) : – ফাণ্ড পজিচন যদি ভাল হয় নিশ্চয় এই বছৰ কৰাৰ কথা চৰকাৰে চিন্তা কৰিব ।

শ্ৰীগোলক কাকতি ঃ টেণ্ডাৰ আহ্বান কৰি আৰু গ্ৰহণ কৰিও এই ৰাস্তাটো কৰা নহল। বিভিন্ন বিভাগৰ চেক্ৰেটাৰীয়ে সেই বিভাগৰ মানুহক দোষ থাকিলেও ৰক্ষা কৰে। ঠিক সেইদৰে আগৰ মন্ত্ৰীৰ দোষ ঢাকিবৰ কাৰণে মন্ত্ৰী মহোদয়ে চেষ্টা কৰিছে বুলি ধৰি লব নোৱাৰো নেকি ?

শ্ৰীতুলাল বৰুৱা ( মন্ত্ৰী ) : ৰক্ষণা-বেক্ষণ দিয়াৰ কথা নহয়। বৰ্তমান চলি থকা পদ্ধতিটো যদি বৰ্তমান চৰকাৰে বেয়া বুলি ভাবে, খুটি নাটি দেখা পায় নিশ্চয় সংশোধন কৰি ব্যৱস্থা গ্ৰহণ কৰিব ।

শ্ৰীহেমেন দাস :— বৰ্তমান চলি থকা পদ্ধতিটো বেয়া বুলি ভাবিছেনে নাই ?

শ্ৰীতুলাল বৰুৱা (মন্ত্ৰী) :— এই পদ্ধতিটোত খুটি নাটি নিশ্চয় আছে। এণ্টায়াৰ এদমিনিষ্ট্ৰেশ্যনত খুটি নাটি আছে। এই পদ্ধতিটো বিশেষ ভাবে পৰিবৰ্ত্তন কৰিব পাৰিলেহে কামত প্ৰযোজ্য হব। এইটোৰ পৰিবৰ্তন কৰাটো মঙ্গলজনক কথা।

শ্ৰীহেমেন দাস :— এই পদ্ধতিটো বেয়া বুলি ভাবিছেনে নাই? এই অফিচাৰ সকলে টকা হাতত নথকাকৈ কেনেকৈ টেণ্ডাৰ কল কৰিছে? এইটো জনসাধাৰণক প্ৰতাৰণা কৰাৰ অপকৌশল, জঘন্য কৌশল। এই পদ্ধতিটো পৰিবৰ্তন কৰিব নে নকৰে?

শ্ৰীতুলাল বৰুৱা (মন্ত্ৰী) :— পৰিবৰ্তন কৰাৰ কাৰণে বিবেচনা কৰা হব। কথা দি কথা নৰখা পদ্ধতিটো বেয়া হৈছে। কথা দি কথা ৰাখিব পৰা বন্দবস্ত হ'লে এই অবস্থাটো নহয়। চৰকাৰে কথা দি কথা ৰাখিবলৈ যাওঁতে যিবিলাক হেণ্ডাৰ আহি পৰে সেই-বিলাক হেণ্ডাৰ উঘালিব।

শ্ৰীহেমেন দাস : টকা হাতত নথকাকৈ কেনেকৈ টেণ্ডাৰ কল কৰিব? যিবিলাক অফিচাৰে টেণ্ডাৰ আহ্বান কৰিছে সেই বিলাক অফিচাৰৰ ওপৰত ব্যৱস্থা লবনে নলয়?

শ্ৰীতুলাল বৰুৱা (মন্ত্ৰী)— : এন এণ্টিচিপেচন শোভনীয় হোৱা নাই মানি লৈছো। কথা দি কথা নৰখাৰ কাৰণে অশোভনীয় হৈ গল। এই ব্যৱস্থাটোৰ কাৰণে ৰাইজৰ আশা পুৰণ হোৱা নাই কিয়, এই বিলাক পুংখা-ণুপুংখক অনুসন্ধান কৰি নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰা হব।

ডাঃ তাৰিণী মোহন বৰুৱা : মই এটা অনুৰোধ কৰিব খুজিছো।

মাননীয় উপাধ্যক্ষ :— অনুৰোধ নহব।

## *Re* : Publication of Master Plans for Tezpur, Jorhat, Silchar and Dibrugarh

**Shri Narendra Nath Dutta asked :**

*354. Will the Minister, Town and Country Planning be pleased to state—

(a) The reasons for taking a decade to publish the Master Plans for Tezpur, Jorhat Dibrugarh and Silchar when the offices were established in 1966 ?

(b) The total amount spent for maintenance of those offices since inception ?

(c) Whether Government is aware that the Government vehicles are misused and if so, whether a thorough enquiry will be made ?

**Shri Zahirul Islam** ( Minister, Town and Country Planning ) replied :

354. (a)—The delay for the publication of the Master Plans for Tezpur, Jorhat, Silchar and Dibrugarh is mainly due to non-availability of adequate technically trained planners for preparing these plans.

(b)—Rupees 51,42,460.00.

(c)—No.

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত ঃ ৫১ লাখ টকা খৰচ কৰি ১৯৬৬ চনৰ পৰা কাম আৰম্ভ কৰি তেজপুৰ, যোৰহাট, ডিব্ৰুগড় আৰু শিলচৰত ১৯৭৭ চনত প্লেনবিলাক প্ৰস্তুত কৰা হৈছে। ইমান টকা ব্যয় কৰি প্ৰস্তুত কৰা প্লেনবিলাক জানিব পৰা গৈছে সময়োপযোগী হোৱা নাই। ভাৰতৰ বিভিন্ন ঠাই টাউন এণ্ড কাণ্ট্ৰি প্লেনিংত আগবাঢ়ি গৈছে। তামিলনাডুত এনে ধৰণৰ ৰিজিঅনেল প্লেনিং কৰি টাউন এণ্ড কাণ্ট্ৰি প্লেনিংৰ কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ দৰে লৈছেনেকি যাৰ দ্বাৰা প্ৰকৃতাৰ্থত টাউন এণ্ড কাণ্ট্ৰি প্লেনিং প্ৰয়োগ হব পাৰে ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) ঃ— ১৯৬৬ চনৰ পৰা যিটো ব্যৱস্থা দেখিছো, সেইটো মই ভাল পোৱা নাই। এইটো ভাল কৰাৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীনুৰুল হুদা ঃ— মাননীয় মন্ত্ৰী মহোদয়, এই মাত্র বলেছেন যে ডার্থ অব টেক্‌নিক্যালি কোয়ালিফাইড্ পারছনেলের জন্য নাকি এতো দেরী হয়েছে। আমরা জানতাম সে আমাদের আসাম রাজ্যে এই ধরণের প্লেনারের কোন অভাব নাই। যদি অভাব হয়ে থাকে তাহলে আসাম রাজ্যে যারা বিভিন্ন পোষ্ট গ্র্যাজুয়েট শিক্ষার্থী আছেন, তাদেৰ মধ্য থেকে এই ধরণের প্ল্যানার্স ট্রেইন্‌ড আপ করার জন্য কোন ব্যবস্থা আমাদের বর্ত্তমান সরকার নেবেন কি ? আমরা কি এই আশ্বাস পেতে পারি ?

শ্ৰীজেহীরুল ইচলাম ( মন্ত্ৰী ) ঃ— এই সম্বন্ধে ব্যবস্থা আগেও ছিল এবং বর্ত্তমানে আরও জোরদার করা হবে।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত ঃ – মাননীয় অধ্যক্ষ মহোদয়, উচ্চপদস্থ বিষয়াই যিজনৰ তত্বাবধানত এই যানবাহন আদি থাকে তেওঁলোকে ৰাজহুৱা ধনৰ অপচয় কৰে। টাউন এণ্ড কাণ্ট্ৰি প্লেনিঙ'ৰ বিষয়া সকলে যান বাহনবোৰ নিজৰ লৰাছোৱালীক স্কুললৈ পথাওঁতে, বজাৰ কৰোতে, হস্পিটাললৈ যাওঁতে, বা বিভিন্ন সামাজিক ভিজিত আদি দিওতে ব্যৱহাৰ কৰে। জনতা চৰকাৰে এই বিলাক বন্ধ কৰি প্ৰশাসনীয় যন্ত্ৰটো নিকা কৰাৰ কাৰণে চেষ্টা কৰিবলৈ ব্যৱস্থা হাতত লবনে ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) ঃ— মাননীয় অধ্যক্ষ মহোদয়, কোনো নিৰ্দ্দিষ্ট অভিযোগ থাকিলে ভাল হব। কিন্তু হলেও লোৱাটো উচিত হব।

**Shri Gourisankar Roy** : Sir, I like to know what will be the fate of these master plans ?

**Shri Zahirul Islam** ( Minister ) :— It will be drawn up in due course.

**Shri Ranendra Narayan Basumatari** : Sir, whether the hon'ble Minister is aware that for want of proper Planning in towns there has been mushroom growth and there have been anoma-

lous habitation and whether the Hon'ble Minister will consider for proper planning in towns imediately ?

**Shri Zahirul Islam ( Minister ) :—** Sir, I have already said that the matter will be taken up with earnestness.

**শ্ৰীপ্ৰেমধৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজহুৱা ধন লাখ লাখ টকা খৰচ কৰি বছৰে বছৰে পৰিকল্পনা কৰি থকা এই বৰ্ডখন কিমান দিন থাকিব ?

**শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) ঃ—** মাননীয় উপাধ্যক্ষ মহোদয়, 'ৰিভাইটেলাইজ' কৰিবলৈ ভৱা হৈছে।

**শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ—** মাননীয় উপাধ্যক্ষ মহোদয়, 'আসাম ইজ এ লেণ্ড অৰ লাহে লাহে' এই কথাটো সকলোৱে স্বীকাৰ কৰিছে আমাৰ 'টাউন এণ্ড কান্ট্ৰি প্লেনিঙকে আদি কৰি আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এইটো স্বীকাৰ কৰেনে নকৰে ?

**শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) ঃ—** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ কথা নেজানো কিন্তু বিভাগৰ কথাটো জানো।

**শ্ৰীৰবীন মালাকাৰ ঃ—** মাননীয় উপাধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীৰ কাৰণে মাষ্টাৰ প্লেন কৰা হৈছে নেকি আৰু যদি কৰা হৈছে তেতিয়া হলে, সেইবিলাক কোন পৰ্য্যায়ত আছে ?

**শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) ঃ—** হোৱা নাই।

**শ্ৰীনুৰুল হুদা ঃ—** এইযে ৫১ লক্ষ টাকা খরচ হয়েছে বলে মন্ত্ৰী মহোদয় বল্লেন, এই খরচ কি কি বাবত্‌, এবং কোন কোন হেড্‌ এ খরচ হয়েছে ?

**শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) ঃ —** পে, সেলারী ইত্যাদি···

**শ্ৰীনুৰুল হুদা ঃ -** ডিফাৰেণ্ট হেড্‌স্‌এ কি কি খরচ হয়েছে ?

**শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) ঃ -** মাননীয় সদস্যকে আমি পরে জানিয়ে দেব।

**Shri Ranendra Narayan Basumatari :** Apart from the four master plans how many master plans have been prepared by this depart-

ment so far in Assam ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ): — ইয়াৰ আগতে তিনিচুকীয়া ভ্ৰমণ কৰা হৈছে আৰু কিছুমান পৰীক্ষা কৰি থকা হৈছে।

**Shri Md. Umaruddin** : May I know, Sir, on what basis or on what Criteria these four towns were selected for master plan and whether it is a fact that othe- towns, more congested and with lack of sanitation etc have been left out ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) ঃ— বৰ্দ্ধিত জনসংখ্যা হাৰৰ ভিত্তিত এই বিলাক কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

**Shri Md. Umaruddin** : May I know when there are other towns with more population and lack of sanitation, why for these towns some plans have not been taken up and these towns have been given preference ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মই তেখেত সকলৰ ফালৰ পৰা এইটো প্ৰশ্ন আশা কৰা নাছিলো। বিভাগটো 'ৰিভাইটেলাইজ' কৰাৰ দৰকাৰ হৈছে। সেইকাৰণেই সেই আচঁনি বিলাক কৰিব পৰা নাই। বৰ্দ্ধিত জনসংখ্যাৰ হাৰৰ ভিত্তিত এইবিলাক কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

## বিঃ দালি উৎপাদনৰ আঁচনি

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

*৩৫৫। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত দালি উৎপাদনৰ বাবে কিবা আঁচনি প্ৰস্তুত কৰিছে নেকি আৰু যদি কৰিছে কোন বিধৰ কিমান দালি উৎপাদন কৰিব ?

(খ) যিহেতু নামনি অসমত বিশেষকৈ কামৰূপত "কলাৰ দালি" বা "খেচাৰি দালি" আগতে বৰকৈ উৎপাদন কৰিছিল সেয়ে অসমত এই দালি খোৱা পদ্ধতি আৰু মাটিৰ গুনাগুণৰ প্ৰতি লক্ষ্য কৰি বহল ভাৱে উৎপাদনৰ ব্যৱস্থা কৰিবনে ?

(গ) অসমৰ কোন অঞ্চলত কি দালি উৎপাদন হয় সেই বিষয়ে চৰকাৰে কিবা অধ্যয়ন কৰিছে নে ?

শ্ৰীসোনেশ্বৰ বৰা ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৫৫। (ক) — বৰ্ত্তমান ( ১৯৭৮-৭৯ ) বছৰত ৰাজ্যখনত বিভিন্ন জাতৰ দালি উৎপাদন এনে ধৰণে লক্ষ্য কৰা হৈছে।

| | | | |
|---|---|---|---|
| ১। | অৰহৰ | ১০,০০০ হেক্টৰ | ৭০০০ টন |
| ২। | মচুৰ মাহ | ২৫,০০০ হেক্টৰ | ১৪,০০০ টন |
| ৩। | মটৰ মাহ | ২৬,০০০ হেক্টৰ | ১৩,৬০০ টন |
| ৪। | মগু মাহ | ২৫,০০০ হেক্টৰ | ১২,৭০০ টন |
| ৫। | মাটি মাহ | ২৮,০০০ হেক্টৰ | ১১,৯০০ টন |
| ৬। | লেচেৰা মাহ | ২০০০ হেক্টৰ | ৮০০০ টন |
| | মুঠ | ১১৬,০০০ হেক্টৰ | ৬০,০০০ টন |

(খ)—কলা মাহ বা খেচাৰি দালি উৎপাদনৰ ব্যৱস্থা চৰকাৰী ভাবে কৰা হোৱা নাই। এইবিধ দালিৰ খেতি কৰা অথবা কিনা বেচা কৰাটো এতিয়া পৰ্য্যন্ত আইন মতে নিষিদ্ধ কৰা আছে।

(গ)—হয় কৰিছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ — মাননীয় উপাধ্যক্ষ মহোদয়, দালি উৎপাদনৰ কাৰণে 'জইণ্ট ডাইৰেক্টৰ' এগ্ৰিকালচাৰ' বুলি বিষয়া এগৰাকী আছেনেকী ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ – মাননীয় উপাধ্যক্ষ মহোদয়, গোটেই কৃষি বিভাগটোত তেনেকুৱা বিষয়াসকল আছে। কোনোবাজন দালিৰ কাৰণে, কোনোবাজন ধানৰ কাৰণে ইত্যাদি। কিন্তু মূলতঃ সকলোৰে দায়িত্বত 'ডাইৰেক্টৰ'জন থাকে।

মঃ ছামচুল হুদা ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আজি প্ৰায় ২০ বছৰ ধৰি অসমত যিটো দালিৰ খেতি হয় সেইটো বেমাৰ লাগি পচি যায়। এই বেমাৰ প্ৰতিৰোধ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা কৰিছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ — মাননীয় উপাধ্যক্ষ মহোদয়, বেমাৰ সকলো খেতিতেই লাগে। কিন্তু একেবাৰেই উচ্ছন্ন হৈ নেযায়। কিছু বাচে আৰু কিছু মৰে।

মঃ ছামছুল হুদা ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল, সকলো খেতিতে বেমাৰ হয় কিন্তু যিটো কাৰণত বাহিৰৰ পৰা বছৰি বছৰি দালি আমদানি কৰিবলগীয়া হয়, সেই বেমাৰ যদি প্ৰতিৰোধ কৰিব পৰা যায় তেতিয়াহলে, বাহিৰৰ পৰা আৰু দালি আমদানী কৰিব নেলাগে। এই বিলাক বেমাৰ প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ — মাননীয় উপাধ্যক্ষ মহোদয়, খেতিৰ বেমাৰ নিৰাকৰণ কৰিবৰ কাৰণে সময়ত ঔষধ প্ৰয়োগৰ ব্যৱস্থা আছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, 'জইণ্ট ডাইৰেক্টৰ পলচছ, যিজন বিষয়া আছে তেখেতে অসমত দালিৰ খেতি উৎপাদন কৰিবৰ কাৰণে বৈজ্ঞানিক উপায়েৰে কিবা ব্যৱস্থা কৰিছে-নেকি ? যদি কৰিছে তেতিয়াহলে, গবেষণাগাৰ কত আছে এই বিষয়ে ৰিচাৰ্চ আদি কৰিবৰ কাৰণে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ — মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিশ্ববিদ্যালয়ৰ ফালৰ পৰা কৰিবলৈ লোৱা হৈছে। কেন্দ্ৰীয় আচঁনি এখনত দেখা গৈছে যে, দালিৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে ব্যৱস্থা কৰিছে। অসমত যিটো খেচাৰী দালি বন্ধ কৰি দিয়া হৈছিল সেইটোকো পুনৰ প্ৰবৰ্ত্তন কৰিবৰ কাৰণে ভাৰতীয় কেন্দ্ৰীয় কৃষি গবেষণা কেন্দ্ৰই গবেষণা কাৰ আছে। তাৰোপৰি, পুচা ২৪ নম্বৰ বুলি এটা দালৰ খেতি কৰিবৰ কাৰণেও পদ্ধতি উদ্ভাৱন কৰিছে।

শ্ৰীপ্ৰেমধৰ বৰা ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, অসম চৰকাৰে দালি উৎপাদনৰ

আচঁনিখন কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰাটো সম্ভৱপৰ হব বুলি ভাবিছে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, দালিৰ উৎপাদন সৃষ্টিৰ আবহমান কালৰে পৰাই হৈ আছে।

শ্ৰীপ্ৰেমধৰ বৰা ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, অসম চৰকাৰে দালিৰ আচঁনিখন কোন বছৰৰ পৰা কাৰ্য্যকৰী কৰিম বুলি ভাবিছে সেইটোহে মোৰ প্ৰশ্ন আছিল ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, চেষ্টা, কৰি থকা হৈছে। কাৰ্য্যকৰী হৈও আছে। সকলো মানুহকে জোৰাকৈ প্ৰয়োজনীয় দালি খিনি অসমত উত্‌পাদন কৰিব পৰা নাই। সাধাৰণ ভাৱে কব পৰা যায় যে, অসমৰ সকলো মহকুমাতে সকলো জাতৰ দালিৰ উতপাদন কম বেছি পৰিমাণে হয়। কিন্তু মহকুমা বিশেষে কোন কোন বিধ দালিৰ উত্‌পদনৰ বিশেষ সম্ভাৱনা দেখা যায়, অৰহৰ মাহ— নগাওঁ, ডিফু, নলবাৰী, মঙ্গলদৈ, গুৱাহাটী, তেজপুৰ, গোলাঘাট, কৰিমগঞ্জ। তাৰ পিছত মচুৰ, মটৰ, মগু—এই কেইবিধ,— ধুবুৰী, কোকৰাঝাৰ আৰু গুৱাহাটীত প্ৰচুৰ পৰিমাণে হোৱা দেখা যায়। আৰু মাটি মাহ ধেমাজী, ডিব্ৰুগড়, তিনিচুকিয়া, যোৰহাট আৰু মৰিগাৱঁত হয়। এই বিলাকৰ পৰিসংখ্যা আৰু বৰ্দ্ধিত জনসংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি দালিৰ উত্‌পাদন বঢ়াবলৈ চেষ্টা কৰা হৈছে।

শ্ৰীনগেন বৰুৱা ঃ— উপাধ্যক্ষ মহোদয়

( when Shri Bhubaneswar Barman rose to speak )

**Mr. Deputy Speaker** :— I say, order, order. Shri Nagen Baura please.

**Shri Golak Rajbanshi** :— Sir, a point of order. Whether the member stands first will get the chance first or whether the member catches the eyes of the Hon'ble Deputy Speaker will get the chance first.

**Mr. Deputy Speaker** :— The member who catches the eyes of the Deputy Speaker. Will get first chance.

শ্ৰীনগেন বৰুৱা ঃ – আমাৰ গাওঁ লেভেলত যি জইন ডেৰেক্টৰ আছে, কিমান বিলাক খেতিয়কক যোগাযোগ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে ? আৰু কি আচঁনি হাতত লোৱা হৈছে সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— কি ব্যৱস্থা লোৱা হৈছে মানে, কেন্দ্ৰিয় আৰু ৰাজ্যিক ভিত্তিত দাইলৰ আচঁনি লোৱা হৈছে। কেন্দ্ৰিয় আচঁনিত ৩ লাখ টকা। সচঁ আৰু প্ৰদৰ্শনমূলক খেতি আৰু বীজৰ ওপৰত চাবচিদি। বিভাগে উন্নত জাতৰ বিধানবোৰ পেকেট কৰি ডেৰ কেজিকৈ বান্ধি বিনামূলিয়াকৈ ৰাইজক বিতৰণ কৰা ব্যৱস্থা আছে। ৰাজ্যিক আচঁনিত ২ লাখ টকা খৰচ কৰিছে। অহা বছৰত কেন্দ্ৰিয় আচঁনিত ৬ লাখ টকা আৰু ৰাজিক আচঁনিত ৫ লাখ টকা আচঁনিত ধৰা হৈছে। ইয়াৰ ভিতৰত পাহকুৱা অঞ্চলত ৫০ হাজাৰ টকা লৈছে।

মঃ চিৰাজুল হক ঃ— দাইলৰ উৎপাদনৰ বাবে বৰপেটা অঞ্চলটো উৎকৃষ্ট বুলি শঙ্কৰদেৱে বাচি লৈছিল। কিন্তু এতিয়া বৰপেটা অঞ্চলটো কিয় বাদ দিয়া হ'ল মন্ত্ৰী মহোদয়ে কব নে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— শঙ্কৰদেৱে কেতিয়া বাচি লৈছিল সেইটো মই কব নোৱাৰো, কিন্তু পানী থকা অঞ্চলত দাইল নহয় আৰু পানী শুকালে আহিন, কাতি, আঘোন, পুহত সেই জলবায়ুত হব পৰা মচুৰ, মাটিমাহ আদি দালি কৰা হয়।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মন ঃ— উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কলাৰ দাইল বা খেচাৰী দাইল অবৈধ বুলি কৈছে এই কলাৰ দাইলটো বিশেষকৈ আমাৰ বজালী অঞ্চলত ব্যাপকভাবে হয় আৰু সৰ্ব্বসাধাৰণ মানুহে তাকেই ব্যৱহাৰ কৰে। গতিকে এই দাইলটো চৰকাৰে কিয় অবৈধ বুলি কৈছে ? যদি সকলো ৰাজ্যত বন্ধ কৰা নাই তেন্তে অসমত কিয় বন্ধ কৰিছে ? এই দাইলটো বন্ধ কৰাৰ মূলতে ব্যৱসায়ী চক্ৰান্ত বুলি কব পাৰি নেকি যে ইয়াৰ জৰিয়তে দুখীয়া ৰাইজক অৰ্থ নৈতিক দুৰাৱস্থালৈ ঠেলি দিব ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— বৰ্ত্তমান অসমৰ স্বাস্থ্য বিভাগৰ সচিবে ১৯৫৫ চনৰ আইনৰ ৪৪ ক ধাৰা মতে অসমত খেচাৰি দাইলৰ খেতি আৰু বেচা-কিনা বন্ধ কৰি দিছে। ১৯৬৬ চনৰ ১০ মাৰ্চ তাৰিখৰ পৰা যদিও বন্ধ কৰি দিছে অসমত হিচাব মতে প্ৰায় ৭ হেজাৰ হেক্টৰ মাটিত এই খেচাৰি দাইল হয়। কেন্দ্ৰিয় চৰকাৰৰ নিৰ্দ্দেশত পাবলিক হেলথ্ বিভাগে এই চাৰকোলাৰ দিছিল। অসম, মহাৰাষ্ট্ৰ আৰু তামিলনাডুৰ বাদে অন্য ৰাজ্যত খেচাৰি খেতি কৰিয়েই আছে। আৰু আমি নিজেই জানো অসমৰ মানুহে এই দাইল খাৰ দি খায়। অন্যান্য ৰাজ্যত অসমৰ দৰে নেখায়। বহুতে শুকানে বা অন্য প্ৰকাৰে খায়। গতিকে কথাটো পুনৰ ভাবিব লাগে। অসমত এই খেতি যিহেতুকে বেচি ভাল হয় তাৰ বাবে আমাৰ নতুন চৰকাৰে ভাবি চাইছে। আৰু এইটো দোষমুক্ত কৰিব পাৰে নেকি, সেই বিষয়ে স্বাস্থ্য বিভাগে পৰীক্ষা কৰি আছে। তদুপৰি এবিধ নতুন খেচাৰী সঁচ ওলাইছে পুচা নং ২৪, ভাৰতীয় কৃষি গবেষণা কেন্দ্ৰই এইবিধ খেচাৰি খেতি কৰিব পাৰে বুলি প্ৰকাশ কৰিছে।

শ্ৰীবিপিন হাজৰিকা ঃ— উপাধ্যক্ষ মহোদয়, ওখ মাটিৰ প্ৰয়োজনলৈ লক্ষ্য ৰাখি ডিব্ৰুগড় আৰু অন্যান্য অঞ্চলত চাহ বাগানৰ মজদুৰ সকলক লৈ দালি উৎপাদনৰ বিস্তীৰ্ণ আচনি এখন চৰকাৰে লব নে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) ঃ— আচনি লব পৰা হব, কিন্তু মাটিখিনি মজদুৰৰ হাতত আছে নে নাই সেইটোহে কথা। ইতিমধ্যে অসমৰ চাহ বাগিছা বিলাকলৈ ৰহৰ মাহৰ খেতি কৰিবলৈ অনুৰোধ জনাইছো। আৰু তাৰ লগতে ফৰেষ্ট বিভাগক ৫০০ হেক্টৰ মাটিত অৰহৰ দাইলৰ খেতি কৰিবলৈ সঁচ দিয়া হৈছে। সেই কেইখন বিজনী, ৰঙিয়া আৰু হোজাই ইত্যাদি ঠাইত এই খেতি কৰিব।

শ্ৰীবিপিন হাজৰিকা ঃ— মোৰ প্ৰশ্নটো এইটোহে আছিল, চাহ বাগিছা বিলাকত 'গ্ৰো মোৰ ফুড'ৰ নামত মাটিবিলাক ৰখাৰ সুবিধা লোৱাৰ এটা ষড়যন্ত্ৰ কৰে। গতিকে এই প্ৰাক্তন মজদুৰ সকলক

বিশেষকৈ দুখীয়া লোকসকলক এই দালি আদি উৎপাদন কৰিব দিয়াৰ আচনি আপুনি ইচ্ছা কৰিলে প্ৰস্তুত কৰিব পাৰে। গতিকে চৰকাৰে এই বিষয়ে বিবেচনা কৰিব নে?

শ্ৰী সোনেশ্বৰ বৰা (মন্ত্ৰী):— বাগানৰ মাটিৰ প্ৰতি লক্ষ্য ৰাখি এই ব্যৱস্থা কৰা হোৱা নাই। গোটেই ৰাজ্যখনৰ চাহিদা পূৰণ কৰিব পৰাকৈ দালি উৎপাদন কৰিবৰ কাৰণে বিস্তৃত আচনি গ্ৰহণ কৰা হৈছে। সেই মৰ্ম্মে বাগানৰ উতৃৰ্ন্য মাটি বিলাকতো আৰু বিশেষকৈ নতুন চাহ পুলিৰ মাজত মেডেলুৱাৰ পৰিবৰ্ত্তে কৰে দাইলৰ খেতি কৰিব পৰা হয় তাৰ কাৰণে বাগানৰ মালিক সকলক অনুৰোধ কৰা হৈছে। বাগানৰ কোনো মজদুৰে যদি এই বিলাক খেতি কৰিবৰ কাৰণে আগ্ৰহ আছে তেওঁলোকক উৎসাহিত কৰা হব। বনুৱা সকলে এনেও তেওঁলোকৰ আশে-পাশে থকা মাটিত চুকে কোনে বেঙেনা, জলকীয়া দুই চাৰিজোপা ৰহৰ দাইল ইত্যাদিৰ খেতি কৰে। এই বিষয়ে মাননীয় সদস্য সকলে কোৱা মতে মজদুৰ সকলৰ কোনোবাই আহিলে সহায় কৰা হব আৰু ইয়াৰ কাৰণে মাননীয় সদস্য সকলৰ পৰা সহযোগ পালে আমি লাভজনক হম।

## *Re* : Introduction of Computer For Preparing Results of H. S. L. C. Examination

Shri KHAGEN BARBARUAH asked :

*356. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that due to introduction of computer for preparing results of the H. S. L. C. Examination various anomalies occurred ?

(b) Whether it is also a fact that results were declared

several times ?

(c) Whether it is a fact that without appearing in the said Examination some were declared as passed ?

(d) If so, how it occurred ?

(e) Whether it is a fact that the result of the said Examination was declared till the last Test Examination of H. S. L. C. ?

(f) If so, those who have passed had to suffer loss in terms of money and year ?

(g) Whether this system will be continued this year too ?

Shri LAKHYADHAR CHOUDHURY ( Minster, Education ) replied :

356. (a)—Yes. Some anomalies occurred due to introduction of Computer for preparing results in 1977, but these were immediately removed.

(b)—No. Results were declared only once but results of the incomplete and anomalous cases were declared subsequently.

(c)—No.

(d)—Does not arise.

(e)—No.

(f)—Does not arise.

(g)—No. The system has been abandoned.

শ্ৰীখগেন বৰবৰুৱা ঃ— উপাধ্যক্ষ মহোদয়, কমপিউটৰ চিচটেম অৰ্কমন্য হোৱা স্বত্তেও মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে, যে ফলাফল এবাৰহে প্ৰকাশ কৰিছে। তাৰ পাচত আকৌ চাবচিকুৰেণ্ট লিষ্ট প্ৰকাশ কৰিছে। কেইবাৰ চাবচিকুৰেণ্ট লিষ্ট কৰা হৈছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ— উপাধ্যক্ষ মহোদয়, পোনতে ঘোষণা কৰা ৰিজাল্ট কিছু সংখ্যক থাকি যোৱা কাৰণে এইচ্, এচ, এল. চি পৰীক্ষাৰ ৰিজাল্ট ৮ বাৰ চাবচিকুৰেণ্ট লিষ্ট প্ৰকাশ কৰা হয়।

শ্ৰীনৰেন দত্ত ঃ— উপাধ্যক্ষ মহোদয়, কম্পিউটৰ ব্যৱহাৰ কৰোতে এই পৰীক্ষাৰ বাবে ৪ লাখ টকা খৰচ হৈছে। কম্পিউটৰ ব্যৱহাৰ নকৰোতে কিমান টকা খৰচ হৈছিল ? মোৰ দ্বিতীয় প্ৰশ্ন হৈছে, যোৱা বেলি এই পৰীক্ষাৰ বহি ৰাস্তাত পৰি আছিল আৰু আমাৰ মাননীয় কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী শ্ৰীমতী ৰেণুকাদেৱী বৰকটকীয়ে বুটলি আনি অফিচত জমা দিছিল, এই কথা সত্যনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা মন্ত্ৰী ) ঃ— দ্বিতীয় প্ৰশ্নটো আমাৰ দৃষ্টিগোচৰ হোৱা নাই। অফিচত খবৰ কৰিম। প্ৰথম প্ৰশ্নটোৰ উত্তৰত কওঁ যে কম্পিউটৰ ব্যবহাৰ নকৰোতে ২ লাখ ৮৬ হাজাৰ টকা খৰচ হৈছিল আৰু কম্পিউটৰ ব্যৱহাৰ কৰোতে ৪ লাখ ৫০ হাজাৰ টকা খৰচ হৈছে।

মঃ চামছুল হুদা ঃ— কলিকতাৰ এই কম্পিউটৰ কোম্পানীটোৱে অসম চৰকাৰক ৬০ লাখ টকাৰ এখন বিল দিছে এই কথাটো সচাঁনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ তেনে বিল দেখা নাই কিন্তু তেওঁলোকে ভাল কাম নকৰাৰ কাৰণে ৯৩ হাজাৰ টকা কাঢ়ি ৰখা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ – পৰীক্ষা দি পাচ কৰা আৰু কম্পিউটৰ ব্যৱহাৰ কৰা, এইবিলাকত বহুত জুলম হয়। পৰীক্ষা নিদিয়াকৈয়ো পাচ কৰা চাৰ্টিফিকেট যোগাৰ কৰিব পাৰি এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ— সেইটো জনা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ — এই কম্পিউটৰ কোম্পানীয়ে সেই সময়ৰ অসমৰ এজন মন্ত্ৰীৰ আত্মীয় এজনক বিলাতলৈ পঢ়িবলৈ পঠাইছিল এই কথা চৰকাৰে জানেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী )ঃ— এইটো খবৰ ইয়াত নাই। কিন্তু চেকেণ্ডাৰী বোৰ্ডৰ প্ৰস্তাৱ দেখা গৈছে যে সেই সময়ৰ মুখ্যমন্ত্ৰীৰ ইচ্ছা অনুযায়ী

কম্পিউটৰ ব্যৱহাৰ, কৰা হৈছিল।

শ্ৰীনগেন বৰুৱা ঃ—উপাধ্যক্ষ মহোদয়, যি বছৰত কম্পিউটৰ ব্যৱহাৰ কৰা হৈছিল। সেই বছৰ কোন তাৰিখত কম্পিউটৰ ব্যৱহাৰ কৰিম বুলি সিদ্ধান্ত কৰিছিল ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) ঃ—তাৰিখটো মোৰ হাতত নাই। প্ৰস্তাৱত দেখিছো যে দুমাহ মান আগতে সিদ্ধান্ত লৈছিল।

শ্ৰীনগেন বৰুৱা ঃ— সাধাৰণতে পৰীক্ষাৰ ৬।৭ মাহ আগতে প্ৰস্তুতি কৰা হয়। কিন্তু সেই বছৰ এই পৰীক্ষাৰ পিচতহে ডিচেম্বৰ মাহত, সেই সময়ৰ মুখ্যমন্ত্ৰীৰ বিশেষ অনুৰোধ অথবা হুমকিত বোৰ্ডৰ সভাপতিয়ে কম্পিউটৰ ব্যৱহাৰ কৰিছিল। এই কথা সচানে ?

**Shri Sarat Chandra Sinha** :— Mr. Deputy Speaker, Sir, This is an insinuation. We want that the Minister, education should place all the facts before the House. Let me explain. ( voices from different directions uproar )

—

**Shri Dulal Chandra Barua** ( Minister, Parliamentary Affairs ) :— Sir, point of orther. The point of order is that when a honourable member is asking a question the Minister concerned is to reply. All the honourable members have got the right to put questions seeking clarification. Therefore, Shri Nagen Barua is asking the question but the leader of the opposition has intervened which is not proper.

( Voices from different directions uproar )

**Shri Noorul Huda** :— Mr. Deputy Speaker, Sir, after hearing the reply from the Education Minister if any honourable member requires any clarification he can put question. So also after hearing the replies from the Education Minister the leader of the opposition may put his question. But he cannot intervene while the Minister replies.

**Shri Altaf Hussain Majumdar** :— Mr. Deputy Speaker, Sir, point of order. Under the rules wherein a honourable member puts a question it is the obligation of the Minister concerened to reply. If the honourable leader of the

opposition has got anything to ask or expla in he should keep patience and after hearing the replies from the Minister he can offer his personal explanation, if any.

**Shri Sarat Chandra Sinha** :— Sir, it is not my personal explanation.

মাননীয় উপাধ্যক্ষ ঃ— এজন বিধায়কে প্ৰশ্ন কৰিলে মন্ত্ৰীক উত্তৰ দিবলৈ দিব লাগে।

**Shri Dulal Chandra Barua** (Minister Parliamentary Affairs) :— Sir, one submission. This is a dignified House. The leader of the opposition was once the Chief Minister and leader of this House. He is well conversant about the proceedure laid down under the rules Rule 43 reads :— "Questions shall be put and answers given in such manners as the Speaker may, in his discretion determine" You have already given your ruling. There are other questions also. Honourable members will get chance to raise this matter in other ways also. Honourable member has got right to give notice to this effect. Therefore, Sir, as you have already given your ruling the question may be replied by the Minister concerned.

**Mr. Deputy Speaker** :— There cannot be any insinuation. While a honourable member puts a question the other honourable members should hear the reply of the Minister and after hearing the replies if any honourable member requires any clarification the honourable members can put question.

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এইখিনি সময়ৰ ভিতৰত আমাৰ সদনৰ প্ৰশ্নকৰ্তাজনৰ প্ৰশ্নটোৰেই পাহৰিলো।

শ্ৰীনগেন বৰুৱা ঃ— মোৰ প্ৰশ্নটো হৈছে, চেকেণ্ডাৰী বোৰ্ডে গতানুগতিক ভাবেই হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ ব্যৱস্থা কৰে কিন্তু সেই বছৰৰ ডিচেম্বৰ মাহৰ শেষৰ ফালে পৰীক্ষাৰ ৰিজাল্ট প্ৰস্তুত কৰাৰ সময়ত সেই সময়ৰ মুখ্য মন্ত্ৰীয়ে বৰ্ডৰ সভাপতিক মাতি আনি কম্পিউটাৰ ব্যৱহাৰ কৰিবলৈ নিৰ্দ্দেশ দিলে আৰু তেওঁৰ ইচ্ছানুযায়ীয়েই এই কম্পিউটাৰ ব্যৱহাৰ কৰিবলগীয়া হ'ল এই কথা সচাঁ নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— উপাধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে সেই সময়ৰ মুখ্য মন্ত্ৰী মহোদয়ৰ ইচ্ছানুযায়ীয়েই এই কম্পিউটাৰ ব্যৱহাৰ কৰাৰ সিদ্ধান্তৰ প্ৰস্তাৱ কৰা হয়। এই ক্ষেত্ৰত এটা মীমাংসাত অহিবলৈ এটা অনুসন্ধান কমিটী কৰি দিয়া হৈছে আৰু সেই কমিটীৰ ৰিপোৰ্ট আহি পৰিছে কিন্তু এতিয়া সেইটো অফিচত টাইপ হৈ আছে, সম্পূৰ্ণ টাইপ হৈ গলে এই বিষয়ে গোটেইখিনি কথা জানি সদনৰ সদস্যসকলক জানিবলৈ দিয়া হব। আৰু ১০ দিন মান সময় লাগিব।

**Shri Premadhar Bora** :— Sir, I want to know from the Minister whether this defective system of preparing results through computer has been abandoned ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) ঃ— এবাদনটো। হলেই, সিপাৰ হৈ অসমৰ পৰা বাহিৰ হৈ গল।

মাননীয় উপাধ্যক্ষ ঃ— এই প্ৰশ্নটোৰ বিষয়ে যথেষ্ট আলোচনা হৈ গল এতিয়া আমি পিচৰ প্ৰশ্নটোলৈ আহিব লাগে।

Starred Question No. 357 was not put, the member being absent.

## *Re* : Class I and Class II posts of Assam Educational Service in Government Colleges

**Shri Hemen Das** asked :

*358. Will the Minister, Education be pleased to state—

(a) What are the existing number of Class-I and Class-II posts in Assam Education Services in Cotton College, Diphu College and Haflong College ?

(b) What is the principle of Assam Educational Service determining ratio in Class-I and Class-II posts in Government College in Assam ?

(c) Whether all the posts in Class-I of Assam Education

service have been filled up in all these Colleges ?

(d) If not, the reason thereof ?

**Shri Lakhyadhar Choudhury** ( Minister, Education ) replied :

358 (a)— The existing number of Class-I and Class-II posts in Assam Education Service in Cotton College, Diphu College and Haflong College is given below :—

| Name of College | Class-I Post | Class-II Post. |
|---|---|---|
| Cotton College— | 43 | 101 |
| Diphu College— | | 22 |
| Haflong Colleg— | .. | 27 |

(b)— The Principle of determining ratio in Class-I and Class-II is 2 : 3 of the permanent posts.

(c)— All the Class-I posts in the Cotton College have been filled up. No Class-I post have yet been created for the Diphu College and Haflong College.

(d)— Does not arise.

**Shri Hemen Das** : – Will the Ministers be pleased to enlighten me why class I posts have not been created for Haflong and Diphu colleges ?

শ্ৰীলক্ষ্যাধৰ চৌধৰী (মন্ত্ৰী) : – আমাৰ এতিয়া কটন কলেজত ৩২ টা এডিশ্যনেল লেকশ্যাৰাৰে কাম আছে আৰু ডিফুত ২১ টা, এনেদৰে কৰোতে দেখা যায় যিবিলাক ক্লাচ ১ ত আছে সেই সকলৰ চিনিয়ৰিটি লিষ্ট সম্পূৰ্ণ হৈ নুঠাৰ কাৰণে অসুবিধা হৈছে আৰু ২ সপ্তাহমান সময় লাগিব, এতিয়া লিষ্ট তৈয়াৰ হৈ আছে, কিন্তু ব্যক্তিগত অধ্যাপকৰ পৰা আবেদন পোৱাৰ কাৰণে পুনৰ চিনিয়ৰিটি লিষ্টখন তৈয়াৰ কৰিবলগীয়া হ'ল আৰু এইটো ভাল ধৰণে পৰীক্ষা-নিৰীক্ষা কৰিবলৈ চেক্ৰেটাৰী মহলক দিয়া হৈছে।

ইতিমধ্যে এইটো প্ৰায় শেষ হৈছে। এইটো হৈ গলে ডিফু কলেজে পাব কিন্তু হাফলংত এতিয়াও হোৱা নাই।

শ্ৰীহেমেন দাস :— তেতিয়াহলে পোষ্টৰ কাৰণে পোষ্টবিলাক সৃষ্টি কৰা নহয় ব্যক্তিগতক নিয়োগ কৰাৰ কাৰণেহে হয় নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— ব্যক্তিগতৰ কাৰণে কৰা হোৱা নাই, আৱশ্যক অনুযায়ীহে এইবিলাক কৰা হৈছে, ১০১ জন ক্লাচ ২ ত আছে আৰু তেওঁলোকৰ পৰাও প্ৰমোশ্যন পোৱাৰ কাৰণে কেণ্ডিডেট আছে গতিকেই চিনিয়ৰিটি লিষ্ট এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই।

শ্ৰীহেমেন দাস :— প্ৰশ্নটো হৈছে একেই চৰকাৰী কলেজ দুখন চলি আছে তাৰে এখনত ক্লাচ—১ নাই আনখনত আছে.তেনে ক্ষেত্ৰত যিখন কলেজত ক্লাচ—১ ৰ পোষ্ট নাই তাত যোগ্যতা অৰ্জ্জন নকৰাৰ কাৰণে ক্লাচ—১ ৰ পোষ্ট নাই নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— হাফলং কলেজত ৫-১-৭৫ চনত প্ৰতিষ্ঠা হৈছে আগতে তেওঁলোকৰ কলেজত এ, পি, এচ, চিৰ জৰিয়তে পোষ্ট অহা নাছিল কিন্তু পিছত এ, পি, এচ, চিৰ জৰিয়তে কৰা হৈছে।

শ্ৰীহেমেন দাস :— যিহেতু দুখন চৰকাৰী কলেজ চলি আছে কিন্তু এখনত ক্লাচ—১ পোষ্ট নাই এইটো কেনেকৈ হব পাৰে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— এইটো ইমান দিনে চলিয়েই আছে, এতিয়া সেইটো ঠিক কৰিবলৈ চেষ্টা কৰা হৈছে।

**Shri Binoy Basumatari** :— Was it the policy of the last Government to discriminate against Colleges established in tribal areas like Haflong and Diphu ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— এইটো নহয় যেন লাগে, হাফলং আৰু ডিফুত কলেজ বহু আগতেই হৈছে।

**Shri Premadhar Bora** :— I want to know whether any norm will be fixed in the matter of appointment of Col ege teachers ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) :— নৰ্মচ আছে, কিন্তু তাত ভৰাব নোৱাৰাৰ কাৰণে

পলম হৈছে।

শ্ৰীৰবীন্দ্ৰ মালাকাৰ : - হাফলংৰ প্ৰিন্সিপাল জন যি আছে সেইটো ক্লাচ—১ নহয় নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এতিয়া তেনে হোৱা কথা নাই।

**Shri Ranendra Narayan Basumatari** :— Whether the question of seniority in these three colleges are to be determined collegewise or cadrewise taking all the three colleges together ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) সকলো বিলাক একেধৰণেই লোৱা হব, সাধাৰণতে এ,পি, এচ, চিৰ অৰ্জন কৰি অহা সকলৰ পৰাই এইটো লোৱা হয়।

**Mr. Deputy Speaker** :— The question hour is over.

**Undisposed Starred Questions dated 27-6-78**

## বিঃ শিৱসাগৰ মহকুমাৰ আহোম ৰজাদিনীয়া পুখুৰী

শ্ৰীযোগেন গগৈয়ে সুধিছে :

*৩৭৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিৱসাগৰ মহকুমাত আহোম ৰজাদিনীয়া ঐতিহ্যমণ্ডিত পুখুৰী কিমান আছে ?

(খ) এনে বিলাক পুখুৰী বেদখল কৰি থকাটো সচাঁনে ?

(গ) ন-পুখুৰী, পুৰণি পুখুৰী পাৰ পূৰ্বাঞ্চল তেল আৰু প্ৰাকৃতিক গেচ আয়োগে দখল কৰি থকাটো সচাঁনে ?

(ঘ) যদি সচাঁ হয় তেন্তে কি ভিত্তিত দখলত ৰাখিছে জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৫৯। (ক)—শিৱসাগৰ মহকুমাত অনুসন্ধান কৰি এতিয়ালৈকে ৪৩ টা ঐতিহ্যমণ্ডিত পুখুৰীৰ সন্ধান পোৱা হৈছে। এই পুখুৰী বিলাকৰ তালিকা সদনৰ মেজত ৰখা হৈছে।

(খ) — কিছুমান পুখুৰীত বেদখলকাৰী থকাটো সচাঁ।

(গ)— হয়। সচাঁ।

(ঘ)— অসম চৰকাৰৰ ৰাজহ বিভাগৰ অনুমতি ক্ৰমে যথাক্ৰমে ৬২ বিঘা ২ লেচা ( দাগ নং ৬৪,৬,১৫ আৰু ১৬) আৰু ৩৩ বিঘা ১ কঠা ৩ লেচা ( দাগ নং ৭, ১৭/কে, এ, ৮, ৩২/কে,এ, আৰু ৩৪) পূৰ্ব্বাঞ্চল তেল আৰু গেচ, আয়োগক সাজ-সৰঞ্জাম আদি ৰাখিবলৈ দিয়া হয়।

**Re : Construction of a bund from Chauldhowaghat to Ghagormukh**

**Shri Lakshyanath Doley** asked :

*360. Will the Minister, Flood Control be Pleased to state—

(a) Whether it is a fact that there is a proposal for construction of a bund along the right bank of Sobanshiri river from Chauldhowaghat to Ghagormukh ?

(b) If so, whether construction will be starred in the next working season of this year ( 1978 ) ?

(c) Whether there is a provision in the proposal for anti-

erosion measure at Katori Chapori ( a place three K·M. down stream from the P W.D. bridge over Sobansiri river ) ?

**Shri Ramesh Mohan Kouli** ( Minister, Flood Control) replied :

360. (a)— This is under examination.

(b)—Does not arise in view of the above reply.

(c)—Does not arise in view of (a) above.

## *Re* : Sibsagar Commerce College

**Shri Promode Gogoi** asked :

*361. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the Students Union Society of the Sibsagar Commerce College had submitted a representation on 2nd March 1978 to the Secretary, Education Government of Assam ?

(b) If so, the action taken by the Government on the said representation ?

**Shri Lakhyadhar Choudhury** ( Minister, Education ) replied :

361. (a)—Yes.

(ক) হয়।

(b)—The Governing Body of the College had already been dissolved and the D. P. I has taken over the control and management with effect from 17th April, 1978 with a view to restore normal academic atmosphere in the College. With the dissolution of the Governing Body D. P. I. was instructed to make necessary arrangement for smooth management of the College He was also instructed to

dispose of the long pending case of one lecturer who is under suspension during the period of his direct management. In fact an officer of the rank of Deputy D.P.I. has been entrusted to act as Enquiry Officer to complete the proceeding against the said lecturer. The D. P I. would also take up other allegations and grievances after the present Assembly is over.

(খ)—১৭।৪।৭৮ তাৰিখৰ পৰা কলেজ পৰিচালনা সমিতিখন অসমৰ শিক্ষাধিকাৰে ভঙ্গ কৰি দিয়ে আৰু তাৰ দায়িত্ব নিজে লয়। লগে লগে শিক্ষাধিকাৰক কলেজৰ সুক্ষ্ম পৰিচালনাৰ কাৰণে নির্দ্দেশ দিয়া হৈছে। তেওঁৰ প্রত্যক্ষ পৰিচালনাৰ সময় ছোৱাতে, বর্খাস্ত হৈ থকা শিক্ষক এজনৰ দীর্ঘ ম্যাদী বিষয় এটা নিষ্পত্তি কৰিবলৈ নির্দ্দেশ দিয়া হৈছে। অর্থাৎ উপ-শিক্ষাধিকাৰ পর্য্যায়ৰ এজন বিষয়াৰ দ্বাৰা উক্ত শিক্ষকজনৰ ওপৰত থকা কার্য্যপন্থা শেষ কৰিবলৈ অনুসন্ধান বিষয়া হিচাবে নিয়োগ কৰা হৈছে। শিক্ষাধিকাৰে বিধান সভা শেষ হোৱাৰ পিচত অন্যান্য দাবী সমূহৰ বিষয়ে চকু দিব।

*Re* : **Sibsagar Commerce College**

**Shri Promode Gogoi asked :**

*362. Will the Minister, Education be pleased to state—

(a) Whether it is fact that Teachers' Unit of the Sibsagar Commerce College had submitted a memorandum on 18th January 1978 to the Secretary, Education, Government of Assam ?

(b) If so, what were the grievances of the Teachers' Unit ?

(c) What steps have been taken by the Government to remove their grievances ?

**Shri Lakhyadhar Choudhury** ( Minister, Education ) replied :

362. (a)—Yes.

(ক)—হয়।

(b)—A copy of the memorandum showing grievances of the Teachers is placed on the Table of the House.

(খ)—দাবীসমূহ থকা স্মাৰক পত্ৰৰ নকল এটা সদনৰ মেজত দাখিল কৰা হল।

(c)—The Governing Body of the College has already been dissolved by the Director of Public Instruction, Assam with effect from 17th April, 1978 and he has taken over the control of the College. With the dissolution of the Governing Body the D. P. I. was instructed to make necessary arrangement for smooth management of the College. He was also instructed to dispose of the long pending case of one lecturer, who is under suspension, during the period of his direct management. In fact, an officer of the rank of Deputy D. P. I. has already been entrusted to act as Enquiry Officer to complets proceeding against the said Lecturer, D. P. I. would also take up other grievances after the present Assembly is over

(গ)—১৭।৪।৭৮ তাৰিখৰ পৰা কলেজৰ পৰিচালনা সমিতিখন অসমৰ শিক্ষাধিকাৰে ভঙ্গ কৰি দিয়ে আৰু তাৰ দায়িত্ব নিজে লয়। লগে লগে শিক্ষাধিকাৰক কলেজৰ সুক্ষ্ম পৰিচালনাৰ কাৰণে নিৰ্দ্দেশ দিয়া হৈছে। তেওঁৰ প্ৰত্যক্ষ পৰিচালনাৰ সময় ছোৱাতে, বৰ্খাস্ত হৈ থকা শিক্ষক এজনৰ দীৰ্ঘ ম্যাদী বিষয় এটা নিষ্পত্তি কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। অৰ্থাৎ উপ-শিক্ষাধিকাৰ পৰ্য্যায়ৰ এজন বিষয়াৰ দ্বাৰা উক্ত শিক্ষকজনৰ ওপৰত থকা কাৰ্য্যপন্থা শেষ কৰিবলৈ অনুসন্ধান

বিষয়া হিচাবে নিয়োগ কৰা হৈছে। শিক্ষাধিকাৰে বিধান সভা শেষ হোৱাৰ পিচত অন্যান্য দাবীসমূহৰ বিষয়ে চকু দিব।

## বিঃ ডিব্রুগড় মিউনিচিপাল বৰ্ড

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে শুধিছে :

*৩৬৩। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ডিব্রুগড় মিউনিছিপাল বৰ্ডখন ভাঙ্গি দিয়া কিমান বছৰ হৈছে ?

(খ) এই বোৰ্ডখন অনিৰ্দিষ্ট কাললৈ বন্ধ হৈয়ে থাকিব নেকি ?

শ্ৰীজহিৰুল ইছলাম (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৬৩। (ক)—৬ বছৰ।

(খ)—সোনকালে নিৰ্ব্বাচন পতাৰ ব্যৱস্থা লোৱা হৈছে।

## বিঃ তেজপুৰ মহকুমাৰ বনাঞ্চলত বেদখলকাৰী

শ্ৰীপ্ৰতাপ কলিতাই সুধিছে :

*৩৬৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰ মহকুমাৰ বিভিন্ন বনাঞ্চলত কিমান বেদখলকাৰী আছে ?

(খ) এই বেদখলকাৰীসকল কোন কোন জিলাৰ পৰা আহিছে আৰু কিমান বছৰ ধৰি বেদখল কৰি আছে ?

(গ) এই বেদখলকাৰীসকলৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লোৱাৰ কথা বিবেচনা কৰিছে ?

শ্ৰীসমৰ ব্ৰহ্ম চোধুৰী ( বন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিয়ে :

৩৬৪। (ক)—সংৰক্ষিত বনাঞ্চলৰ নাম

| সংৰক্ষিত বনাঞ্চলৰ নাম | বেদখলকাৰীৰ সংখ্যা |
|---|---|
| (১) গহপুৰ বনাঞ্চল | ৫,০০০ ঘৰ (অনুমানিক) |
| (২) বিশ্বনাথ | ৬০৩ ঘৰ ( ,, ) |
| (৩) পানপুৰ | ৪০ ঘৰ ( ,, ) |
| (৪) বালিপাৰা | ৯২১ ঘৰ ( ,, ) |
| (৫) চাৰিদুৱাৰ | ১,২৯৬ ঘৰ ( ,, ) |
| (৬) বুঢ়াচাপৰি | ৫০ ঘৰ ( ,, ) |
| মুঠ সংখ্যা | ৭,৯১০ ঘৰ ( ,, ) |

(খ)—স্থানীয় লোকৰ উপৰিও এই বেদখলকাৰীসকল লক্ষীমপুৰ, গোৱালপাৰা, কামৰূপ আৰু নগাঁও জিলাৰ পৰাও আহিছে। তেওঁলোকৰ কিছুমান যোৱা ১৫।১৬ বছৰ ধৰি আৰু কিছুমান ৭।৮ বছৰ ধৰি আছে। আকৌ ১।২ বছৰ ধৰি থকা লোকো বেদখলকাৰী আছে। অন্য কিছুমান চলিত বছৰতও আহিছে।

(গ)—নতুন বেদখলকাৰীয়ে যাতে সংৰক্ষিত বনাঞ্চলত প্ৰবেশ কৰিব নোৱাৰে তাৰ বাবে চোকা দৃষ্টি ৰখা হৈছে আৰু সকলো সংশ্লিষ্ট বন বিষয়াক সতৰ্ক কৰি দিয়া হৈছে।

*Re* : **Collection of Sales-tax, Assam Finance Sales-tax etc.**

**Shri Kiran Chandra Bezbarua asked :**

*365. Will the Minister, Finance be pleased to state—

(a) The total amount of tax collected during 1977-78 under the heads : Sales-Tax, Assam Finance Sales-Tax, Central Sales Tax, etc on the items : Motor Cars, Trucks, Scooters, Motor Cycles, Auto-Rickshaws, Tractors. Bulldozers,

Cycles (all types), Tyres and Tubes (all types), Medicine, Iron and Steel, paints and Colours, Bricks and Timbers ? ( Subdivision-wise break-up may be furnished on the table of the house ) ?

(b) The total amount of different types of taxes collected during the year 1977-78 on the items : Readymade Garments and Hosiery ? ( Subdivision-wise break-up may be given separately for all types of taxes ).

(c) The amount of Purchase Tax collected during 1977-78 on the items : Paddy and Jute separately ?

(d) The total amount of tax collected during the year 1977-78 from parts and accessories of auto-mobiles like Motor Cars, Trucks, Scooters, Motor Cycles, Auto-Rickshaws, etc ?

(e) The total amount of tax collected during 1977-78 on the items : Radios, Transistors, Batteries, etc ?

(f) The amount of tax collected during the last three years on items : Cement and Electrical goods separately ?

**Shri Keshab Chandra Gogoi ( Minister, Finance ) replied :**

365. (a)—and (b)—Data relating to itemwise collection of revenue is not maintained.

(c)—The required data for 1977-78 has not yet been finalised. However, the estimated collection of revenue under Purchase Tax and Paddy is Rs. 39.28 lakhs and on Jute is Rs. 56.08 lakhs.

(d), (e) and (f)—Data relating to itemwise collection of revenue is not maintained.

## *Re* : Assessment of Sales-tax in Tezpur Town

**Shri Golok Rajbanshi asked :**

*366. Will the Minister, Finance be pleased to state.

(a) The total amount of sales tax assessed during the last five years in Tezpur Town ?

(b) The total amount collected during this period and the amount outstanding ?

(c) What are the causes for accumulation of the taxes ?

**Shri Keshab Chandra Gogoi** ( Minister, Finance ) replied :

366. (a)—Rs. 27,48,037.00 ( from 1973-74 to 1977-78 )

(b)—Amount collected is Rs. 18,26,209.00 and amount outstanding Rs. 9,21,828.00.

(c)—Out of the outstanding amount of Rs. 9,21,828 an amount of Rs. 1,00,276 is under appeal. an amount of Rs. 5,11,617 is under Bakijai and the remaining amount of Rs. 3,09,9 5 is under the process of realisation by the Superintendent of Taxes.

## বি ঃ বাৰাউনি শোধানাগাৰলৈ নিয়া খাৰুৱা তেলৰ ওপৰত লগোৱা বিক্ৰী কৰ

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে ঃ

*৩৬৭। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বাৰাউনি শোধানাগাৰলৈ নিয়া খাৰুৱা তেলৰ ওপৰত লগোৱা বিক্ৰীকৰ সম্পৰ্কে অসম চৰকাৰৰ সপক্ষে সৰ্ব্বোচ্চ ন্যায়ালয়ে ৰায় দিছিল নেকি ?

(খ) যদি দিছিল, তেল কোম্পানীৰ পৰা এই বিক্ৰীকৰ আদায় হৈছে নে ?

(গ) যদি হৈছে, বৰ্ত্তমান বিত্তীয় বছৰলৈ কিমান টকা বিক্ৰীকৰ অসম চৰকাৰে পাইছে।

শ্ৰীকেশব চন্দ্ৰ গগৈ ( বিত্ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৩৬৭। (ক) হয়, দিছে।

(খ)—হয়, হৈছে।

(গ)—অসম চৰকাৰে ৩১।৩।৭৮ তাৰিখলৈ ১৪,১৫,৯৬,৩৯৯,২১ টকা পাইছে।

## *Re* : Incomplete Embankments in Cachar District

**Shri Abdul Muqtadir Choudhury** asked :

*368. Will the Minister, Flood Control be pleased to state—

How many embankments are incomplete for want of sluice gate and non-filling of gaps in Cachar District ? ( Figures to be shown Sub-Divisionwise ).

**Shri Ramesh Mohan Kouli** ( Minister, Flood Control) replied :

368.—Embankments incomplet for want of sluices :—

| | |
|---|---|
| Silchar Sub-Division.. | 2 Nos. |
| Karimganj Sub-Division... | 1 No. |
| Hailakandi Sub-Division... | 1 No. |
| Total | 4 Nos. |

Embankments incomplete for non-filling of gaps—

| | |
|---|---|
| Silchar Sub-Divison... | 1 No. |
| Karimganj Sub-Division.. | 3 Nos. |
| Total | ..4 Nos. |

## বিঃ প্ৰাথমিক শিক্ষাধিকাৰৰ কাৰ্য্যালয়ৰ পঞ্জীয়ক

**শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে সুধিছে :**

*৩৬৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) প্ৰাথমিক শিক্ষাধিকাৰৰ (D.P.I EE) কাৰ্য্যালয়ত এজন ৰেজিষ্ট্ৰাৰ আছে নেকি আৰু যদি আছে তেওঁৰ নাম কি?

(খ) ৰেজিষ্ট্ৰাৰ গৰাকীৰ শিক্ষাগত অৰ্হতা কি জনাবনে?

(গ) উক্ত ৰেজিষ্টাৰ জনৰ মেট্ৰিকুলেশ্যন চাৰ্টিফিকেটখন সদনৰ মেজত দাখিল কৰা হবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৬৯। (ক)– প্ৰাথমিক শিক্ষাধিকাৰৰ কাৰ্য্যালয়ত এজন পঞ্জীয়ক আছে। তেওঁৰ নাম শ্ৰীমোহন চন্দ্ৰ গোঁহাই।

(খ)—তেওঁৰ চাৰ্টিফিকেট মতে ১৯৪৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইণ্টাৰমেডিয়েট (I.A) পাচ কৰিছে। ইণ্টাৰ মেডিয়েট পাছ চাৰ্টিফিকেটৰ ( attested copy দিয়া হল )।

(গ)—তেওঁৰ মেট্ৰিক চাৰ্টিফিকেটখন দিব পৰা নহল। কাৰণ তেওঁ কোনোমতে মেট্ৰিক চাৰ্টিফিকেটখন হেৰাইছে। মেট্ৰিক পৰীক্ষাৰ প্ৰবেশপত্ৰখন আৰু কলিকতা বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰচনখনৰ attested কপি আৰু ইণ্টাৰ মেডিয়েট পাচ চাৰ্টিফিকেটৰ attested কপি সদনৰ মেজত দাখিল কৰা হল।

## বিঃ মন্দিয়া উন্নয়ন খণ্ড

শ্ৰীএম, ইব্ৰাহিম আলীয়ে সুধিছে ঃ

*৩৭০। মাননীয় পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা মহকুমাৰ অন্তৰ্গত মন্দিয়া উন্নয়ন খণ্ডৰ ঘৰ-বাৰীকে আদি কৰি সামগ্ৰীক অৱস্থা সন্তোষজনক নহয় বুলি চৰকাৰে জানেনে?

(খ) যদি জানে, তেন্তে এই উন্নয়ন খণ্ডৰ অৱস্থাৰ উন্নতি কৰিবলৈ চলিত বিত্তীয় বছৰত কি ধৰণৰ কাৰ্য্যকৰী ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীজহিৰুল ইচলাম ( পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩৭০। (ক)—হয়, জানে।

(খ) চলিত বিত্তীয় বছৰৰ বাজেট অনুমোদন অনুসাৰে উন্নয়ন খণ্ডৰ ঘৰ-দুৱাৰ মেৰামতিৰ ব্যৱস্থা লোৱা হব।

## *Re* : Selection of Bodo-medium Teachers in L. P. Schools

**Shri Binoy Kumar Basumatari asked :**

*371. Will the Minister, Education be pleased to state—

(a) Whether the Selection Boards were constituted to select Bodo-medium teachers in L. P. Schools ?

(b) If so, whether non-matric but experienced founder teachers of Bodo-medium schools were selected ?

(c) Whether appointments were made in order of merit as per the selection lists ?

(d) If not, why ?

**Shri Lakhyadhar Choudhury** ( Minister, Education ) replied :

371. (a)—Yes.

(b)—Yes.

(c)—Yes.

(d)—Does not arise.

## *Re* : Promotion of Excise Inspectors

**Shri Noorul Huda asked :**

*372. Will the Minister, Excise be pleased to state—

(a) The principle for promoting subordinate Excise Officers viz Inspector of Excise to the post of Deputy Superintendent of Excise ?

(b) Whether seniority is taken into account in such promotions ?

(c) Whether it is a fact that certain Junior Inspectors have superseded Senior Inspectors in the matter of promotion ?

(d) If so, the reasons for such supersession ?

**Dr. Keshowar Bora ( Minister of State, Excise ) replied :**

372. (a)—The principle adopted for promotion of Inspectors of Excise to the post of Deputy Superintendent of Excise is merit and suitability with due regard to seniority under Excise Service Rules.

(b)—Yes.

(c)—This has happened only in one case.

(d)—The supersession was due to the placement of the Senior Inspector under suspension and drawal of proceedings.

## *Re* : Police Stations exercising Jurisdiction over Sapatgram town

**Shri Ranendra Narayan Basumatari asked :**

*373. Will the Chief Minister be pleased to State—

(a) The number of Police Stations exercising jurisdiction over

Sapatgram town of Goalpara District ? ( The names of Police Stations to be furnished ).

(b) If so, When ?

**Shri Golap Borbora** ( Chief minster ) replied :

373. (a)— 2 ( two ) Police Stations namely, Bilasipara and Gossaigaon have been exercising jurisdiction over the Sapatgram town of Goalpara District.

(b)—Gossaigaon Police Station and Sapatgram Outpost were established in 1926 and 1951 respectively. Bilasipara Police Station was established in the year 1900.

## *Re :* Assistant Research Officers

**Shri M. Shamsul Huda** asked :

*374. Will the Minister, Veterinary be pleased to state—

(a) How many posts of Assistant Research Officers are lying vacant ?

(b) Why these vacancies have not been filled up ?

(c) Whether the Department has been surrendering funds allocated for these vacancies for the last three years ?

(d) If so, why ?

(e) Whether the Government will arrange to fill up these vacancies immediately ?

(f) If not, why ?

**Shri Samar Brahma Choudhury** ( Minister, Veterinary ) replied :

374. (a)—6 (six) posts of Assistant Research Officers are lying vacant.

(b)—While selection of the departmental officers for filling up those posts was in process Government imposed a restriction on filling up posts lying vacant for above six

months on grounds of economy.

(c)—No.

(d)—Does not arise.

(e)—Yes.

(f)—Does not arise.

## Re : Nitya Gopal High School, Sonai

**Shri Altaf Hussain Mazumder** asked :

*375. Will the Minister, Education be pleased to state

(a) Whether Government is aware that Nitya Gopal High School, Sonai is one of the oldest and best institutions of Cachar Distict ?

(b) Whether it is a fact that this school was selected as Matriculation Examination Centre due to its central location, good building and other conveniences ?

**Shri Lakhyadhar Choudhury** Minister, Education, replied ;

375. (a)—Yes

(b)—Yes

## বিঃ শুক্লা জলসিঞ্চন আঁচনি

শ্ৰীদৈৱ শক্তি ডেকাই সুধিছে ঃ

*৩৭৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শুক্লা জলসিঞ্চন আঁচনি কেতিয়া আৰম্ভ কৰা হৈছিল ?

(খ) এইখন কিমান টকাৰ আঁচনি ?

(গ) এই আঁচনি সম্পূৰ্ণ হলে কিমান হাজাৰ বৰ্গমাইল খেতি পথাৰত পানী যোগান হব ?

(ঘ) এই আঁচনিৰ কাম কেতিয়া সম্পূৰ্ণ হব ?

শ্ৰীএ, এফ, গোলাম ওচমানি ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

*৩৭৬। (ক) এই আঁচনিৰ কাম ১৯৬৫ চনত আৰম্ভ কৰা হৈছিল আৰু মুখ্য বান্ধৰ কাম ১৯৭০ চনৰ পৰাহে আৰম্ভ কৰা হয়।

(খ)—এইখন ৪৯০ লাখ টকাৰ আঁচনি।

(গ) এই আঁচনি সম্পূৰ্ণ হলে ৬৬·৩ বৰ্গমাইল (৪২,৪০০ একৰ) পানী যোগান হব।

(ঘ)— এই আঁচনিৰ কাম ১৯৭৭ চনৰ ডিচেম্বৰ মাহত শেষ হয় আৰু ১৯৭৮ চনৰ ১১ জুনত আনুষ্ঠানিক ভাবে মুকলি কৰা হয়।

## *Re* : Mohkuma Parishads and Gaon Panchayats

**Shri Kali Ram Deka Raja** asked ;

*377, Will the Minister, Panchayat be pleased to state—

(a) When the terms of the Mohkuma Parishads and Gaon Panchayats will expire ?

(b) Whether elections to the Mohkuma Parishads and Gaon Panchayats will be held in due time ?

(c) If so, when ?

(d) If not, why not ?

**Shri Zahirul Islam** ( Minister, Panchayat ) replied :

**377. (a)—The terms of all the Mohkuma Parishads and Gaon Panchayats excepting five Gaon Panchayats expired in May, 1978.**

(b)—These could not be held in due time.

(c)—Does not arise.

(d)—Because (i) the delimitation processes of Gaon Panchayats to include the Tea Garden areas could not be completed before the expiry of the normal term; and (ii) there were numerous representations from the public requesting Government not to hold the Panchayat election during this time of the year which is the flood season.

## *Re* : L. P. Schools run by Tea Gardens

**Shri Golok Rajbanshi** asked :

*378. Will the Minister, Education be pleased to state—

(a) How many L. P. Schools run by the private management of tea gardens have been taken over by Government uptill now ?

(b) Whether Government propose to take all the Primary Schools run by Tea Gardens in Northern Assam during this plan period ?

**Shri Lakhyadhar Chowdhury** (Minister, Educatin) replied :

378. (a)—300 Nos.

(b)—There is no such proposal in hand now.

## *Re* : Development Blocks without P.H.C.

**Shri Abdul Muqtadir Choudhury** asked :

*379. Will the Minister, Health be pleased to state—

(a) How many development block in the State are without any Public Health Centre and how many blocks are having more than one Public Health Centre ?

(b) Whether it is a fact that requisite lands have been donated for the public Health Centre at Girishganj under North Karimganj Development Block 3 years back for setting up a Public Health Centre and the same land is under the possession of PWD now ?

**Shri Dulal Chandra Baruah** ( Minister, Parliamentary Affairs) replied :

379. (a)—(i)— There is no block with out PHC in the state (ii) There are 15 ( fifteen ) blocks having more than one Primary Health Centre. They are shown below :

| Name of Block | Name of PHC |
|---|---|
| **Goalpara District** | |
| 1. Matia | 1. Matia<br>2. Mornai |
| 2. Baitamari | 1. Baitamari<br>2. Bangaigaon |
| **Kamrup District** | |
| 3. Kamalpur | 1. North Gauhati<br>2. Kamalpur |
| 4. Chamaria | 1. Santoli<br>2. Nagarbera |
| 5. Hajo | 1. Hajo<br>2. Sualkuchi |

| | |
|---|---|
| 6. Jallah | 1. Jallah<br>2. Galagaon |
| 7. Rangia | 1. Rangia<br>2. Niz-Kawarabaha (Goreswer) |

## Nowgong District

| | |
|---|---|
| 8. Kaliabor | 1. Jakhalabandha<br>2. Simonabasti |

### Darrang District

| | |
|---|---|
| 9. Sipajhar | 1. Sipajhar<br>2. Pathorighat |

### Sibsagar District

| | |
|---|---|
| 10. Jorhat East | 1. Nakachori<br>2. Bhagamukh |
| 11. Amguri | 1. Gourisagar<br>2. Kalugaon<br>3. Morabazar |

### Cachar District

| | |
|---|---|
| 12. Katigorah | 1. Bikrampur<br>2. Jallalpur |
| 13. Hailakandi | 1. Algapur<br>2. Kalinagar |

### N.C. Hills District

| | |
|---|---|
| 14. Deyang Valley | 1. Langting<br>2. Gunjung |

Karbi Anglong District

15. Rongkhong
1. Dankamukam
2. Baithalungsu

(b)—Yes.

## বিঃ এজনীয়া শিক্ষকৰ দ্বাৰা পৰিচালিত প্ৰাইমাৰী স্কুল

শ্ৰীখগেন বৰবৰুৱাই সুধিছে ঃ

*৩৮০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত এজনীয়া শিক্ষকৰ দ্বাৰা পৰিচালিত প্ৰাইমাৰী স্কুলৰ সংখ্যা কিমান ?

(খ) এজনীয়া শিক্ষকৰ দ্বাৰা পৰিচালিত প্ৰাইমাৰী স্কুলৰ সংখ্যা শিৱসাগৰত কিমান ?

(গ) এনে স্কুলৰ সংখ্যা ঠিকনা আৰু (মহকুমা ভিত্তিত) সহ তালিকা এখন সদনৰ মেজত দাঙি ধৰিবনে ?

(ঘ) এজনীয়া শিক্ষক বা শিক্ষয়ত্ৰী স্কুলত ৰখা নীতি চৰকাৰে গ্ৰহণ কৰিছে নে'ক ?

(ঙ) যদি কৰিছে কিয় কৰিছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩৮০। (ক)—ইং ১৯৭৭-৭৮ চনলৈকে এজনীয়া শিক্ষকৰ দ্বাৰা পৰিচালিত প্ৰাথমিক স্কুলৰ সংখ্যা ভৈয়াম অঞ্চলত ৪০৩৭ খন।

(খ)—শিৱসাগৰ জিলাৰ শিক্ষা মহকুমা সমূহৰ এজনীয়া শিক্ষকৰ

দ্বাৰা পৰিচালিত প্ৰাথমিক স্কুলৰ সংখ্যা তলত উল্লেখ কৰা হ'ল।

| | | |
|---|---|---|
| ১। | শিৱসাগৰ শিক্ষা মহকুমা | ২২৫ |
| ২। | গোলাঘাট শিক্ষা মহকুমা | ১২৫ |
| ৩। | যোৰহাট শিক্ষা মহকুমা | ১৪২ |
| ৪। | মাজুলী শিক্ষা মহকুমা | ৬৩ |
| | মুঠ— | ৫৫৫ খন |

(গ)—স্কুল সমূহৰ ঠিকনাসহ সম্পূৰ্ণ তালিকা বিভিন্ন শিক্ষা মহকুমাৰ পৰা সংগ্ৰহ কৰি থকা হৈছে। সম্পূৰ্ণ তালিকা পালে সদনত দাখিল কৰা হব।

(ঘ)—এখন স্কুলত অকল এজন শিক্ষক বা শিক্ষয়ত্ৰীয়েই যে থাকিব লাগে তেনে কোনো নীতি চৰকাৰে গ্ৰহণ কৰা নাই। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতেহে শিক্ষক নিযুক্তিৰ নীতি পাৰ্য্যমানে পালন কৰাৰ চেষ্টা কৰা হৈছে।

(ঙ)— প্ৰশ্ন নুঠে।

### *Re* : Construction of Sibsagar Court Building

**Shri Promode Gogoi** asked :

*381. Will the Minister, P.W.D. be pleased to state—

**(a)** Whether it is a fact that the former Minister had assured the House that the construction of the Sibsagar Court Building will be completed within middle of 1978 ?

**(b)** If so, what steps have been taken by the Government to complete it within the stipulated time ?

**Shri Dulal Chandra Baruah** ( Minister, P. W. D. ) replied :

381. (a)—The former Minister had informed the house that the work was expected to be completed by 1978.

(b)—The remaining works were taken up with a time schedule of completion within 1978. But due to certain unavoidable difficulties, the programme had to be modified for completion within 1979.

---

## SHORT NOTICE

## QUESTIONS AND ANSWERS

Date : 27th June, 1978

---

**Re : Stopping payment of all cheques issued by Principal**

**Shri Golok Rajbanshi asked :**

12. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that S.D.O. (Civil) ; Sibsagar has issued orders to Banks stopping payments of all cheques issued by the Principal including cheques for O.B.C. and Scheduled Castes Scholarship ?

(b) If so, under what authority the S.D.O. has issued the order causing hardships to the O.B.C. and Scheduled Castes students ?

**Shri Lakhyadhar Choudhury** ( Minister, Education ) replied :

12. (a)—No.

(b)—Does not arise

## UNSTARRED

## QUESTIONS AND ANSWERS

( To which replies were laid on the table )

Date ; 27th June, 1978

---

### বি : বৰ্ড ফ'ৰ হোমিওপেথিক চিচ্‌তেম অৱ মেডিচিন

শ্ৰীৰমেশ দাসে সুধিছে :

৪০। মাননীয় সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বৰ্ড ফ'ৰ হোমিওপেথিক চিচ্‌তেম অৱ মেডিচিন (Board for Homeopathic System of Medicine) গঠিত হৈছেনে ?

(খ) যদি হৈছে, কোন চনত হৈছে ?

(গ) উক্ত বৰ্ডে এতিয়ালৈকে কি কি কাম কৰিছে ?

(ঘ) যদি উক্ত বৰ্ডে এতিয়ালৈকে কৰ্ম্মক্ষম হোৱা নাই, তেন্তে চৰকাৰে এখন কৰ্ম্মক্ষম বৰ্ড গঠন কৰি দিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪০। (ক)—হৈছে।

(খ)—১৯৭৮ চনৰ এক জুন তাৰিখে গঠন কৰা হৈছে।

(গ)—অহা ২৩ জুন তাৰিখে বৰ্ডৰ প্ৰথম বৈঠক আহ্বান কৰা হৈছে। গতিকে এই প্ৰশ্ন নুঠে।

(ঘ)—প্ৰশ্ন নুঠে।

***Re* : Bidyapur-Sundari Road, Kashidoba-Kakoijana Road, Athugaon-Bidyapur Road and North Kajalgaon Mulagaon Road**

**Shri Mathura Mohan Sinha** asked :

41. Will the Minister, P. W.D. be pleased to state—

(a) Whether the following roads under Kokrajhar Division are fit for vehicular traffics ?

(i) Bidyapur-Sundari Road ?

(ii) Kashidoba-Kakoijana Road ?

(iii) Athugaon-Bidyapur Road ?

(iv) North Kajalgaon-Mulagaon Road ?

(b) If not, whether the roads will be improved for vehicular traffic for access to the backward areas covered by this road ?

**Shri Dulal Chandra Baruah** ( Minister, P.W.D. ) replied ;

41. (a)—Bidyapur-Sundari and Athugaon-Bidyapur Roads are presently not fit for vehicular traffic due to weak bridges.

1st 6 Kms. of Kashidoba-Kakoijana Road is fit for vehicular traffic ; but the remaining 1.44 Km. of this road is not fit for vehicular traffic due to weak bridges. North Kajalgaon-Mulagaon Road is presently fit for vehicular traffic

(b)—Repairs of the bridges to make the roads fit for vehicular traffic will be taken up subject to availability of funds.

## বি ঃ অসম বোলছবি বিত্তীয় নিগমৰ আৰ্থিক সাহায্য

শ্ৰীছামছুল হুদাই সুধিছে ঃ

৪২। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ বোলছবি বিত্তীয় নিগমৰ পৰা কোন কোন প্ৰযোজকে আৰ্থিক সাহায্য ( দান-ঋণ ) পালে ?

(খ) তেখেত সকলে এই সাহায্যত নিৰ্ম্মাণ কৰা বোলছবিৰ নাম কি কি ?

(গ) এই ছবিকেইখনেই অসমৰ জ্যোতি চিত্ৰবন ষ্টুডিঅত নিৰ্ম্মাণ নকৰি কলিকতাৰ বিভিন্ন ষ্টুডিঅ'ত নিৰ্ম্মাণ কৰিছে, এই কথা সচাঁনে ?

(ঘ) যদ সচাঁ হয়, তাৰ কাৰণ কি ?

(ঙ) এই কাৰণ সমূহ দুৰ কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা লবনে ?

(চ) যদি লয়, তেন্তে কেতিয়ামানে লব ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

৪২। (ক) ১। শ্ৰীমতী হেমপ্ৰভা বৰুৱা

২। শ্ৰীসমৰেন্দ্ৰ নাৰায়ন দেৱ

৩। জ্যোতি চিত্ৰ সমবায় সমিতি

৪। ডঃ ভবেন শইকীয়া

(খ)—১। গংগা চিলনীৰ পাখী

২। পুতলা ঘৰ

৩। ধৰ্ম্মকাই

৪। সন্ধ্যাৰাগ

(গ) আৰু (ঘ)– সচাঁ নহয়। পুতলা ঘৰ আৰু সন্ধ্যাৰাগৰ সকলো কাম জ্যোতি চিত্ৰবনতে হৈছে। অৱশ্যে জ্যোতি চিত্ৰবনত ৰি-ৰেকৰ্ডিঙ ব্যৱস্থা নথকাতে ছবি তুখনৰ ৰি-ৰেকৰ্ডিঙ কলিকতাত কৰে আৰু লগতে ফাইনেল প্ৰিটিংও কলিকতাত কৰাই আনে। গংগা চিলনীৰ পাখি এই ষ্টুডিঅ'ত নিৰ্ম্মাণ হোৱা নাছিল। এই ছবিখন ষ্টুডিঅ' নিৰ্ম্মাণ হোৱাৰ আগতেই সম্পূৰ্ণ কৰা ছবি। ধৰ্ম্মকাই কথাছবিখনো এই ষ্টুডিঅ'ত কৰা হোৱা নাছিল।

সকলো অসুবিধা দূৰ কৰি এই ষ্টুডিঅ'টো এটা পূৰ্ণাংগ অনুষ্ঠান হিচাবে গঢ়ি তুলিবলৈ ইতিমধ্যে বিহীত ব্যৱস্থা লোৱা হৈছে।

(ঙ)—ৰি-ৰেকডিঙৰ যন্ত্ৰপাতিৰ অৰ্ডাৰ দিয়া হৈছে আৰু প্ৰিটিং মেচিনটো মেৰামতিৰ বাবে বম্বেলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে।

(চ)—প্ৰশ্ন নুঠে।

## বি: জ্যোতি চিত্ৰবন ষ্টুডিঅ'

শ্ৰীছামছুল হুদাই সুধিছে :

৩৪। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি

জনাবনে—

(ক) জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ত ছবি নিৰ্ম্মাণ কৰিবলৈ নিয়োজিত কলাকুশলীৰ কাৰিকৰী দক্ষতাৰ অভাবৰ হেতুকে কেবাজনো প্ৰযোজক আৰু এটি সমবায় প্ৰতিষ্ঠান বহুল ভাবে ক্ষতিগ্ৰস্ত হোৱাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, তদন্ত ক্ৰম ক্ষতিগ্ৰস্ত প্ৰযোজক সকলক চৰকাৰে ক্ষতিপূৰণ দিয়াৰ কিবা ব্যৱস্থা কৰিছেনেকি ?

(গ) এই ক্ষতিৰ আনুমানিক পৰিমাণ কিমান ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪৩। (ক)—এতিয়ালৈকে তিনিখন অসমীয়া কথাছবিৰ প্ৰযোজকে তেনে ধৰণে আপত্তি কৰা বুলি চৰকাৰে জানে।

(খ)—যিহেতু এই আপত্তি সমূহ ফিল্ম ষ্টুডিঅ'ৰ বিৰুদ্ধে তোলা হৈছে আৰু আৰু জ্যোতি চিত্ৰবন এটা পঞ্জীভূক্ত (Registered) অনুষ্ঠান এই ক্ষতিপূৰণ চৰকাৰে দিয়াৰ প্ৰশ্ন নুঠে।

(গ)—'পাপ আৰু প্ৰায়শ্চি'ত্তৰ প্ৰযোজকে এক লাখ টকা ক্ষতিপূৰণ দাবী কৰি উকীল নটিশ দিছে। আনহাতে 'নিয়তি'ৰ প্ৰযোজকেও সাটচল্লিচ হাজাৰ টকাৰ ক্ষতিপূৰণ বিচাৰিছে।

## বি ঃ অসমীয়া কথা ছবিৰ প্ৰযোজক

শ্ৰী মঃ ছামছুল হুদাই সুধিছে ঃ

৪৪। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত হিন্দী কথা ছবিৰ পৰিবেশক সকলৰ ব্যৱসায়ী কৌশলৰ ফলত অসমৰ প্ৰযোজক সকলে তেওঁলোকৰ ছবি সমূহ সময়তে আৰু এবছৰৰ ভিতৰতো প্ৰদৰ্শনৰ সুবিধা নাপাই পৰি-

ণত্তি হিচাবে, এখন কথাছবি নিৰ্ম্মাণ কৰিয়েই ছলচিত্ৰ জগতৰ পৰা বিদায় লব লাগে, এই কথা সচাঁনে ?

(খ) যদি সচাঁ হয়, তেন্তে এই ক্ষেত্ৰত চৰকাৰৰ প্ৰতিক্ৰিয়া কেনে ধৰণৰ ?

(গ) অসমীয়া কথা ছবি শিল্পৰ স্বাৰ্থত প্ৰযোজক সকলৰ কাৰণে চৰকাৰে কিবা ৰক্ষণাবেক্ষণৰ নীতি বা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(ঘ) ১। যদি কৰে, কেতিয়া কৰিব ?

২। যদি নকৰে, তাৰ কাৰণ কি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪৪। (ক)—এনেকুৱা সংবাদ চৰকাৰে পোৱা নাই ।

(খ)—প্ৰশ্ন নুঠে ।

(গ)—যিখিনি সম্ভৱ হয় কৰিব ।

(ঘ)—(১) বিষয়টো অনুসন্ধান কৰাৰ পিচতহে কেতিয়া কৰিব পৰা যাব, কব পৰা হব ।

(২) প্ৰশ্ন নুঠে ।

## Re : Repairing of Bridge over Santijan

**Shri M. Shamsul Huda Asked :**

45. Will the Minister, P. W. D. be pleased to state—

(a) Whether it is a fact that the bridge over Santijan on the Nowgong Dhing Bhuragaon is under repair at present ?

(b) If so, whether it is annual repair or special repair ?

(c) The total estimate of the present repair work ?

(d) Whether this bridge was repaired year ago ?

(e) If so, why this present repair is required ?

**Shri Dulal Chandra Baruah** (Minister, P. W. D.) replied :

45. (a)—Repair work has been completed and the bridge opened to traffic on 20th June, 1978.

(b)—Special repair.

(c)—Estimated amount of this special repair work is Rs. 90,400.

(d)—With a view to maintain traffic, nominal repair to the superstructure was done last year under Annual Repair.

(e)—The present special repair work is undertaken for thorough repair of the bridge including repairs to the substructures to make it fit for heavy vehicular traffic.

———

মঃ ছামচুল হুদা :—মই আপোনাৰ অনুমতি সাপেক্ষে এটা কথা উত্থাপন কৰিব বিচাৰিছো যে—আজি কেইদিনমান ধৰি একেৰাহে বানপানী হৈ আছে।

মাননীয় উপাধ্যক্ষ :— সেইটো কথা পাছত আহিব।

(হাঁহাকাৰ হাঁহাকাৰ হাঁহাকাৰ)

শ্ৰীগোলোক ৰাজবংশী :— উপাধ্যক্ষ মহোদয়, চাপৰ মানুহৰ ক্ষেত্ৰত বিশেষ ধৰণৰ দৃষ্টি ৰাখিব।

মাননীয় উপাধ্যক্ষ :— চৰ্ট নটিচ প্ৰশ্নোত্তৰৰ সময় শেষ—এতিয়া যিটো আৰজেণ্ট মেটাৰ আছে—সেইটো শ্ৰীবৰবৰুৱাই কব।

* শ্ৰীখগেন বৰবৰুৱা :— মাননীয় উপাধ্যক্ষ মহোদয়, গান্ধীজীয়ে এটা কথা কৈছিল — মানুহৰ অন্তৰ পৰিবৰ্ত্তন কৰিবলৈ হলে অস্ত্ৰ ব্যৱহাৰ কৰিব নালাগে—সেইটোৱেই হল অনশন অনৰূপ। এই অনশন তেতিয়াৰ পৰাই ঘটি আহিছে—কিন্তু সেইটো হলেও কোন প্ৰসঙ্গত এইটো কথা কোৱা হৈছিল সেইটো মই জানো। এতিয়া আপুনি মানেনে নাই কব নোৱাৰো—কিন্তু আজি বহুত দিনৰ আগতে ৬০০ শিক্ষকৰ প্ৰাৰ্থীক বাচনি লৈছিল -এই শিক্ষকৰ বাচনি-টোৱেই এতিয়া কাছাৰত আতংক অৱস্থাৰ সৃষ্টি কৰিছে। এতিয়াও তেখেত সকলৰ নিযুক্তি হোৱা নাই। ১৬১ টা পদ খালী আছে—সেইবিলাক পোষ্টত নিয়োগ কৰিলে কিছু কাম হব। ইতিমধ্যে যেতিয়া আমাৰ মুখ্যমন্ত্ৰী শিলচৰলৈ যায় তেতিয়া তেওঁলোকে মুখ্যমন্ত্ৰীক লগ ধৰি এই বিষয়ে এখন স্মাৰকপত্ৰ দিয়ে আৰু মুখ্যমন্ত্ৰীয়ে তেতিয়া তেওঁলোকৰ সমস্যা সমাধান কৰা হব বুলি আশ্বাস দি আহে ২৮-৪-৭৮ তাৰিখে।

তাৰ পাছত তেওঁলোকে দিশপুৰলৈ আহি আকৌ মুখ্য-মন্ত্ৰীক লগ ধৰি স্মাৰকপত্ৰ দিয়ে ২৭-৫-৭৮ তাৰিখে তেতিয়াও মুখ্যমন্ত্ৰীয়ে তেখেত সকলৰ সমস্যা সমাধান কৰা হব বুলি আশ্বাস দিছিল। ইয়াত চিলেকচন কমিটীৰ কথা আছে যে –

The Selection Committee shall prepare a list of all succssful candidates in order of merit and submit the

* Speech not Corrected.

list to D. P. I. for approval in accordance with the instructions laid down by Govt. from time to time. The list shall be valid for one year unless its validity is extended by the Govt.

এতিয়া তেখেতসকলৰ লিষ্টমতে দিন পাৰ হৈ গৈ আছে। এইটো একৃষ্টেও কৰিব লাগে। ডিমা-গুত এসষ্টেও এপ্ৰভ কৰি ৰখা হৈছে।

মাননীয় উপাধ্যক্ষঃ— আপুনি অনুগ্ৰহ কৰি যিটো মেটাৰ আছে সেইটোহে ৰেইজ কৰক।

* শ্ৰীখগেন বৰবৰুৱাঃ— তাৰ কাৰণে এই চাৰিটা ডিমা-গুৰ প্ৰতিশ্ৰুতি দিয়া স্বত্বেও শিক্ষকৰ প্ৰাৰ্থীসকলৰ সমস্যা সমাধান নকৰিলে। কালি ৰাতি ১২ টা বজাৰ পিচলৈকে তেওঁলোকৰ সংগ্ৰাম সমিতিৰ ১৪ জনমান লোকে বিধান সভাৰ সন্মুখত অনশন কৰি আছে। গতিকে এই বিষয়টো এতিয়া আমাৰ শিক্ষামন্ত্ৰীও আছে আৰু মুখ্য মন্ত্ৰীও আছে। এই বিষয়টো অতি প্ৰয়োজনীয় বিষয় বুলি বিবেচনা কৰি লব লাগে আৰু তেওঁলোকৰ সমস্যাটো অতি-শীঘ্ৰে সমাধান কৰিব লাগে।

* শ্ৰীৰমণী বৰ্ম্মণ (ৰাজ্যিক শিক্ষা মন্ত্ৰী)ঃ— উপাধ্যক্ষ মহোদয়, এই শিক্ষকৰ নিযুক্তিৰ সম্পৰ্কত আজি আমি জনতা চৰকাৰ গঠন হোৱাৰ পিচৰে পৰা বিভিন্ন সজাতি দল একেৰাহে লগ পাই আছো। এই সম্পৰ্কে মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা উল্লেখ কৰিছে—সেইবিলাকৰ সমস্যা সমাধানৰ অৰ্থে আমি সজাতি দল বোৰক লগ কৰি আছে। এই ক্ষেত্ৰত বিশেষকৈ কব পাৰি যে—অনশনৰ তিনিদিনৰ আগতে আমি তেওঁলোকক লগ ধৰিছো আৰু লগ ধৰাৰ তিনি দিনৰ পাছতেই তেওঁলোকে অনশনত ৰহিছে। বিশেষকৈ কাছাৰৰ সজাতি দলটোৰ লগত মাত্ৰ পৰহি আলোচনা কৰিছো—তাত আমাৰ উপদলপতি শ্ৰীবৰুৱা ডাঙৰীয়াও আছিল—তেতিয়া কাছাৰৰ সজাতি দলে আমাক কথা দিছিল—যে তেওঁলোকে অনশন নকৰে আৰু জুলাই মাহৰ শেষ

* Speech not Corrected.

সপ্তাহত লগ ধৰিম। কিন্তু এতিয়া অনশন কৰি আছে বুলি আমি কোনো খবৰ পোৱা নাই।

নগাৱঁতো আজি ৬ দিন ধৰি অনশন চলি আছে আৰু হুংকাৰ কৰি আছে—সেই কথা আপোনালোকৰো দৃষ্টি গোচৰ হৈছে আৰু সেই বিষয়ে আমি ভাল ধৰণে অধ্যয়ন কৰি চাইছো। কিন্তু এই বিষয়ৰ যিখিনি দাবী সেইটো নতুন চৰকাৰে মানি লোৱাৰ কোনো কৰ্তৃত্ব নাই। এই লিষ্ট খন ১৯৭৫ চনতে তৈয়াৰ কৰা হৈছিল আৰু ১৯৭৬ চনত কিছু সংখ্যক লোকক চাকৰি দিয়া হল। এই সন্দৰ্ভত আগৰ চৰকাৰে স্পষ্টভাবে ঘোষণা কৰি গৈছে যে—১৯৭৮ চনৰ মাৰ্চ মাহলৈকেহে এই লিষ্টখনৰ ভেলিডিটি থাকিব। সেই কাৰণে ৩১ মাৰ্চৰ পিচত নতুন চৰকাৰে এই লিষ্টখনৰ দায়িত্ব লব নোৱাৰে। সেইহেতু মই মাননীয় সদস্য সকলক কব বিচাৰিছো যে —এইটো গুৰুতৰ প্ৰশ্ন নহয়— কাৰণ ১৯৭৮ চনৰ ৩১ মাৰ্চলৈকে ১৮ হেজাৰ শিক্ষকৰ লিষ্ট তৈয়াৰ কৰা হৈছিল - ৩১ মাৰ্চৰ পিচত নতুন চৰকাৰে এই সমস্যাবোৰ সমাধান কৰিব নোৱাৰে। সেই কাৰণে মই এই বিষয়ে ব্যক্তিগত ভাবে সকলো মাননীয় সদস্যৰ লগতেই আলোচনা কৰিছো। মাননীয় মুখ্যমন্ত্ৰী শ্ৰীবৰবৰা ডাঙৰীয়াৰ লগতো আলোচনা কৰিছোঁ আৰু মাননীয় সদস্য শ্ৰীনুৰুল হুদা, শ্ৰীছামচুল হুদা আৰু শ্ৰীমতী আনোৱাৰা টাইমুৰৰ লগতো বিশদভাবেই আলোচনা কৰা হৈছে। এই সমস্যা সমাধান কৰিবৰ বাবে আপোনালোকে নিশ্চয় আলোচনা কৰিব পাৰিব - কিন্তু যিটো সমস্যা হৈছে সেইটো আপোনালোক সকলো মাননীয় সদস্যই জানে যে— ১৮ হেজাৰ শিক্ষকৰ লিষ্ট তৈয়াৰ কৰা হৈছিল - এই ১৮ হেজাৰৰ সমস্যা সমাধান কৰিবলৈ ১৮ বছৰ হলেও সমধান কৰিব পৰা নহব। সেই কাৰণে মই মাননীয় সদস্য সকলক স্পষ্টভাবে জনাব বিচাৰিছো যে— আমি জুলাই মাহৰ ভিতৰত বিভিন্ন মহকুমাৰ ভিত্তিত একোটা এলিমেণ্টৰী কমিটি কৰি দিম। এই কমিটিয়ে গোটেই সমস্যাটো কেনে ধৰণে সমাধান কৰে বোৰ্ডৰ লগত

* Speech not Corrected.

যোগাযোগ কৰিব আৰু এই কমিটিত স্থানীয় সকলো এম,এল, এ,ই ইয়াৰ সদস্য হব। এইখিনি কৈ মোৰ বক্তব্য সামৰিলোঁ।

শ্ৰীখগেন বৰবৰুৱা ঃ—অধ্যক্ষ মহোদয়, তেখেত সকলৰ ঘোষণা পত্ৰত আছে যে— ১০ বছৰৰ ভিতৰত গোটেইখিনি নিবনুৱা সমস্যা সমাধান কৰিব পৰা যাব— তেনেস্থলত মাননীয় মন্ত্ৰী ডাঙৰীয়াই ১৮ বছৰেও নহব বুলি কিয় কলে?

( হাঁহাকাৰ———হাঁহাকাৰ — )

শ্ৰীএ, এন, আক্ৰম হুছেইন ঃ— এই দৰ্খাস্তকাৰী সকলে প্ৰত্যেকেই ২ টকাকৈ ট্ৰেজাৰী চালান জমা দিছিল— মন্ত্ৰীসভা নতুন হব পাৰে — কিন্তু চৰকাৰ কেতিয়াও নতুন হব নোৱাৰে। গতিকে চৰকাৰে যিখিনি টকা এই শিক্ষক প্ৰাৰ্থী সকলৰ পৰা ললে সেই ৩৬ হেজাৰ টকা এতিয়া ঘুৰাই দিয়াৰ ব্যৱস্থা কৰিবনে?

( কোনো উত্তৰ নাই )

* Speech not Corrected.

**Shri Jainal Abedin** : Sir, I want to raise a Point of clarification. The Hon'ble State Minister, Education in his statement stated that there are 18,000 candidates Selected in the list prepared by the previous Government. May I know from the Minister whether the present Government proposes to make some fresh list and also I want to know, as the Minister just now stated that in the month of July Sub-Divisional Educational Boards will be constituted, who would be the members of these Boards ?

শ্ৰীৰমণী বৰ্ম্মণ (ৰাজ্যিক শিক্ষা মন্ত্ৰী)ঃ— উপাধ্যক্ষ মহোদয়, শিক্ষকসকলৰ নিযুক্তিৰ ক্ষেত্ৰত আমি এটা প্ৰিন্সিপ'ল কৰিম বুলি ভাবিছো যে বেচিক ট্ৰেইনিং বা নৰ্ম্মাল ট্ৰেইনিং প্ৰাপ্ত হব লাগিব। বোৰ্ডত কাক কাক লোৱা হয় সেই কথাত এইটো ঠিক যে এম-এল-এ সকলক মহকুমা ভিত্তিত মেম্বাৰ কৰি লোৱা হব আৰু ডি-আই থাকিব।

**Shri Ranendra Narayan Basumatari** : Mr. Deputy Speaker Sir, I want to draw the attention of the hon'ble Chief Minister to the case of the peon attached to the Magistrates at Gauhati and all over Assam. Sir, these peons have been serving for 1 to 7 years with the Magistrates ; but suddenly these posts have been abolished and those poor incumbents have been thrown out, their services have been thrown out, their services have been terminated. Secondly, they have not been paid their due salaries since the month of March. Nothing has been done for realisation of their due salaries. I want to know whether the Goverment wants to withdraw these posts of peon attached to the Magistrates I am not concerned with it. I am very much concerned with the lots of the poor incumbents whose services have been terminated. Therefore, Sir, I request the hon'ble Chief Minister through you to provide an alternative arrangement for absorption of these poor incumbents. They can be easily provided with some other jobs. I what to draw the attention of the hon'ble Chief Minster to this serious matter.

শ্রীগোলাপ বৰবৰা (মুখ্য মন্ত্রী) ঃ— এই বিষয়ে নোটিচ পোৱা নাই। কি হৈছে তদন্ত কৰি চাব লাগিব আৰু আৱশ্যকীয় ব্যৱস্থা লব লাগিব।

শ্রীৰণেন্দ্র নাৰায়ণ বসুমতাৰী ঃ দৰ্খাস্ত দিছে আৰু তাৰ কপি এটা মইও পাইছো।

**Shri Giasuddin Ahmed** : Sir, I Want to raise a points of order on the business of the House. I think in the Rules there is nothing as of course Rule 301 is there. Under Rule 301 any important matter can be raised. A list of business is circulated every day. Here we have a list of business, for the day including some notices under Rule 301 But the matters now being raised are not included in the list. I am not questioning the importance of the matter raised by the members. Perhaps I might have also raised such important things. But I want to discuss only rules. Here we have list of business, but we are discussing some other matters which are not included in the list of business. Whether this is according to rule-that should be ascertained.

মাননীয় উপাধ্যক্ষঃ কেতিয়াবা কেতিয়াবা কোনো আৰ্জেণ্ট মেটাৰ যদি হয় আমাৰ বিজিনেচৰ মাজতে দিয়া হয়।

**Md. Umaruddin :** Sir, this is a convention and nothing in the rules. But there should be time limit for discussion even in zero hours. It should be made clear to the members by a ruling that there should be time limit.

**Shri Dulal Chandra Barua.** (Minister) :—I fully agree with the contention expressed by my friend Mr. Ahmed, respected member Umaruddin that this system of discussion on the very important matters to be raised should be there but the matter must be urgent in nature and also it can only be just mentioned. Now whenever a member is allowed to speak on such question he starts explaining in a very broa-d way. Time should be limited. Therefore, the suggestion put forward by the hon'ble friends to be accepted and I also like to suggest that 2 or 3 minutes time limit should be fixed up and if possible only one or two matter may be allowed which are of much importance. But there should be a time limit.

**Shri Noorul Huda :** Sir, Even in Lok Sabha zero hour is permitted and the members speak according to discretion of the Speaker and on the subjects of vital importance, but there is no time limit. Of course they would not consume much time on such discussion. So, Sir, it would be very difficult to fix time limit. It is a convention, members should take 3 or 4 minutes ; but there should not be any time limit on the members' right to raise such matters of vital importance.

মাননীয় উপাধ্যক্ষঃ যিটো অনাৰেবুল মন্ত্ৰী, হুদা চাহাব আৰু ওমৰুদ্দিন চাহাবে পৰামৰ্শ দিছে সেইমতে কনচিডাৰ কৰা হব। শ্ৰীহুদা। মই এটা কথা কব খুজিছো যে কিবা কুৱেশ্যন ৰেইজ কৰিলে কুইকলি কৰিব লাগে। যদি মেটাৰটো ৰেইজ কৰাৰ কাৰণেই দহ মিনিট লয় তেতিয়াহলে অসুবিধা হয়। এতিয়া শ্ৰীহুদা।

**Shri Jainal Abedin :** Sir, at a time there may be more than one

subjects on public importance. Then who will decide the matter to be raised ?

**Mr. Deputy Speaker** : That will be decided by the chair.

মঃ চামচুল হুদা ঃ— উপাধ্যক্ষ মহোদয় প্ৰলয়কাৰী বানপানীয়ে মৈৰাবাৰী আৰু বিশেষকৈ ধিং সমষ্টিৰ বিস্তাৰিত অঞ্চল ক্ষতিগ্ৰস্ত কৰিছে আলিটাঙনী, ধিং আৰু মৈৰাবাৰী এই তিনিওটা মৌজাৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ গোটেই অঞ্চলত হেজাৰ হেজাৰ মানুহ বিচিন্ন হৈছে। মঠাউৰীৰ বাহিৰৰ যিবিলাক চৰ অঞ্চল আছে তেওঁলোকে আশংকা কৰি আছে তেওঁলোকক উদ্ধাৰৰ কোনো উপায় নাই, তেওঁলোকক ব্ৰহ্মপুত্ৰৰ বানপানীয়ে উটুৱাই লৈ যাব, কোনো ডাঙৰ গছ নাই যে তাত উঠি ৰক্ষা পৰিব, কোনো ওখ ঘৰবাৰী নাই। ওখ চৰ নাই আশ্ৰয় লবলৈ। এই চৰকাৰে সময়মতে ভালকৈ মেৰামত নকৰাৰ বাবেই মঠাউৰী ভাঙিছে, চৰকাৰে সময়মতে টেষ্টৰিলিফ স্কিম সময়মতে চেংচন নকৰিলে যাৰ কাৰণে মোৰ গোটেই সমষ্টিটো পানীত ডুব গৈছে, ডুটা পৰিয়াল কি হ'ল তাৰ কোনো অনুসন্ধান কৰিও পোৱা নাই। গৰু ছাগলীৰ ভীষণ অৱস্থা, দুৰ্দশাগ্ৰস্থ মানুহবিলাকৰ খাবলৈ, থাকিবলৈ কোনো ব্যৱস্থা নাই। যোৱা ৰাতি মই খবৰ পাইছো, চৰকাৰৰ ফালৰ পৰা কোনো বিলিফ দিয়া নাই অৱশ্যে মন্ত্ৰী মহোদয়ে তালৈ বিষয়া পঠিয়াইছে, কিন্তু কোনো ৰিলিফ দিয়া নাই। গতিকে আপোনাৰ জৰিয়তে মই বাননিয়ন্ত্ৰণ মন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে বিহীত ব্যৱস্থা অতি সোনকালে লয়। (কেবাজনো সদস্যই কবলৈ উঠে)

মাননীয় উপাধ্যক্ষ ঃ— গোটেই কথা কেইটাৰ ওপৰত উত্তৰ দিব।

শ্ৰীলক্ষ্য নাথ দলে ঃ— উপাধ্যক্ষ মহোদয়, এই অৱস্থা অকল নগাওঁতে নহয়, গোটেই অসমতে একেই অৱস্থা। গতিকে এতিয়ালৈকে কিমান কি হৈছে আৰু কি ৰিলিফ দিয়া হৈছে সেই সম্পৰ্কে মন্ত্ৰী

মহোদয়ক এটা বিবৃতি দিবলৈ অনুৰোধ কৰিলো।

শ্ৰীলক্ষেশ্বৰ গোহাই ( ৰাজহ মন্ত্ৰী ) ঃ— এই গোটেই বিষয়টোৰ ওপৰত মই এটা বিবৃতি দিম।

শ্ৰীগোলক ৰাজবংশী ঃ— এই ভয়াবহ অৱস্থা চাৰিওফালে হৈছে। মই উপাধ্যক্ষক অনুৰোধ কৰিব বিচাৰিছো লাগিলে আমি পাছতেই বহিম সম্প্ৰতি বিধান সভাৰ অধিবেশন স্থগিত ৰাখি আমাক সমষ্টিবোৰত যোৱাৰ সুবিধা দিব লাগে।

শ্ৰীহলাল চন্দ্ৰ বৰুৱা ( সংসদী পৰিক্ৰমা মন্ত্ৰী ) ঃ— এতিয়া আৰু স্থগিত কৰা প্ৰশ্ন নুঠে আমাৰ যি এখন জৰুৰী বিল আছে তাক পাচ কৰি বিধান সভাৰ অধিবেশন শেষ কৰিয়ে দিব পাৰি। আপুনি চাৰ বিজনেচ এডভাইজৰী কমিটিৰ মিটিং মাতক।

মাননীয় উপাধ্যক্ষ ঃ— মতা হব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— উপাধ্যক্ষ মহোদয়, আমাৰো একে কথা। বান পৰিস্থিতিয়ে ভৈয়াবহ ৰূপ লৈছে। গতিকে আমাৰ যে মিউনিচিপেলিটি বিল আৰু তাক পাচ কৰি সোনকালে অধিবেশন সমাপ্তি কৰিব লাগে।

শ্ৰীৰমেশ মোহন কুলি ( বাণ নিয়ন্ত্ৰন মন্ত্ৰী ) ঃ— গোটেই অসমত বানপানীৰ ফলত যিবিলাক ঠাইত মঠাউৰী ক্ষতিগ্ৰস্থ হৈছে সেই সকলোবিলাক সম্পৰ্কে আৰু মাননীয় সদস্য হুদা ডাঙৰীয়াই উতথাপন কৰা বিষয়টোৰ ওপৰত আমাৰ হাতত যিখিনি খবৰ সংগ্ৰহ কৰা হৈছে সেই খিনি বিয়লী বা সদন চলি থকা অৱস্থাতে এটা বিবৃতি দাঙি ধৰিম।

শ্ৰীমুকুট শৰ্ম্মা ঃ— উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অসম মেডিকেল কলেজৰ কেনচাৰ ৰোগী সকলৰ কাৰণে যিটো কবাল্ট থেৰাপী আৰু গুৱাহাটী মেডিকেল কলেজৰ দিপ এক্সৰে মেচিনটো

বহুদিন ধৰি বেয়া হৈ পৰি থকা কাৰণে ৰোগী সকলে বহুত অসুবিধা ভোগ কৰি আছে। যি সকল অৱস্থাপন্ন লোক তেওঁলোকে ভেলোৰ, দিল্লী বা মাদ্ৰাজলৈ যাব পাৰে কিন্তু যি সকল দুখীয়া ৰোগী যাৰ অৱস্থা বেয়া তেওঁলোকে যথেষ্ঠ অসুবিধাৰ সম্মুখীন হৈছে। গতিকে এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ এটা স্পষ্ট জবাব বিচাৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই বিষয়ে অনুসন্ধান কৰি আবেলি সদনক জনাই দিম।

———

## CALLING ATTENTION

শ্ৰীএ এন আক্ৰম হুচেইন :— উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৮ চনৰ ২০ মে তাৰিখৰ অসম ট্ৰিবিউন কাকতত প্ৰকাশিত "Assam Government to run wholesale trade through statefed from June" শীৰ্ষক বাতৰিটোৰ সদনৰ দৃষ্টি আকৰ্ষণ কৰিলো।

এইখিনিতে কথা হ'ল বাখ্যা অলপ দিব লাগিব। চৰকাৰে ঘোষণা কৰিলে যে এই গোটেই ব্যৱসায়টো চৰকাৰৰ হাতত নি ষ্টেটফেডৰ জৰিয়তে কৰিব। তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে চোৰাং ব্যৱসায়ী সকলৰ পৰা বস্তুবিলাক আনি ষ্টেটফেডক দিছে কিন্তু তাতো দেখিছো চোৰাং বেপাৰী সোমাইছে (ভইচ—আপুনি বাখ্যা দিব নোৱাৰে) এই যে মিঠা-তেল গুৱাহাটীত বিক্ৰী কৰিছে, তিনি লাখ জনসংখ্যাৰ মাজত বিতৰণ কৰিছে.........

**Mr. Deputy Spaeker :—** This has been discussed in the House and now I request the hon. member to take his seat.

***শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :—** উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীআক্ৰম হুচেইন ডাঙৰীয়াই যিটো বিষয়বস্তু উতথাপন কৰিছে সদনত এই বস্তুটো নতুন নহয় এই বিষয়টো সদনত বিবৃতি আকাৰেও দিয়া হৈছে কেনেধৰণে এই ষ্টেটফেডে আৱশ্যকীয় বস্তুৰ যোগান আৰু বিতৰণৰ ব্যৱস্থা কৰিবলৈ লৈছে। ইতিমধ্যে বিধান সভাতো আৰু অনাতাৰ ভাষণৰ জৰিয়তেও অসমবাসীৰ ওচৰত এই নীতি ঘোষণা কৰা হৈছে আৰু সকলো সদস্যকে বাখ্যা আকাৰেও জনোৱা হৈছে। গতিকে এই বিষয়ে আৰু কবলৈ হলে সময় লাগিব। কিছুমান কথাইযে জুলুম কৰিব বিচাৰিছে সেইটো ঠিক কিন্তু চৰকাৰে দৃঢ়তাৰে এই পদক্ষেপ লৈছো আৰু মাননীয় সদস্য সকলোকো তাত সহযোগ কৰিবলৈ অনুৰোধ কৰিছো। কথা এটা উঠিছে যে ষ্টেটফেডতো চোৰাং ব্যৱসায়ী সোমাইছে কিন্তু মই দৃঢ়তাৰে কব বিচাৰিছো যে সেইবিলাক আতৰাবলৈ ব্যৱস্থা কৰা হৈছে। লগতে তাক আমি অনাতাৰ ভাষণতো প্ৰকাশ কৰিছো যে এক শ্ৰেণীৰ লোকে তাক ব্যৰ্থ কৰিবলৈ চেষ্টা কৰিলেও তাক কঠোৰ হাতেৰে দমন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যিবিলাক অত্যাবশ্যকীয় বস্তু সেইবিলাকৰ দায়ীত্ব চৰকাৰে লৈছে। খাদ্য দ্ৰব্যৰ কাৰণে যাতে ৰাইজে কষ্ট নাপায় তাৰ কাৰণে ইতিমধ্যে ৫০—৭০ কোটি টকাৰ ব্যৱসায় ষ্টেটফেডে হাতত লৈছে আৰু যি ঠাইত বস্তুটো আচলতে উৎপাদন হয় তাৰ পৰা আনি বিতৰণৰ ব্যৱস্থা কৰা হৈছে আৰু তাৰ কাৰণে ২৩০ টা কেন্দ্ৰ খোলা হৈছে আৰু সমবায় সকলকো তাৰ অন্তৰভুক্ত কৰা হৈছে আৰু যিবিলাক খুচুৰা বিক্ৰী কৰা ব্যৱসায়ী আছে তেওঁলোকৰ যোগেদি বিতৰণৰ ব্যৱস্থা কৰা হৈছে। আমি আশা কৰিছো আমি কৃতকাৰ্য্য হম আৰু যিবিলাক গাৱলীয়া ৰাইজ ইমান দিনে কষ্টভোগ কৰি আহিছে তেওঁলোকো উপকৃত হব।

* Speech not corrected

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—যোগান নীতি সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ে অনাতাঁৰ ভাষণ এটা দিছে। তাত যিবিলাক নীতিৰ কথা উল্লেখ কৰা হৈছে সেই প্ৰায় বিলাক নীতিয়েই এই সদনত আলোচনা কৰা হৈছে। কিন্তু এনেকুৱা কিছুমান নীতিও উক্ত ভাষণত উল্লেখ কৰা হৈছে যিবিলাক এই সদনত আলোচনা হোৱা নাই। বিধান সভা চলি থাকিলে চৰকাৰে যদি কিবা গুৰুত্বপূৰ্ণ ঘোষণা কৰিব খোজে তেতিয়াহলে সেই নীতিখিনি প্ৰথম সদনতে ঘোষণা কৰিব লাগিব। এইটোৱে হ'ল প্ৰচলিত ৰীতি। এতিয়া আমি দেখিছো যে অনাতাঁৰ ভাষণ হৈছে কিন্তু কেইটা-মান কথা আলোচনা হোৱা নাই গতিকে সেইখিনি মন্ত্ৰী মহোদয়ে সদনক আগতে জনোৱা উচিত আছিল।

*শ্ৰীহুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) ঃ—মই এই বিষয়টো লৈ বিশেষ ভাৱে সচেতন আৰু যাৱতীয় কথা বিলাক ইতিমধ্যে অনাতাঁৰ ভাষণত উল্লেখ কৰাৰ উপৰিও মাননীয় সদস্যসকলক সকলো কাগজে পত্ৰই প্ৰকাশ কৰি সন্মান দেখুৱা হৈছিল।

*শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— মহোদয়, যিবিলাক নিত্য প্ৰয়োজনীয় বস্তু আমাৰ ৰাজ্যত বিতৰণৰ ব্যৱস্থা কৰা হৈছে তাৰ বাবে আমি নথৈ আনন্দ পাইছো। কিন্তু মই বাৰে বাৰে এটা কথা কৈছো যে এই ক্ষেত্ৰত যেন মধ্যস্বত্বভোগী লোকসকলে মাজত সোমাই ব্যৱস্থাটো খেলিমেলি কৰিব নোৱাৰে। জাম নগৰত আমাৰ ট্ৰেড এডভাইচৰ থকা সত্ত্বেও এই দ্ৰব্য বিলাক আহৰণ কৰাৰ ভাৰ অসমৰ বাহিৰৰ দুটা ফাৰ্মক কিয় দিয়া হৈছে ?

* শ্ৰীহুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) ঃ—আমাৰ যিটো ষ্টেটফেড আছে তেওঁলোকে তাত দ্ৰব্য বিলাক লোডিং কৰাৰ ব্যৱস্থা কৰিব পৰা নাই। এই লোডিংৰ কাৰণেও কিছুমান ভাল ব্যৱসায়ীলোকৰ দৰকাৰ। আমি ততালিকে ব্যৱস্থা কৰাৰ কাৰণে অৰিজিনৰ পৰা (প্ৰাপ্তি স্থানৰ পৰা) লোডিং পইণ্টলৈ সৰবৰাহৰ যিখিনি ব্যৱস্থা কৰিব লাগে তাৰ কাৰণে আমাৰ যিবিলাক বনুৱা নিয়োগ হব লাগে

* Speech not corrected

তেনে বনুৱা বৰ্ত্তমান আমাৰ নাই। সেই কাৰণে গুজৰাটৰ দুটা ফাৰ্মক অকল লোডিংৰ দায়িত্বহে দিয়া হৈছে। এই ফাৰ্ম দুটা সেই ঠাইৰে স্থানীয় ফাৰ্ম।

* শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ—এই ভাৰটো যে গুজৰাটৰ জাম নগৰৰ ফাৰ্ম দুটাক দিয়া হ'ল তেনে উপযুক্ত মানুহ বা ব্যৱসায়ী অসমত নাই নেকি ?

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী)ঃ— বিচাৰিলে ওলাব পাৰে কিন্তু মাননীয় সদস্যই কোৱাৰ দৰে ব্যৱসায়ীৰ ক্ষেত্ৰত আমি যিটো চিন্তা কৰো সেই সকল কি ধৰণৰ আপুনি নজনা নহয়। অন্যান্য ভাৱে তেনে ব্যৱস্থা কৰাৰ কাৰণে মানুহ আমাৰ নাই। মাননীয় সদস্য-সকলে যদি কয় যে তেনেকুৱা মানুহ আমাৰ আছে আৰু তেখেত সকলে যদি ভাল মানুহ বুলি চাৰ্টিফিকেট দিব পাৰে তেন্তে আমি তেনে ব্যৱস্থা লম। উনত্ৰিশখন ফাৰ্মৰ তেনে বহুতো মানুহৰ নাম ৰেজিষ্টাৰ হৈ আছে। আপুনি জানে যে আমাৰ মানুহৰ পইচা নাই। আমাৰ মানুহ পালে আমি নিদিওঁ বুলি কোৱা নাই। কিন্তু আপোনালোকে ভাল বুলি চাৰ্টিফিকেট দিলে আমি তেনে মানুহ লম। কিন্তু তাৰ দায়িত্ব আমি লব নোৱাৰো।

*শ্ৰীনৰেন্দ্ৰ নাথ দত্ত ঃ—মহোদয়, এই যোগান ব্যৱস্থাটোৰ কাৰণে আমি যোগান মন্ত্ৰীক ধন্যবাদ দিছো। এইটো এটা ভাল ব্যৱস্থা। কিন্তু যিবিলাক মচুৰ ডাইল তিনি টকাত যোগান ধৰিছে সেইবিলাক মচুৰ ডাইল বৰ বেয়া। বাহিৰৰ মচুৰৰ ডাইলৰ দাম বজাৰত চাৰে চাৰি টকা। তিনি টকাৰ মচুৰৰ ডাইল সিজাওঁতে অতিৰিক্ত যিখিনি খৰিৰ খৰচ হয় আচলতে তাত চাৰে চাৰি টকাতকৈ বেছি পৰে। গতিকে বস্তু বিলাকৰ যোগান ধৰোতে কিছু ভাল বস্তু দিয়াৰ ব্যৱস্থা কৰিবনে ?

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী)ঃ— এই ব্যৱস্থাটো বৰ তত্তাতৈয়াকৈ কৰা হ'ল আৰু পিচত যেতিয়া জনা হ'ল তেতিয়া সেই ডাইল বিলাক

* Speech not corrected

সলাই ভাল ডাইল দিয়াৰ ব্যৱস্থা কৰিছো আৰু যি সকলে এই বেয়া ডাইল দিয়াৰ কাৰণে দায়ী সেই সকলৰ শাস্তি-মূলক ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। যিখিনি সংস্কাৰ মূলক ব্যৱস্থা লোৱা হ'ল তাৰ ফলত মই আশা ৰাখিছো যে চাউল ডাইলকে আদি কৰি সকলো বস্তু ভাল বস্তুৰেই পাব আৰু যদি কোনোবা বিষয়াই তাৰ অন্যথা কৰে সেই সকলৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

শ্ৰীগোলোক ৰাজবংশী ঃ মহোদয়, যিখিনি ব্যৱস্থা লব লাগে কৰ্তৃপক্ষই সেই বিষয়ে এটা সু-ব্যৱস্থা লব বুলি আমি আশা কৰো। অৱশ্যে ইয়াৰ লগতে মই এটা কথা উন্নুকিয়াই থওঁ যে কোনোবা মানুহে যেই সেই এটা বস্তু ল'ব নোৱাৰে আৰু এটা বস্তু লবলৈ গলে বাকী গোটেইখিনি বস্তু এটা পেকেজ দিল হিচাবে সেই মানুহজনক নিবলৈ বাধ্য কৰা হয়।

Letter No. SDA. 39/78/30 and W. T. messege No. SDA. 3978/31 of 30. 5. 78 Mustard Oil and Masur-Dal will be sold at package deal.

গতিকে মচুৰ ডাইল আৰু মিঠাতেল পেকেজ দিল বুলি গ্ৰাহক জনক দিয়ে।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা(যোগান মন্ত্ৰী)ঃ— এইটোতো আপোনালোকৰে প্ৰগ্ৰাম আছিল।

শ্ৰীগোলোক ৰাজবংশীঃ— এইটো এটা এনেকুৱা ব্যৱস্থা হৈছে যে ঢেকিয়াজুলি ষ্টেটফেডৰ পৰা যেতিয়া মাননীয় সদস্যজনে কিবা এটা বস্তু কিনিছিল তেতিয়া তেখেতকো পেকেজ-দিল হিচাবে গোটেইখিনি বস্তু নিবলৈ বাধ্য কৰাইছিল।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) ঃ—পেকেজ দিলটো আমাৰ আমোলৰ আগৰ ব্যৱস্থাই। অৱশ্যে এতিয়াও পেকেজ হিচাবে [illegible] ব্যৱস্থাটো নেহোৱা নহয়। ।মঠ [illegible]

* Speech not corrected

যোগান বা বিতৰণৰ কাৰণে ৰখা হৈছে। তেখেতে যদি আগৰ তেল কিনা পইচাখিনি ঘুৰাই দিয়ে তেনেহলে তাৰো ব্যৱস্থা কৰা হব। অৱশ্যে কাকো কিনিবলৈ এটা বাধ্য বাধকতাৰ ভিতৰত ৰখা হোৱা নাই। চিজলা তেল বেয়া নহয়। ভবিষ্যতে অনাটন হলে তাক পুৰাবলৈহে চিজলা তেলৰ ব্যৱস্থাটো কৰি ৰখা হৈছে। তাৰ সলনি আমি মিঠাতেল দিয়াৰ ব্যৱস্থা কৰাৰ চেষ্টা কৰিছো। যদি আমি খাতি মিঠাতেলৰ যোগান সহজ ভাবে ধৰিব পাৰো তেন্তে ছিজলা তেলটো আমি নিদিবও পাৰো। এই তেলটো আগৰ চৰকাৰেও ৰাখিছিল আৰু আমিও ৰাখিছো ক'ৰবাত নাটনি হলে দি মিট কৰিবৰ কাৰণে। প্ৰকৃততে এই তেলটো বেয়া নহয়, বিশেষজ্ঞৰ হতুৱাই পৰীক্ষা-নিৰীক্ষা কৰি স্বাস্থ্যৰ কোনো অপকাৰ নকৰে বুলি কোৱাত হে দিয়া হৈছে। আমি যদি ষ্ট'ক পাও আৰু খাতি তেল পাওঁ তেন্তে এইটো বন্ধ কৰিব পাৰো। ছিজলাৰ দাম হল ৮.৫০ টকা। যদি ভাল মিঠাতেলৰ সৰবৰাহ বেছি হয় তেন্তে এইটো দিয়াৰ প্ৰশ্ন নুঠে।

শ্ৰীদেৱান জয়নাল আবেদিন ঃ— এতিয়ালৈকে আমি যিখিনি গম পাওঁ ২৩০ টা কেন্দ্ৰৰ জৰিয়তে গোটেই অসমত কিছুমান আৱশ্যকীয় সা-সামগ্ৰী যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। মোৰ বোধেৰে এইকেইটা কেন্দ্ৰই চাহিদা পূৰাবৰ কাৰণে অপৰ্য্যাপ্ত নহয়। মই জানিব খোজোঁ যে এনে ধৰণৰ কেন্দ্ৰৰ দ্বাৰাই গোটেই অসমৰ ভিতৰুৱা ঠাইবিলাকত চাহিদা পূৰাবৰ বাবে চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি? লগতে আৰু এটা কথা জানিব খোজোঁ যে যদি এই ধৰণৰ কেৱল পাইকাৰী ব্যৱস্থাকে ৰখা হয় তেন্তে সাধাৰণ গ্ৰাহক সকল উপকৃত নহব আৰু এচাম মধ্যবৃত্তই ইয়াৰ মাজতে হস্তক্ষেপ কৰি কিছুমান সুযোগ লৈ [illegible] দুখীয়া মানুহক জুলুম দিব। সেই কাৰণে মই জানিব হ'ল আৰু পিচত [illegible]গীতে খুচুৰা ব্যৱসায়ো ষ্টেটফেডক দিবনেকি?

* Spe[illegible]

শ্ৰীঈশান চন্দ্ৰ বৰুৱা (মন্ত্ৰী)ঃ—উপাধ্যক্ষ মহোদয়, এই ২৩০ খনৰে আমি আৰম্ভণীহে

কৰিছো মাত্ৰ। ই গোটেই অসমক কভাৰ কৰিব নোৱাৰে। সেই কাৰণে তেনে ধৰণৰ আৰু আউটলেট প্ৰতিষ্ঠা কৰাৰ কথা আমি চিন্তা কৰিছো। এই বিতৰণ ব্যৱস্থাটো আমি ভালকৈ কৰি ল'ব পাৰিলে মাননীয় সদস্যজনে যিটো ভয় কৰিছে সেই ভয় কৰিব লগা নহব। গাৱলীয়া ৰাইজৰ উপকাৰ কৰাৰ উদ্দেশ্যলৈহে এইটো কৰা হৈছে। গতিকে মাননীয় সদস্যজনে সন্দেহ কৰাৰ থল নাই। খুচুৰা বিক্ৰীৰ সম্পৰ্কত কওঁ যে দৰকাৰ হলে যতে আৱশ্যক বুলি বোধ হয় আমি বহুৱাম।

*শ্ৰীএ, এন, আক্ৰম হুচেইন ঃ— উপাধ্যক্ষ মহোদয়, এই ষ্টেটফেড ব্যৱসায়টো গ্ৰহণ কৰাৰ বাবে মই খাদ্য মন্ত্ৰী বৰুৱা ডাঙৰীয়াক ধন্যবাদ দিছো 'যেনে কথা তেনে কাম' তেখেতে কৰিছে। সেই কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। কিন্তু কথা হ'ল তেখেতৰ এই সুনামত যেন কোনোবাই ম্লান কৰিব খুজিছে। মানুহে কয় দুলাল বৰুৱাই এনে গোন্ধোৱা তেল দিব নালাগিছিল। গতিকে মই এই চিজলা তেলটোৰ বিক্ৰী বন্ধ কৰি দিবলৈ কওঁ আৰু কেনেকৈ কিনা হৈছিল তাৰ অনুসন্ধান কৰিবলৈ কওঁ।

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে মিঠাতেলৰ অভাৱ হোৱা হেতুকেহে আমি এই চিজলা তেলটো দিয়াৰ ব্যৱস্থা কৰিছোহক। যদি মাননীয় সদস্য সকলে ভাবে যে খাতি মিঠাতেলৰ চাহিদা কম হলেও ৰাইজে বা সদস্য সকলে আপত্তি নকৰে তেন্তে চিজলা তেলটো বন্ধ কৰি দিয়াত আমাৰ আপত্তি নাই। এই সম্বন্ধে যি অনুসন্ধানৰ কথা কৈছে আমি অনুসন্ধান কৰি আছোঁ আৰু জনায়ো আছো আৰু আগলৈয়ো জনাই থাকিম।

* Speech not correeted

**Shri Khagen Barbaruah** :— Sir, I want to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to
" ৰঙিয়া মটৰ শ্ৰমিকৰ ধৰ্ম্মঘট "

*শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) :— যোৱা ২৬।৫।৭৮ তাৰিখে তুলসীবাৰী নিবাসী শ্ৰীহামিৰ আলী নামৰ ঠেলাৱালা এজনে ৰঙিয়া থানাত লিখিত-ভাৱে জনায় যে গত ২৫।৫।৭৮ তাৰিখে দুপৰীয়া তেওঁৰ লগৰীয়া শ্ৰীহৰিশ্চন্দ্ৰ দাসৰ সৈতে ঠেলাগাড়ী লৈ গৈ থাকোতে তুলসীবাৰী হাইস্কুলৰ ওচৰত "মেৰীজান" নামৰ বাচখনৰ খোলা দুৱাৰে তেওঁৰ হাতত কোবাই জখম কৰে। ফলত তেওঁ অচেতন হয়। দুৰ্ঘটনাৰ কথা জানিও উক্ত "মেৰীজান" বাচখন ঘটনা স্থলীত ৰোৱা নাছিল। লগত অহা ঠেলাৱালা শ্ৰীহৰিশ্চন্দ্ৰ দাস আৰু তুলসীবাৰী হাইস্কুলৰ কেইজনমান শিক্ষকৰ সহায়ত তেওঁ ঘৰলৈ যায় আৰু অলপ সুস্থ হোৱাত থানালৈ গৈ ঘটনাৰ বিষয়ে জনায়। এই সম্পৰ্কত থানাৰ দৈনিক পঞ্জীত দৰজ দি তদন্তৰ ভাৰ উপ-পৰিদৰ্শক শ্ৰীজহিৰুল হক ভূঞাক দিয়া হয়। উপ-পৰিদৰ্শক শ্ৰীজহিৰুল হক ভূঞাই তদন্ত কৰি জানিব পাৰে যে উক্ত বাচখনৰ নম্বৰ এ-এচ-জেদ ৫৫৮৪। ঘটনাৰ দিনা বাচখন ভূটান বাষ্টাত চলাইছিল আৰু ৰঙিয়ালৈ আহি আবেলি ৪-৩০ মান বজাত পুণৰ নেপালৰ বিৰাটন নগৰলৈ বিয়াৰ যাত্ৰী লৈ গুছি গৈছে। ঘটনাৰ ফলত আহত হোৱা লোক-জনৰ কোনো চিকিৎসাৰ ব্যৱস্থা নকৰাকৈ বাচখনৰ চালক শ্ৰীৰতন চন্দ্ৰ দাসে ৰঙিয়ালৈ আহি থানাত কোনো খবৰ নিদিয়াকৈ আবেলি বিৰাটন নগৰলৈ গুছি যায়।

পিচে ৩।৫।৭৮ তাৰিখে উক্ত বাচখন ভূটানৰ পৰা যাত্ৰী আহি থাকোতে ৰঙিয়া থানাৰ সন্মুখত ধৰা পেলোৱা হয় আৰু বাচখনৰ নিগাজী চালক শ্ৰীৰতন চন্দ্ৰ দাসে আব্দুল কৰিম নামৰ আন এজন চালকক চলাব দি ৰঙিয়া পোৱাৰ আগতেই নামি গৈছে বুলি তদন্তকাৰী বিষয়াই জনিব

পাৰে। পিচে চালক আব্দুল কৰিম, হেন্দিমেন হৰ্ক বাহাদুৰ লিম্বু আৰু কন্দাক্টৰ ললিত কলিতাক শোধ-পোচ কৰি গাড়ীৰ কাগজ-পত্ৰ আদি দিবলৈ কয় আৰু প্ৰকৃত চালক শ্ৰীৰতন চন্দ্ৰ দাসক হাজিৰ কৰিবলৈ নিৰ্দেশ দিয়ে। আব্দুল কৰিম আৰু ললিত দাসে নিগাজী চালক শ্ৰীৰতন চন্দ্ৰ দাসক আনিবলৈ গাড়ীখন এৰি গুছি যায়। হেন্দিমেন হৰ্ক বাহাদুৰে গাড়ীৰ বাকচৰ তালা ভাঙি যাৱতীয় কাগজ-পত্ৰ তদন্তকাৰী বিষয়াজনক দি গুচি যায়। এনে অৱস্থাত গাড়ীৰ যাত্ৰীসকল নামি নিজ নিজ গন্তব্য স্থানলৈ গুছি যায়। তদন্তকাৰী বিষয়াই গাড়ীখন থানালৈ লৈ আহে আৰু পৰীক্ষাৰ বাবে বিশেষ জনলৈ লিখি পঠিয়াই। গধুলি গাড়ীখন বিশেষজ্ঞই পৰীক্ষা কৰে। এই মৰ্মে ৰঙিয়া থানাৰ ৬৩ (৫) ৭৮ নং মোকৰ্দমা ভাৰতীয় দণ্ডবিধি আইনৰ ২৭৯/৩৩৮ ধাৰামতে ৰুজু কৰা হৈছে।

গাড়ীৰখনৰ মালিক নাগ্ৰীজুলি নিবাসী শ্ৰীচফুৰ আলীৰ পৰিবাৰ মচম্মত চফিজান বেগম। শ্ৰীচফুৰ আলী থানালৈ আহি গাড়ীখন তেওঁৰ জিম্মাত লবলৈ বিচাৰে। তদন্তকাৰী বিষয়াই দোষী চালকজনক হাজিৰ কৰি দিহে গাড়ী নিব পাৰিব বুলি জনায়। শ্ৰীচফুৰ আলী ৰাতিপুৱা আহিব বুলি কৈ গুছি যায়। কিন্তু পিচদিনা ৰাতিপুৱা শ্ৰীচফুৰ আলী থানালৈ নাহিল আৰু দোষী চালকজনকো হাজিৰ কৰি নিদিলে। ইতিমধ্যে ৰঙিয়া মটৰ শ্ৰমিক সন্থাই (Union) ৰাতিপুৱা ৭ বজাৰ পৰা ৰঙিয়াৰ সমূদায় বেচৰকাৰী বাচগাড়ীবোৰ চলাবলৈ বন্ধ কৰি দিয়ে আৰু গাড়ীবোৰ থানাৰ সন্মুখৰ ৰাস্তাৰ ওপৰতে লানি লগাই ৰখায়। ইয়াৰ ফলত যাতায়তৰ অসুবিধা ঘটে। সেই দিনাই ইউনিয়নে গাড়ীসহ শোভাযাত্ৰা কৰি আহি মুখ্যমন্ত্ৰীক এখন স্মাৰক পত্ৰ দিয়ে। এই স্মাৰক পত্ৰত ৰঙিয়া থানাৰ চাৰ্কোল ইনস্পেক্টৰৰ পৰা সাধাৰণ চিপাহীলৈকে সকলোকে তুৰন্তে বদলি কৰা, জব্দ কৰা এ-এচ জেদ ৫৫৮৪ নম্বৰ বাচখন আৰু ইয়াৰ কাগজ-পত্ৰ বিনাচৰ্ত্তে মুক্তি দিয়া, ভবিষ্যতে শ্ৰমিকৰ ওপৰত পুলিচৰ জুলুম বন্ধ কৰা আৰু ৩০।৫।৭৮ তাৰিখে বাচখনৰ

শ্ৰমিক সকলক বেয়া ব্যৱহাৰ কৰাৰ বাবে পুলিচ বিষয়াক শাস্তি দিয়াৰ দাবী জনোৱা হয় আৰু দাবী সমূহ ততালিকে পূৰণ নকৰিলে ধৰ্ম্মঘট চলাব বুলি ভাবুকি দিয়ে।

উচ্চ পদস্থ বিষয়াই লগে লগে এই বিষয়ে তদন্ত কৰি ঘটনাৰ সবিশেষ বুজ লয়। তদন্তকাৰী বিষয়াজনক সকলো তদন্ত শেষ নোহোৱালৈকে সাময়িকভাৱে পুলিচ ৰিজাৰ্ভলৈ অনা হয়।

ৰঙিয়া মটৰ শ্ৰমিক ইউনিয়নৰ বিষয়ববীয়া সকলক তেওঁলোকে দিয়া অভিযোগবোৰৰ তদন্ত কৰি শীঘ্ৰে ব্যৱস্থা লোৱা হ'ব বুলি কোৱা হয় আৰু গাড়ী চলাবলৈ অনুৰোধ কৰা হয়। জিলা কৰ্ত্তৃপক্ষৰ তৰফৰ পৰা বাচ চলাবলৈ নিৰ্দেশ দিয়া হয় যদিও তেওঁলোক সন্তুষ্ট নহৈ ধৰ্মঘট চলাই যায়।

যোৱা ৬ জুন তাৰিখে ইউনিয়নৰ তৰফৰ পৰা ৰঙিয়া বন্ধ দিৱস পালন কৰে আৰু কামৰূপ জিলাৰ আন লাইনৰ বাচবোৰও সহানুভূতিসূচক ধৰ্মঘট কৰে।

ৰঙিয়াত ১৪৪ ধাৰা বলবত আছিল। ইউনিয়নৰ তৰফৰ পৰা সকলোবোৰ দোকান বন্ধ কৰিবলৈ দলে দলে বাহিৰত ওলাই দোকান খুলি ৰখা কেইজনমান দোকানীক ভীতি প্ৰদৰ্শন কৰে। এই মৰ্মে অভিযোগ পোৱাত ১৪৪ ধাৰা অমান্য কৰা আৰু বে-আইনীভাবে সংগবদ্ধ হৈ আনক ভীতি প্ৰদৰ্শন কৰা অপৰাধত মুঠ ১৭ জনক গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ ভিতৰত ১২ জন ছাত্ৰ। তেওঁলোকক ব্যক্তিগত জামিনত এৰি দিয়া হয়। এই মৰ্মে ৰঙিয়া থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ১৮৮ ধাৰা অনুযায়ী জুন মাহৰ ১০ আৰু ১১ নম্বৰ মোকৰ্দমা ৰুজু কৰা হৈছে। ই বৰ্ত্তমান তদন্তাধীন।

এই ঘটনা সংক্ৰান্তত পুলিচে কোনো মাৰপিট বা অত্যাচাৰ কৰা নাই।

মটৰ শ্ৰমিক ইউনিয়নৰ তৰফৰ পৰা এটি সজাতি দলে মুখ্য মন্ত্ৰীক দেখা কৰে আৰু ৯ জুন তাৰিখৰ পৰা লাইনবাচ সমূহ নিয়মীয়াকৈ আগৰ দৰে চলাচল কৰিবলৈ আৰম্ভ কৰে।

*শ্ৰীখগেন বৰবৰুৱা ঃ—ইয়াত উল্লেখ কৰিছে যে বাকচৰ পৰা ড্ৰাইভাৰে নিজে লৈ গুচি গৈছে। আমি পোৱা খবৰ মতে বাকচ গুলিচে ভাঙি লৈ গৈছে। ড্ৰাইভাৰক মাৰপিত কৰিছে আৰু পাঁচশ টকা বিচাৰিছে।

*শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—এইটো তদন্ত কৰা হৈছে আৰু এই কথাটো সচা নহয় বুলি কৈছে।

*শ্ৰীএ, এচ, আক্ৰম হুচেইন ঃ—অফিচাৰ ইনচাৰ্জে পাঁচশ টকা খুজিছিল আৰু তাৰ পৰাই ৰঙিয়াৰ ঘটনাৰ সুত্ৰপাত হ'ল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো ৰিপোৰ্ট দিছে ভয় হয় সেই কেইজন পুলিচ বিষয়াই এই ৰিপোৰ্টটো দিছেনেকি ?

*শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—সেইটো কথা নহয়। কাৰণ এটা কথা বুজিব লাগিব যে দুৰ্ঘটনা হ'লে পুলিচে ড্ৰাইভাৰক বিচাৰিব। যিখন গাড়ীয়ে দুৰ্ঘটনা কৰে, সেই গাড়ীৰ দোষ-ত্ৰুটি আছিল নে নাই সেইটো পুলিচে চাব। ড্ৰাইভাৰে সেই দুৰ্ঘটনাৰ পিচত জখম হোৱা দুজনক হাস্পাতাললৈ নিয়াৰ ব্যৱস্থা নকৰি আতৰি গুচি গৈছে। তাৰ পিচত তেওঁ ৰঙিয়ালৈ আহে। নেপাললৈ গাড়ী লৈ গুচি গ'ল, ঘুৰি অহাৰ পিচত ঘটনাটো হ'ল। ইউনিয়ন কৰিছে যেতিয়া ড্ৰাইভাৰক দুৰ্ঘটনা কৰিলেও ধৰিব নালাগে তেনে নহয়। জুলুম কিবা হ'লে সেই বিষয়ত বিচাৰ কৰিব লাগিব। এইটো বেলেগ কথা। কেচ এটা ৰজু হ'ব, ড্ৰাইভাৰক থানালৈ নিব লাগিব আৰু আইনৰ যি ধাৰা চলে সেইমতে চলিব লাগিব। সেইখিনি নহ'ল। অথচ তাৰ পিচ-দিনা যেতিয়া ইয়ালৈ শোভাযাত্ৰা আহিল, ধৰ্মঘট হ'ল আৰু থানাৰ দাৰোগাৰ অন্যান্য কিবা দুৰ্নীতিৰ অভিযোগ আহিল, সেইবিলাক মোৰ ওচৰলৈ লৈ আহিছিল। ইতিমধ্যে দীঘলীয়া ধৰ্মঘট চলি থকাত তাত ৰাইজৰ বিৰোধ আৰম্ভ হ'ল। সেইটো অৱস্থাত তেওঁলোকে অনুভৱ কৰিলে যে ধৰ্মঘট প্ৰত্যাহাৰ

* Speech not corrected

কৰিলে ভাল হ'ব। প্ৰতিনিধিসকল ইয়ালৈ আহোতেও মই কৈছিলো ধৰ্মঘট উঠাই লওক। দাৰোগাৰ দুৰ্নীতি সম্বন্ধে কিবা অভিযোগ আছিল সেইটো বেলেগ তদন্ত কৰি চাম। সেইটো দুৰ্ঘটনাৰ কেচৰ লগত, ধৰ্ম্মঘটৰ লগত ইয়াত নাসাঙুৰিব।

*শ্ৰীএ, এন, আক্ৰম হুচেইন ঃ—পাঁচশ টকা বিচাৰিছিল বুলি অভিযোগ পাইছো। আপোনাৰ আহ্বান ক্ৰমে ধৰ্মঘট উঠাইছে ভাল পাইছো। কথা হ'ল যিটো ৰিপোৰ্ট দিছে সেইটো সেই পুলিচ বিষয়াই দিয়া ৰিপোৰ্ট বুলি সন্দেহ হৈছে।

*শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—উচ্চ পদস্থ বিষয়া তালৈ গৈছিল আৰু তদন্ত কৰিছে।

*শ্ৰীনৰেন্দ্ৰ নাথ দত্ত ঃ—মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বিবৃতিত এইটো কথা স্পষ্টকৈ ওলাই পৰিছে যে প্ৰকৃতাৰ্থত ধৰ্ম্মঘটটো ভিত্তিহীন আছিল। পুলিচ বিষয়াই ড্ৰাইভাৰক বিচাৰি থকা অৱস্থাত মটৰ শ্ৰমিকে ধৰ্মঘট আৰম্ভ কৰিছে। এই কথাটো আচলতে মই বিশ্বাস কৰিবলৈ টান পাইছো।—কোনো কাৰণ নোহোৱাকৈ কোনো এটা সন্থাই ধৰ্মঘটত নানামে। শুনা যায় ড্ৰাইভাৰ আৰু হেণ্ডিমেনক মাৰপিত কৰিছিল? ঘোচখুৰৰ কথাটো বিবৃতিত ওলাইছে। এই বিবৃতিৰ যোগেদি শ্ৰমিক আন্দোলনৰ প্ৰতি বিৰূপ মনোভাৱ এটা ওলাই পৰিছে। অৱশ্যে ইয়াৰ কাৰণে মুখ্য মন্ত্ৰীক দোষাৰোপ কৰিবলৈ যোৱা নাই। যি ৰিপোৰ্ট প্ৰস্তুত কৰি পঠিয়াইছে সেই ৰিপোৰ্টত সত্য সত্যতা সম্পৰ্কে এটা অনুসন্ধান কৰি নললে এনে ধৰণৰ বিবৃতিৰ যোগেদি আওপকীয়া ভাবেও পুলিচ বিষয়া সকলক উৎসাহ দান কৰা হৈছে। সেই সকল পুলিচ বিষয়াৰ বিষয়ে সদনত কঠোৰ আলাপ আলোচনা আদি নানা কথা হৈছে। ট্ৰেড ইউনিয়ন হ'ল বুলিয়েই যে যি কোনো সমস্যাত ধৰ্মঘট কৰিব, অন্যায় কাম কৰিব সেইটো আমি নিবিচাৰো। কিন্তু ন্যায্য কথাটোক সম্পূৰ্ণভাৱে নেওচি এটা

* Speech not corrected

অসত্য কথা প্ৰতিষ্ঠা কৰিব লগা হয়, তাৰ দ্বাৰা ট্ৰেড ইউনিয়ন আন্দোলনক অবমাননা কৰা হ'ব, শ্ৰমিক আন্দোলনক অন্য পথে পৰিচালনা কৰাৰ কাৰণে চেষ্টা কৰা হব। লগে লগে দুৰ্নীতিপ্ৰাপ্ত বিষয়া সকলক উৎসাহ দিয়াৰ ব্যৱস্থা হ'ব সেই কাৰণে মুখ্যমন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিছো যাতে ইয়াৰ এটা প্ৰকৃত তদন্ত কৰা হয়।

শ্ৰীপ্ৰেমধৰ বৰা ঃ—দুৰ্ঘটনা কৰি পলাই যোৱা ড্ৰাইভাৰ জনৰ বিৰুদ্ধে ব্যৱস্থা হৈছে নে নাই ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ—গ্ৰেপ্তাৰ কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো ঃ—ৰঙিয়াৰ মটৰ শ্ৰমিকৰ ধৰ্মঘটৰ প্ৰধান দাবী আছিল ৰঙিয়া পুলিচ থানাৰ বিষয়া জনক বদলি কৰিব লাগে। সেই বিষয়া জনক বদলি কৰা হৈছে নে নাই ?

শ্ৰীগোলাপ বৰবৰ (মুখ্য মন্ত্ৰী) ঃ—জেহিৰুল হক বৰভূঞাক বদলি কৰা হৈছে। যিজন দাৰোগাৰ ওপৰত অভিযোগ দিছিল, তেওঁক বদলি কৰা হোৱা নাই। কাৰণ তেওঁৰ বিৰুদ্ধে থকা অভিযোগ সচা বুলি প্ৰমাণিত হোৱা নাই। তেওঁ অৱশ্যে স্বাস্থ্যজনিত কাৰণত চুটিত আছে।

Mr. Deputy Speaker : Next, item No. 4, Sri Binoy Basumatary.

***Shri Benoy Kumar Basumatari** :— Mr. Deputy Speaker, Sir, I want to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the Dainik Asom dated 7th June, 1978 under the caption "মঙ্গলদৈত ধনশিৰীৰ খহনীয়াৰ ভয়ঙ্কৰ মূৰ্ত্তি"।

Sir, this river Dhansiri has been eroding many villages in my Constituency and also in the Constituency of Majbat for the last 3/4 years and this river is trying to get

* Speech not corrected

back into the old stream. As a result 30 villages are facing erosion and during the flood last week Sir, at least 10 families had to move from the river bank of Dhansiri. Similarly, in the entire north bank, during the last flood many families had to shift. In Harisinga 6 families had to move. So I would request through you that the Government of Assam will take immediate step to prevent the erosion and make alternative arrangement for the people who have lost their homes and land.

Thank you, Sir.

* **Shri Ramesh Mohan Kouli** ( Minister ) :— Mr. Deputy Speaker, Sir, this particular matter, specially the erosion problem of Dhansiri river in Mangaldai Sub-Division has received serious attention of the Government and the Department. The main thing is that the river Dhansiri originates from Arunachal having its catchment of 2193 Sq. Km. It has a tendency to change its course from time to time and eroded its band which is not a new phenomenon. Erosion in Dhansiri village No. 5 under Borsilajhar has effected since 1972 but this become acute in March 1978. Erosion of river Dhansiri continued and effected the villages Tarajuli and Tarabari also on right bank. The main current is flowing hugging to the right bank and an approximately 640 acres of land has been eroded away upto this date.

One dong named "Kaljuli" or "Kukurbhuka" which is about 150 Metre wide is running paralled to the river about 100 to 150 M away from the river. Beyond this dong there is the depression of old Mora Dhansiri.

The local people apprehended that if the river Dhansiri gives away into the "Kaljuli" dong, the entire river may take its course through the Mora Dhansiri. In such an eventuality a good number of villages in the Rowta Station, Rowta Chaiali and N. T. Road downstream is apprehended to be affected.

* Speech not corrected

With the apprehension that the Dhansiri Irrigation project which is very close to be site of occurance, be affected, irrigation Dept. had already taken some temporary measures to check the erosion.

It is for information, that the bed of river Dhansiri now eroded away, is found to be a composition of gravels, sand and silts. From which it is apparent that this part was once a course of the river. Moreover, the apprehension that the main river will join with Mora Dhansiri and take its course along it, has perhaps no strong foundation, because the bed of Mora Dhansiri is 2 to 3 M highest than the bed of Dhansiri river.

However, necessary proposal has been drawn to take up scheme to arrest the erosion and divert the channel into its original course.

**Shri Benoy Kumar Basumatari** :— Sir, the hon'ble Minister has stated that the Dhansiri Irrigation project is also in danger. During discussion it was found the Flood Control Department would like to rest the responsibility on the Irrigation Department and the Irrigation Department would like to rest the responsibility on the Flood Control Department. This way this thing has been going on for last 6 years. Can we get some categorical assurance that this will be properly attended to ?

***Shri Ramesh Mohan Kouli** (Minister) :— I have not shifted the responsibility. I have stated in my statement "with the apprehension that the Dhansiri Irrigation project which is very close to the site of occurrence, be affected, Irrigation Department had already taken some temporary measures to check the erosion." And again, at the end I have said "however, necessary proposal has been drawn to take up scheme to arrest the erosion and divert the channel into its original course". I have not shifted my responsibility.

*চৈয়দা আনোৱাৰা টাইমুৰ ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, ধনশিৰী নদীয়ে আজি ৬।৭ বছৰে মংগলদৈ মহকুমাত প্ৰলয়ংকাৰী বানপানী আৰু গড়াখহনীয়াৰ সৃষ্টি কৰিছে। ইয়াৰ ফলত মানুহৰ যথেষ্ট হানি-বিঘিনি হৈছে। ইয়াৰওপৰি ধনশিৰী নদীৰ যিটো জল-সিঞ্চন আঁচনি সেইটোত পানী দিয়াৰ কাম আৰম্ভ হলেই ইয়াৰ প্ৰবেশ কিছু কমিব বুলি কোৱা হ'ল। এতিয়া ধনশিৰীৰ যি কেইটা সমষ্টিৰ কথা মাননীয় সদস্য বিনয় বসুমতাৰী ডাঙীয়াই কৈছে মাজবাট, ওদালগুৰি আৰু তাৰ লগতে দলগাওঁ, ৰঙাগৰা, কোপাটি এই অঞ্চল কেইটাতো গড়াখহনীয়া হৈ আছে। এতিয়া কথাটো হৈছে যে, যিটো সময়ত বান্ধ দিব লাগে, সেই বান্ধ সময়মতে নিদিয়াৰ বাবেই আৰু যিবিলাক বান্ধ দিয়া হয় সেই বিলাকো ভাল ধৰণে নোহোৱাৰ কাৰণেই যোৱা বছৰত দৈপাম, কুঁৱৰী পুখুৰী আদি এই অঞ্চল দুটাত ভাল ধৰণে গড়াখহনীয়া হৈছে। যোৱা বছৰ এই অঞ্চল দুটাত প্ৰায় ৬৪ হাজাৰ টকা খৰচ কৰি বান্ধ বন্ধা হৈছিল আৰু মই নিজেও দেখিছিলো। কিন্তু কোৱা হৈছিল যে, পাথৰ দি দাইক বন্ধা হ'ব, কিন্তু পিচত তাত বাহ দি কমজুৰি দাইক দিয়া হৈছিল আৰু আমি দেখিছিলো যে, পানী অহাৰ লগে লগে সেই দাইক বান্ধি তাত থকা এল, পি, স্কুল, এম, ই স্কুল আদি সকলো উটাই লৈ গ'ল। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে, ৬৪ হাজাৰ টকা খৰচ কৰি দৈপাম, কুঁৱৰী পুখুৰীত যি বান্ধ বান্ধিছিল সেইটোৰ তদন্ত কৰিবনে? আৰু সেই ঠাইত ভাল ৰকমে বান্ধ দিয়াৰ ব্যৱস্থা কৰিবনে? আৰু এই ধনশিৰী নদীত জনসিঞ্চনৰ আঁচনি হোৱাৰ পিচত গড়াখহনীয়াৰ প্ৰবেশ কিছু কমিব বুলি কৈছিল। বৰ্ত্তমান তাত যি গড়াখহনীয়া হৈ আছে সেইটো আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে যদি নিজে গৈ সোনকালে চাই আৰু তাৰ পিচত তাৰ বাবে বিশেষ ধৰণৰ ব্যৱস্থা লবলৈ অনুৰোধ কৰিলো।

* Speech not corrected

*শ্ৰীৰমেশ মোঁহন কুলি (মন্ত্ৰী)ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীয়ে আগতে হৈ যোৱা কামৰ ওপৰত যিখিনি বিতং বিৱৰণ দিলে সেইখিনি কথা মই কব নোৱাৰো। কাৰণ ইয়াৰ কোনো ৰেকৰ্ড মোৰ হাতত নাই। আগৰ চৰকাৰে কিয় এই কামত শিঠিলতা কৰিলে এই বিষয়ে মই কব নোৱাৰিলো। গতিকে এই বিষয়ে যদি তদন্ত কৰিবলগীয়া হয় তেতিয়াহলে মোক স্পেচিয়েলি দিলে ভাল হয়।

গতিকে মাননীয় সদস্য সকলে এই বিষয়ে 'স্পেচিফিক' কৰি দিলে আমি তদন্তৰ কাৰণে পঠিয়াব পাৰিম আশাকৰো কৰিবও পাৰিম। আজি যিবিলাক কথা এই বিষয়ে কোৱা হৈছে সেইবিলাক কথা বিশেষকৈ আঁচনি বিলাক চেংশ্বন নকৰিলে হঠাৎ এই আঁচনিৰ কাম কৰিব পৰা নহয়। গতিকে অহা বছৰৰ ভিতৰত যাতে আঁচনিৰ কাম হাতত লব পৰা যায় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

*শ্ৰীনৰেন্দ্ৰ নাথ দত্ত ঃ—মাননীয় সদস্যজনৰ প্ৰশ্নোত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে যিটো কৈছে সেই সন্দৰ্ভত মই কওঁ যে, কৃষি বিভাগে ক'ব জলসিঞ্চন বিভাগে কৰিব আৰু জলসিঞ্চন বিভাগে ক'ব কৃষি বিভাগে কৰিব। কিন্তু ৰাইজে আমাৰ মাননীয় মন্ত্ৰী সকলক ঢুকি নেপায়গৈ। বিষয়া সকলকহে ঢুকি পায়। বিষয়া সকলে এই ধৰণে খেলি-মেলি কথা কোৱা কাৰণে ৰাইজ বিভ্ৰান্ত হয় আৰু ৰাইজো ক্ষতিগ্ৰস্ত হয়। গতিকে কেনেকৈ এই খহনীয়াৰ গতি ৰোধ কৰিব পাৰি সেইটোহে আচল কথা।

*শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) ঃ—এই বিষয়ে তদন্ত চলাই থকা হৈছে।

* Speech not corrected

*মাননীয় উপাধ্যক্ষ ঃ—মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াই যিটো প্ৰস্তাব দিছে তাত কবৰ কাৰণে দুটা ৰিজলিউশ্বন মোভ হৈছে। ২, ৬ আৰু ২৩ তাৰিখত আলোচনা কৰিবৰ কাৰণে ২১ জনে ক'লে আৰু এজনে নাম দিছে। মই অনুৰোধ কৰিছো মাননীয় সদস্য সকলে যাতে এই বিষয়ে আলোচনা বিলাক দীঘলীয়া নকৰি অলপ চুটি কৰিব।

শ্ৰীনুরুল হুদা :— উপাধ্যক্ষ মহোদয়, অনেক গুরুত্বপূর্ণ প্রস্তাব এখনও আমাদের রয়েছে। এইজন্য যত তাড়াতাড়ি সম্ভব এই প্রস্তাবের উপর আলোচনা শেষ করা প্রয়োজন। তাহলে অন্যান্য গুরুত্বপূর্ণ প্রস্তাবগুলি আমরা আলোচনার জন্য আনতে পারি।

*শ্ৰীচিৰাজুল হ'ক :—মাননীয় উপাধ্যক্ষ মহোদয়, এখন দেশৰ সকলো দিশতে মানদণ্ড অৰ্থাৎ অৰ্থনৈতিক, আইন-শৃংখলা আদি সকলোৰে মানদণ্ড নিৰ্ভৰ কৰে শিক্ষাৰ ওপৰত। এই বিষয়ে আমাৰ মাননীয় সদস্য সকলে উল্লেখ কৰিছে। এই বিষয়ে আজি যি প্ৰস্তাব অনা হৈছে সেই প্ৰস্তাবৰ সমৰ্থনত মই কেইআষাৰমান কথা কব খুজিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ শতকৰা ৬০ জন মানুহৰ ল'ৰা-ছোৱালীকেই আৰ্থিক কাৰণত স্কুললৈ পঠাব নোৱাৰে। মাননীয় উপাধ্যক্ষ মহোদয়, গাৱঁৰ পৰা অহা লোক হিচাবে আপুনি গাৱঁলৈ গৈছে আৰু গাৱঁৰ অৱস্থাৰ কথা আপোনাৰ জনা আছে। তাত বক্তৃতা দিছে আৰু প্ৰয়োজন হলে হাদীছৰ কাৰণে চীন দেশলৈকো যাব লাগে বুলি কোৱা হৈছে। এই হাদিছৰ মৰ্মেই গুৰুত্ব দিয়াৰ লগে লগে আমি দেখা পাইছো যে, প্ৰত্যেকজন নাগৰিকেই নিজৰ ল'ৰা-ছোৱালীক স্কুললৈ পঠিয়াব পৰা সক্ষমতা আছে নে নাই? আমি নিজ চকুৰে দেখিছো যে, নিজৰ ল'ৰা-ছোৱালীক জীয়াই ৰাখিবৰ কাৰণে পথাৰৰ আলু-ঢেকীয়া খুৱাৰ লগীয়া হৈছে। ফলত কিছুমান মানুহ তেতিয়া মৰে তেতিয়া স্বাস্থ্য বিভাগৰ ফালৰ পৰা কোৱা হয় যে অ-খাদ্য খায়েইহে মানুহ মৰিল। দুবেলা

* Speech not corrected

দুমুঠি ভাতৰ কাৰণে আৰু বছৰেকত এখন বা দুখন গামোছা পোৱাৰ কাৰণেই একো একোটা ৫/৬ বছৰীয়া ল'ৰা-ছোৱালীয়ে লোকৰ ঘৰত কাম কৰিবলগীয়া অৱস্থা হৈছে। তাৰোপৰি, বাটে-ঘাটে খুঁজি-মাগি খাই ফুৰা মগনীয়া ল'ৰা-ছোৱালী-বিলাকক আমি দেখা পাওঁ। এই সকলৰ দুৰ্দ্দশাৰ কথা আলোচনা কৰিবলৈ যথেষ্ঠ সময় লাগিব। টাউন বিলাকত কেৱল মাত্ৰ ধনী লোকেইহে বাস কৰে এনে নহয়, দুখীয়া মানুহো থাকে। বৰপেটাত দেখিছো সন্ধ্যাবেলা কিছুমান মানুহে হোটেললৈ আহি ৪০/৫০ পইচা খৰছ কৰি একোখন ৰুটি আদি খাই ঘৰলৈ ফিৰে। তাৰ কাৰণ জিজ্ঞাসা কৰাত চকু পানী টুকি কয় যে, ঘৰত ল'ৰা-ছোৱালীকেইটা শুইছে। খাবলৈ একো নাই। ৰাতিৰ সাজ নেৰান্ধোৱেই। সেই কাৰণেহে ইয়াকে খাই লৈছো। ঘৰত পৰি থাকিমগৈ। তেনেকুৱা এটা অৱস্থাত গাৰ্জেনে ল'ৰা-ছোৱালীক কেনেকৈ স্কুললৈ পঠিয়াব পাৰে? এই অভাৱ-অনাটনৰ মাজতো সকলো দিশতে দেশখনক আগুৱাই নি জাতিটোক এটা সু-সভ্য গণতান্ত্ৰিক জাতি হিচাবে পৰিগণিত কৰিবৰ কাৰণে শিক্ষাৰ নিত্যান্তই প্ৰয়োজন। মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত বছৰি যি কোটি কোটি টকা খৰছ হৈ আছে সেইবিলাক কেৱল ল'ৰা-ছোৱালীবিলাকক পঢ়াৰ কাৰণে সক্ষম থকা লোকৰ কাৰণেহে খৰছ কৰি থকা হৈছে। প্ৰকৃতাৰ্থত সক্ষম নোহোৱা সকলৰ কাৰণে কোনো ব্যৱস্থা কৰা নাই। সেই কাৰণেই আজি এই প্ৰস্তাৱ আনি তেনেকুৱা এটা বিষয়ে চিন্তা কৰাৰ প্ৰয়াস পাইছে। সম্বল থকা লোক সকলৰ ল'ৰা-ছোৱালী বিলাকক ড'নবস্কো, চেণ্ট্ৰাল স্কুল আদিত নিজৰ ল'ৰা-ছোৱালীক পঢ়ুৱাইছে। ধনী মানুহ বিলাকৰ ল'ৰা-ছোৱালী বিলাকক বৃত্তিও দিয়া হৈছে।

বৰ্ত্তমান সেইটো কাৰণত এটা প্ৰশ্ন আহিব পাৰে, যে ১ কোটি ৬০ লক্ষ্য মানুহক প্ৰত্যেকৰ কাৰণে এই ধন দিলে ধন শেষ হৈ যাব। কিন্তু এই ৰিজোলোচনত স্পষ্ট ভাবে আছে যে, যিবিলাক লৰা-ছোৱালী আনৰ ঘৰত কাম

* Speech not corrected

কৰি খাইছে, পঢ়িব পৰা নাই, ভিক্ষা মাগি আছে বা স্কুললৈ পঠাব পৰা নাই তেওঁলোকৰ কাৰণে এই ব্যৱস্থা কৰা হৈছে। গাওঁ সভা বা পঞ্চায়ত বিলাকত চাৰ্ভে কৰি যদি অৰ্থ নৈতিক দুঃ অৱস্থাৰ কাৰণে যিবিলাক মানুহৰ লৰা-ছোৱালী পঢ়াব পৰা নাই সেইবিলাকৰ পৰিসংখ্যা উলিয়াই যিমানখিনি টকাৰ কথা চিন্তা কৰা হয়, ইমান পৰিমানৰ ধন আমাৰ খৰছ নহব। আজিৰ এই বিজোলোচনত ১০০ টকাকৈ দিয়াৰ প্ৰস্তাৱ দাঙি ধৰিছে। চৰকাৰে যদি এই খিনি দিবলৈ সমৰ্থ নহয় তেনেহলে কমাই দিয়ক। বিশেষ মনোযোগ দিলে আমাৰ প্ৰত্যেকজন নাগৰিকেই শিক্ষিত হৈ গঢ়ি উঠিব। পৃথিবীৰ প্ৰত্যেকখন সু-সভ্য দেশেই শিক্ষাৰ ফালে নজৰ দিছে। প্ৰকৃত শিক্ষাৰ অবিহনে আমাৰ দেশখন প্ৰকৃত গণতান্ত্ৰিক দেশ হব নোৱাৰে। আমাৰ দেশখন প্ৰকৃত গণতান্ত্ৰিক দেশ হিচাবে গঢ়ি তুলিবলৈ হলে এই ডেৰ কোটি মানুহৰ সপোন বাস্তৱত পৰিণত কৰিবলৈ হলে প্ৰত্যেককেই প্ৰকৃত শিক্ষিত নাগৰিক হিচাবে গঢ়ি তুলিব লাগিব। আজি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে আমাৰ দেশত যি বিলাক গৰীৱ মানুহ আছে যাৰ লৰা-ছোৱালী স্কুললৈ পঠিয়াবলৈ সম্বল নাই তেনেকুৱা লৰা ছোৱালীক শিক্ষা-দীক্ষা দি শিক্ষিত কৰি তুলিব লাগিব। আজি চৰকাৰে অন্যান্য আচনিৰ কাৰণে লাখ লাখ টকা খৰচ কৰিছে। কিন্তু সেইবিলাক টকা কোনো কামত নাহিব যদিহে শিক্ষাৰ মানদণ্ড উচ্চ কৰা নহয়। এই যিবিলাক জলসিঞ্চন আচনি কৰিছে শিক্ষাৰ ব্যৱস্থা নথকাৰ কাৰণেই আজি ৰাইজে সেইবিলা যি ভাৱে গ্ৰহণ কৰিব লাগিছিল সেই ভাৱে গ্ৰহণ কৰিব পৰা নাই। যিবিলাক উন্নয়ণমূলক আচনি ৰাইজৰ আগত দাঙি ধৰা হৈছে সেই আচনি বিলাক ৰাইজে বুজি নোপোৱা কাৰণে এই আচনি বিলাক কাৰ্য্যত পৰিণত কৰিব পৰা নাই। আমি লক্ষ্য লক্ষ্য টকা খৰচ কৰিছো কিন্তু মূলতে কাম হোৱা নাই। আজি কৃষি আৰু জলসিঞ্চনত বহুত টকা খৰচ কৰিছে, যিমান লাগে সিমান টকা আছে কিন্তু এই আচনি বিলাকৰ দ্বাৰা

আমাৰ ৰাইজ উপকৃত হব পৰা নাই। কৃষি বিভাগতেই বহুত টকা খৰচ কৰি ষ্টাফ আদি অন্যান্য ব্যৱস্থাৰ কাৰণে ৰাখিছে। যেতিয়া এই ষ্টাফ বিলাকে ৰাইজৰ আগত বৈজ্ঞানিক আচনিৰ কথা কয় তেতিয়া তেওঁলোকে এইবোৰ ভালদৰে বুজি নাপায় যিহেতুকে শিক্ষা-দীক্ষা নাই। গতিকে মই জোৰেৰে কব খুজিছো যে আমাৰ দেশৰ অশিক্ষিত লোক সকলক শিক্ষিত কৰি গঢ়ি তোলাৰ সুবিধা দিব লাগে। অৱশ্যে যিবিলাক প্ৰাইভেট ফাৰ্ম আছে যেনে—সত্যনাৰায়ণ উজীৰ আমাৰ সমষ্টিৰে এজন লোক, তেওঁলোকৰ নিচিনা ধনী খেতিয়কৰ কথা বেলেগ। তেওঁলোকৰ নিচিনা খেতিয়কৰ উপকাৰ হৈছে। কিন্তু যিবিলাক মেকানাইজ কালটিভেশ্যন আছে সেই বিলাকৰ ডেভেলাপ কৰিবলৈ শিক্ষিত মানুহৰ দৰকাৰ আৰু সেই বিলাক কাৰ্য্যত পৰিণত কৰিবৰ কাৰণে শৃংখলা ভাৱে মানুহক শিক্ষিত কৰি গঢ়ি তুলিব লাগে। বৰ্ত্তমান চাৰিওফালে বিশৃংখলাৰ সৃষ্টি হৈছে। ইয়াৰ ফলত সাধাৰণ মানুহ শিক্ষত হৈ গঢ়ি উঠিব পৰা নাই। ইয়াৰ ফলতেই কোনো ধৰণৰ কামেই উন্নত ধৰণে কৰিব পৰা নাই। উপাধ্যক্ষ মহোদয়, আজি ভাৰতবৰ্ষত ধনী সকল অত্যন্ত ধনী আৰু দুখীয়া সকল অত্যন্ত দুখীয়া হৈ গৈছে। এই ধৰণে গৰীব প্ৰধান দেশখন গঢ়ি তুলিবলৈ যদি চেষ্টা কৰা হয় তেনেহলে প্ৰথমেই শিক্ষাৰ প্ৰয়োজন। আজি কংগ্ৰেছ পাৰ্টিৰ মানুহবিলাকে চিঞৰি আছে শোষণকাৰী বন্ধ কৰি দিব লাগে। শেষ কৰি দিব লাগে। কিন্তু চিঞৰিলেই নহয়। তাৰ এটা উচিত ব্যৱস্থা আমি কৰা উচিত।

শ্ৰীযোগেন গগৈ :— কমিউনিষ্ট সকলে কেৱল চিঞৰ-বাখৰ কৰি নাথাকে। কামকেই কৰে। কমিউনিষ্ট প্ৰধান দেশত সেইটো দেখুৱাই দিয়া হৈছে।

*শ্ৰীচিৰাঁজুল হক :— সেই কাৰণেই মই কৈছো কেৱল কলেইতো নহব, এই সকলো বিলাক কাম কৰিব লাগিব। গতিকে বৰ্ত্তমান প্ৰগতিৰ

* Speech not corrected

পথত যি ধৰণে আচনি বিলাক গ্ৰহণ কৰা হৈছে সেইবিলাক কাৰ্য্যক্ষেত্ৰত পৰিণত কৰিবৰ কাৰণে, সেইবিলাক ৰাইজে বুজি-বলৈ হলে আমাৰ অশিক্ষিত ৰাইজক শিক্ষিত কৰি গঢ়ি তুলিব লাগিব। গতিকে এই সকলো বিলাক দিশৰ প্ৰতি লক্ষ্য ৰাখি আপোনাৰ জৰিয়তে মই এই প্ৰস্তাবটো ৰিকোমেণ্ড কৰো।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ ঃ— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য চামচুল হুদা ডাঙৰীয়াই যিটো প্ৰস্তাব আনি আমাৰ অসমৰ দৰিদ্ৰ জনসাধাৰণ আৰু সকলো দুখীয়া পৰিয়ালৰ লৰা-ছোৱালী বিলাকক শিক্ষা-দিক্ষা দিয়াৰ যি নতুন দৃষ্টি ভঙ্গি আগবঢ়াইছে সেয়া মূলতঃ ভাল, কিন্তু লগতে এই সকলো পৰিয়ালকে ১০০ টকাকৈ দিয়াৰ যি প্ৰস্তাব আগবঢ়াইছে সেইটো বৰ ব্যৱহাৰিক দৃষ্টি ভঙ্গি হোৱা নাই বুলি মই ভাবো। এই খিনিতে মোৰ এটা কথা মনত পৰিছে গান্ধীজীয়ে এটা কথা কৈছিল, যি কাম নিজে কৰিব নোৱাৰে আনক কৰিবলৈ দিয়া উচিত নহয়। আজি হুদা ডাঙৰীয়াই বৰ্ত্তমান অৰ্থনৈতিক অৱস্থাত দেশখনৰ ৰাজনৈতিক পৰিস্থিতিত বৰ্ত্তমান জনতা চৰকাৰে সমাজবাদ স্থাপন কৰাৰ কাৰণে যি পদক্ষেপ লৈছে তেনে স্থলত এই ধৰণৰ প্ৰস্তাব সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয় বুলি মই ভাবো। আজি এই অৰ্থনৈতিক সংকটৰ মাজতো জনতা চৰকাৰে সমাজ ব্যৱস্থা উন্নত কৰাৰ পদক্ষেপ লৈছে। আজি দশমমান শ্ৰেণীলৈকে মাচুল সম্পূৰ্ণৰূপে ৰেহাই দিছে, আৰু অসমত বিশেষকৈ ৰাজহৰ ক্ষেত্ৰতো ১০ বিঘাকৈ মাটিৰ খাজনা ৰেহাই দিছে। এনেকুৱা অৱস্থাত আজি চৰকাৰৰ যিটো আয় ৰাজহৰ ফালৰ পৰা বন্ধ কৰাৰ সিদ্ধান্ত লৈছে। অৰ্থনৈতিক দৃষ্টি ভঙ্গি আৰু সামাজিক শোষণ বন্ধ কৰাৰ কাৰণে নতুন সিদ্ধান্ত লৈছে এনেকুৱা এটা অৱস্থাত আমি সম্পূৰ্ণৰূপে মানি লব পৰা নাযায়।

মাননীয় উপাধ্যক্ষ ঃ— লাঞ্চৰ পাচত আৰু ডিচকাচ কৰা নহব আপুনি কওক।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ ঃ— আমাৰ বহুকেইজন সদস্যই কব খুজিছে, গতিকে আমাৰ

প্ৰত্যেককে ১৫—২০ মিনিটকৈ দিব লাগে।

মাননীয় উপাধ্যক্ষ ঃ— আপুনি কওক।

শ্ৰীভূবনেশ্বৰ বৰ্ম্মণ ঃ— গতিকে উল্লেখ কৰিব খুজিছো হুদা ডাঙৰীয়াই যদি চৰকাৰৰ দায়ীত্ব লৈ এই টকা দিয়াৰ সিদ্ধান্ত লৈছে বুলি ধৰি লয় মই কব খুজিছো যে শিক্ষা ক্ষেত্ৰত জনতা চৰকাৰে নতুন ধৰণে সিদ্ধান্ত লৈছে।

**Mr. Deputy Speaker** :— The House stands adjourned till 2-30 p.m.

## Resolution.

( After Lunch )

শ্ৰীভূবনেশ্বৰ বৰ্ম্মন ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান আমাৰ মাননীয় সদস্য ছামচুল হুদা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেই সম্পৰ্কে মই কব বিচাৰিছো যে যিটো ব্যৱহাৰিক ক্ষেত্ৰ ব্যৱস্থাৰ কথা লৈ এই প্ৰস্তাৱটো আনিছে তাৰ মই বিৰোধিতা কৰিছো। এইখিনিতে মই উল্লেখ কৰিব বিচাৰিছো যে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যিক চৰকাৰতকৈ অসমত বৰ্ত্তমান জনতা চৰকাৰে যি দৃষ্টিভঙ্গী লৈ কৰ্ম্মক্ষেত্ৰত আগবাঢ়িছে সেইটো বৰ প্ৰসংশনীয়। আজি সকলো স্বীকৃতিপ্ৰাপ্ত স্কুলকে আৰম্ভ কৰি সকলো স্কুলৰে ছাত্ৰ-ছাত্ৰীৰেই মাচুল ৰেহাই দিছে। গাৱৰ যিবিলাক গৰীৱ জনসাধাৰণ আৰ্থিক আৰু সামাজিক বৈষম্যৰ কাৰণে পিচপৰি আছে তেওঁলোকৰ বৰ্ত্তমানলৈকে চলি থকা খাজনাৰ ব্যৱস্থা আছে সেই ক্ষেত্ৰত যি সকল লোকৰ দহ বিশতকৈ কম মাটি আছে সেই সকলৰ খাজনা মাফ দিছে। চিকিৎসালয়ত নাম ভৰ্তি কৰোতে প্ৰত্যেক ৰোগীয়ে যি চাৰি-অনাকৈ পইচা দিব লাগিছিল তাক বৰ্ত্তমান জনতা চৰকাৰে ৰেহাই দি গৰীৱ ৰোগী সকলৰ হাস্পাটাললৈ যোৱা ৰাস্তাটো মুকলি কৰি দিছে। এই চৰকাৰে কোনো অতিৰিক্ত কৰ-

কাটল নলগোৱাকৈয়ে এইবিলাক ব্যৱস্থা কৰিছে। প্ৰাক্তন চৰকাৰে এই গৰীৱ জনসাধাৰণক আজি একত্ৰিশ বছৰে শোষনৰ যোগেদি এই যাৱতীয় উন্নতি পথৰ ৰাস্তাবিলাক ৰুদ্ধ কৰি আহিছে। প্ৰথম পদক্ষেপ হিচাবে জনতা চৰকাৰে এই গৰীৱ জনসাধাৰণৰ আৰ্থিক সামাজিক আৰু শিক্ষাৰ ক্ষেত্ৰত যি বৈষম্য তাক দূৰ কৰি সকলোকে সমানে তুলি অনাৰ এটা প্ৰয়াস বৰ্ত্তমান চৰকাৰৰ নীতিত জাজল্যমান। এই দলে চৰকাৰী ক্ষমতা লোৱাৰ আগতেই ঘোষণা কৰিছিল যে জনতা চৰকাৰৰ দৃষ্টিভঙ্গী হৰ গাওঁমুখী আৰু সেইটো হব লাগিলে আমি যদি গাওঁৰ প্ৰধান সমস্যা বিলাক যেনে নিবনুৱা সমস্যা শিক্ষা ক্ষেত্ৰৰ সমস্যা, সামাজিক বৈষম্য আৰু অন্যান্য ক্ষেত্ৰত যিবিলাক জটিল সমস্যা সেই সমস্যাবোৰ দূৰ কৰিব পাৰি তেতিয়াহলে গৰীৱ জনসাধাৰণৰ উন্নতিৰ পথ বিলাক মুকলি কৰি দিয়া হব। এই কাৰণেই বৰ্ত্তমান জনতা চৰকাৰে ঘোষণা কৰিছে যে প্ৰতিখন গাৱতে একোখনকৈ প্ৰাইমাৰী স্কুল স্থাপন কৰিব আৰু আগতে পিচপৰা অঞ্চলৰ লৰা-ছোৱালী সকলৰ পঢ়া শুনাত যি অসুবিধা আছিল সেইটো দূৰ কৰিবলৈ বৰ্ত্তমান চৰকাৰে এনে এটা সিদ্ধান্তত উপনীত হৈছে আৰু এই নতুন সিদ্ধান্তত সদনেও আদৰণি জনাইছে। এতিয়া কথা হ'ল আমি যদি ভূমিহীন মানুহৰ ভূমিৰ সমস্যা সমাধান কৰিব পাৰো তেতিয়াহলে পিচপৰি থকা খেতিয়ক ৰাইজৰ অগ্ৰগতিৰ জঞ্জাল কিছু পৰিমাণে নোহোৱা হব। আজিলৈকে যিবিলাক কুটীৰ শিল্প মৰহি গৈছে সেইবিলাক উন্নত কৰিব পাৰিলে গাৱঁৰ নিবনুৱা সমস্যাৰ বহু পৰিমাণে সমাধান হব। তেনেকৈ কৃষি আৰু কুটিৰ শিল্পৰ যোগেদি গাৱঁৰ মানুহ বিলাকক আমি কৰ্ম্মঠ কৰিব পাৰিম। সেইদৰে যদি আমি প্ৰত্যেক নাগৰিককে কাম দিব পাৰো আৰু বিভিন্ন আচনি আৰু পৰিকল্পনাৰ যোগেদি অৰ্থ নৈতিক সামাজিক আৰু শিক্ষা বিষয়ক পিচপৰা এই লোকসকলক কিছু পৰিমাণে যদি সকাহ দিব পাৰো তাৰ কাৰণে আমি গুৰুত্ব দিব লাগে।

আনফালে শিক্ষা বিষয়ত যিখিনি নতুন আচনি লোৱা হৈছে তাক যদি নতুন সমাজ ব্যৱস্থাৰ লগত খাপ খোৱা এটা শিক্ষা-নীতি কৰিব পাৰো তেতিয়াহলে বৰ্ত্তমান সমাজৰ যিটো পৰি-স্থিতিত যিবিলাক যাৱতীয় সমস্যাৰ উদ্ভৱ হৈছে সি বহু পৰিমাণে সমাধান হব। এই আৰ্থিক অৱস্থাৰ উন্নত কৰা আৰু নতুন শিক্ষানীতি প্ৰবৰ্ত্তন কৰা এই দুয়োটা সকল অৰ্থ নৈতিক অৱস্থাত উন্নতিসাধনৰ ওপৰত ঘাইকৈ নিৰ্ভৰ কৰিছে। সেইটো যদি হলহেতেন তেতিয়াহলে বৰ্ত্তমানে প্ৰস্তাৱত যিটো এশ টকাকৈ দিয়াৰ প্ৰশ্ন তুলিছে তাৰ কোনো দৰকাৰ নহব। গাৱলৈ আমি যেতিয়া যাওঁ ঘাইকৈ দুটা বস্তু আমাৰ চকুত পৰে। ৰাস্তাৰ কাষত চালবোৰ নোহোৱা এটা ঘৰ দেখিলে তৎক্ষানত আমাৰ মনলৈ আহে যে এইটো হয় হিন্দুৰ নামঘৰ হব নহয় প্ৰাইমাৰী স্কুল হব। অলপতে শিক্ষামন্ত্ৰীৰ লগত মোৰো উত্তৰ লক্ষীমপুৰলৈ যোৱাৰ সুবিধা হৈছিল। আমি গাৱঁলীয়া ৰাস্তা বিলাক অতিক্ৰম কৰোতে যেতিয়া ৰাস্তাৰ কাযত চালবেৰ নোহোৱা বহুতো ঘৰ আমাৰ চকুত পৰিছিল শিক্ষামন্ত্ৰীয়ে তালৈ আঙুলিয়াই মোক কৈছিল এই ঘৰটো চাওক। খেৰবেৰ নাই। এইটো নিশ্চয় প্ৰাইমাৰী স্কুলেই হব। বৰ্ত্তমান গাৱঁত বহু স্কুলতেই ছাত্ৰ সকল বহাৰ কাৰণে কোনো বেঞ্চ নাই, ব্লাকবোৰ্ড নাই, মেপ নাই, ছালত খেৰ নাই, আনকি শিক্ষকজন বহিবলৈকো এখন চকী নাই মাননীয় উপাধ্যক্ষ ডাঙৰীয়া বৰ্ত্তমানে যদিও নগৰত থাকে তথাপি গাৱলীয়া স্কুল সম্বন্ধে তেখেতৰ নিশ্চয় অভিজ্ঞতা আছে। সৰু সৰু ল'ৰাছোৱালী বিলাক যেতিয়া স্কুললৈ যায় তেতিয়া পিঠিত পেলাই হয় এখন থৈলা, বা এখন ঢাৰি লগত লৈ যায়। আৰু ওচৰৰ মানুহৰ ঘৰৰ পৰা ছাত্ৰই দৌৰ মাৰি এখন তুল আনি শিক্ষকক বহিবলৈ দিয়ে। স্কুল ছুটী হলে তুলখন দৌৰ মাৰি মানুহ ঘৰত দি আহে। বেচি ৰ'দ বা বৰষুণ দিলে তেতিয়া স্কুল ছুটী হৈ যায়। আগৰ চৰকাৰৰ সময়ত ঢোল পিতি গাৱঁৰ লোক সকলৰ উন্নয়ণৰ সকলো কাম কৰিছে বুলি ডাঙৰকৈ কথাহে কৈছিল, বক্তৃতা দিছিল। কিন্তু বৰ্ত্তমান

তেখেত সকলৰ কামৰ নমুনা এই স্কুলঘৰ বিলাকেই প্ৰমাণ কৰিব। আমাৰ শিক্ষা মন্ত্ৰীক এটা স্কুলৰ বিষয়ে কৈছিল যে এই স্কুলঘৰটো স্বৰ্গীয় বৰদলৈ ডাঙৰীয়াৰ দিনতেই সজা হৈছিল আৰু এতিয়াকৈ সেই একে অৱস্থাতেই চলি আছে। গতিকে বৰ্ত্তমান যি বিলাক স্কুল গাৱঁত আছে তাৰ অৱস্থা বৰ লাজ লগা। আজিলৈকে আমাৰ গাৱঁৰ লৰা-ছোৱালীৰ শিক্ষাৰ ব্যৱস্থাটো সেই অৱস্থাতে চলি আছে।

লৰা-ছোৱালী স্কুলত বহাৰ কাৰণে বেন্স, পঢ়াৰ কাৰণে ডেস্ক, মেপ, বোৰ্ড, গ্লোব আদিৰ ওপৰত যদি গুৰুত্ব নিদিও তেতিয়াহলে আমি ভাল শিক্ষা ব্যৱস্থা আশা কৰাতো দুৰৰ কথা। আজি মিছনাৰী স্কুললৈ লৰা-ছোৱালী বিলাক কিয় যায়, কাৰণ তেওঁলোকে স্কুলৰ পৰিৱেশটো আকৰ্ষণীয় কৰি ৰাখে আৰু সেই কাৰণে তালৈ লৰা ছোৱালী বেছিকৈ যায়। আনহাতে তাৰ কাষতে যদি এখন সাধাৰণ প্ৰাইমাৰী স্কুল থাকে তালৈ কিয় লৰা-ছোৱালী যাবলৈ ইচ্ছা কৰিব? কাৰণ তাৰ পৰিৱেশটো আকৰ্ষণীয় নহয়। আমি লৰা ছোৱালীৰ আগ্ৰহ জন্মাবৰ কাৰণে পৰিৱেশ ভাল কৰিব লাগিব। আমাৰ জনতা পাৰ্টিৰ নিৰ্বাচনি ইস্তাহাৰতো এইটো ঘোষণা কৰা হৈছিল। যে শিক্ষাৰ পৰিৱেশ ভাল কৰি বাধ্যতামূলক কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, মোক অলপ সময় লাগিব কাৰণ এইটো ৰাইজৰ সমস্যা।

মাননীয় উপাধ্যক্ষ ঃ— কম বুলিলে গোটেই দিনটোৱেই কব পাৰি। বাকী সদস্য সকলোকো কবলৈ সুবিধা দিব লাগে।

শ্ৰীভূৱনেশ্বৰ বৰ্ম্মণ ঃ— উপাধ্যক্ষ মহোদয়, আমি কেৱল টকা পইচা দিলেই নহব। মই কেইটামান সৰু সৰু উদাহৰণ দিওঁ। আমাৰ বহুতো মানুহৰ খাবলৈ ভাত নাই। এনে অৱস্থাত এই টকা এক শ পালে লৰা-ছোৱালীৰ শিক্ষাত খৰচ নকৰি খোৱা বোৱাত খৰচ কৰিব। ইন্দিৰা গান্ধীৰ কুৰিদফীয়া আচঁনি আৰু সঞ্জয় গান্ধীৰ পাচ

দফীয়া আচঁনি মতে বাধ্যতামূলকভাবে 'ভেচেক্‌টমি' কৰিছিল। ভেচেক্‌টমিৰ— কৰিলে টকা পায়। সেই কাৰণে ৮০ বছৰীয়া বুঢ়া মানুহেও ভেচেকটমী কৰাইছিল পৰিয়াল পৰিকল্পনাৰ খাতিৰত নহয়, টকা ৫০ টাৰ লোভতহে। আৰু ডাক্তৰেও ভেচেকটমী কৰাইছিল তেওঁলোকৰ প্ৰমোচন ইনক্ৰিমেণ্ট আদিৰ কাৰণে। আনকি বিধবা তিৰোতাকো আনিছিল আৰু কিছুমান ভুৱা নাম দিও ভেচেক্‌টমী কৰা বুলি দেখুৱাইছিল। সেইবোৰ সৎ উপায় নাছিল। এনে কামৰ পৰা মানুহৰ সৎ চৰিত্ৰ গঠন হব নোৱাৰে। সেই কাৰণে আমি সামাজিক ভাবে চৰিত্ৰ সৎ কৰাত গুৰুত্ব দিব লাগিব। কৃষি ঋণ, লোৱাৰ ক্ষেত্ৰতো দেখা যায় ঋণ্‌ৰ টকা সৎ কামত খৰচ নহয়। গৰু কিনিম বুলি ঋণ লৈ অন্যান্য সাধাৰণ বস্তু কিনি, চাহ-তাহ খাই খৰচ কৰি পেলায়। আমাৰ স্কুল বিলাকত হোৱা পৰীক্ষা বিলাকো সৎ ভাৱে পৰীক্ষা নহয়। যোৱা প্ৰৱেশিকা পৰীক্ষাত কেইটামান কেন্দ্ৰ লৈ গৈ দেখিলো পৰীক্ষাৰ্থীয়ে তাত নকল কৰিছে। ধৰিবলৈ গলে কয়, 'চাৰ মই পাছ কৰিলে আপুনি বেয়া পায় নেকি? সেই কাৰণে আমি পৰীক্ষা ব্যৱস্থাও সংশোধন কৰিব লাগিব। আমাৰ মাননীয় সদস্য শ্ৰীজীৱন বৰা ডাঙৰীয়াই যিটো সংশোধনী আনিছে যে এক শ টকাৰ সলনি কিতাপ-পত্ৰ সা-সৰঞ্জাম দিব লাগে এইটো মই সমৰ্থন কৰিছো। আৰু শ্ৰীহুদা ডাঙৰীয়াৰ মূল প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত ঃ— মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীচামছুল হুদা ডাঙৰীয়াই 'বাধ্যতামূলক প্ৰাথমিক শিক্ষা কাৰ্য্যকৰি কৰিবৰ বাবে প্ৰতিজন লৰা ছোৱালীৰ মাক বা বাপেকক ১০০ টকা দিয়াৰ কাৰণে যিটো সংকল্প প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱৰ যিটো স্পিৰিট, সেই স্পিৰিটক মই সমৰ্থন কৰিছো। কিন্তু স্বৰ্ত্ত সম্পৰ্কে আমাৰ ৰিজাৰভেচন আছে।

আমাৰ অসমৰ গাওঁঅঞ্চলত ৯০ শতাংশ মানুহেই বাস

কৰে। তাৰ ভিতৰত শতকৰা ৮০ জনেই কৃষিজীৱি। কোনো কোনো ঠাইত শতকৰা ৯০,৯৫ জনলৈকে কৃষিজীৱি। তেওঁ-লোকৰ ভিতৰত আকৌ শতকৰা ৭০।৭৫ জন গৰীব কৃষক। এই কৃষক সকলৰ আৰ্থিক অৱস্থা উন্নয়নৰ কাৰণে এগ্ৰাৰিয়ান ৰিভলিউচন কৃষ বিল্পৱ যদি সম্পন্ন কৰা নহয়, বিভিন্ন অৰ্থনীতিৰ প্ৰানকেন্দ্ৰত বিল্পৱ সম্পন্ন কৰিবলৈ হলে বিনা ক্ষতি-পুৰণে জমিদাৰী অধিগ্ৰহন কৰি, বিনা মূল্যই সেই মাটি ভূমিহীন গৰীব কৃষকৰ মাজত বিতৰণ কৰিব লাগিব, জমিদাৰ, পুঁজি-পতি শ্ৰেণী বা মহাজনৰ ওচৰত কৃষক সকলৰ যি ৰীণ, সেইটো মকুব কৰিব লাগিব আৰু কম সুতত ৰীণ, দিয়াৰ ব্যৱস্থা কৰিব লাগিব, জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব, কৃষক সকলৰ উচ্ছেদ বন্ধ কৰিব লাগিব আৰু খতিয়ান দিয়াৰ ব্যৱস্থা কৰিব লাগিব। ৰায়তী স্বত্ত নথীভুক্ত হব লাগিব, আৰু কৃষকৰ উত্‌পাদন ক্ষমতা বৃদ্ধি কৰিবৰ কাৰণে সমবায় সমিতি গঠন কৰি তেওঁলোকক উত্‌সাহিত কৰিব লাগিব। এই ধৰণৰ ব্যৱস্থা হাতত লৈ তেওঁলোকক যদি আৰ্থিক অৱস্থাৰ উন্নতি কৰা নহয় তেতিয়া হলে তেওঁলোকে কেনেকৈ লৰা ছোৱালীক শিক্ষা দিব ?

আমাৰ সংবিধান ১৯৫০ চনত গৃহীত হ'ল এই সংবিধানৰ অনুচ্ছেদ ৩৯ ৰ পৰা ৫১লৈ ৰাষ্ট্ৰৰ নিৰ্দেশিকা নীতিত লিপিবদ্ধ কৰা আছে। মুনিহ তিৰোতাৰ জীৱিকাৰ উপায়ৰ পৰা আন্তৰ্জাতিক শান্তি নিৰাপত্তালৈ ইয়াত যিবিলাক মৌলিক অধিকাৰৰ কথা আছে, তাৰ ভিতৰত শিক্ষাৰ অধিকাৰ ইত্যাদি বিভিন্ন অধিকাৰ ৰাষ্ট্ৰৰ নিৰ্দেশিকা নীতিত লিপিবদ্ধ কৰা হৈছিল। এই নীতি সমূহ কাৰ্য্যকৰী কৰিব নোৱাৰিলে সাংবিধানিক প্ৰতিকাৰ পাব নোৱাৰি। ল'ৰা ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়াৰ ব্যৱস্থাটো ৪৫ নং. অনুচ্ছেদত আছে।

"The State shall endeavour to provide within a period of 10 years from the commencement of the Constitution for free and compulsory education for the children until

they complete 14 years"

এতিয়া তিনি দশক পাৰ হৈ গল এতিয়াও এই অৱস্থালৈ যাব পৰা নাই। এই ক্ষেত্ৰত দেখা যায় এনে ধৰণে কংগ্ৰেছ চৰকাৰে প্ৰতিশ্ৰুতি দি আছে যে কৃষিৰ নামত, সমাজতন্ত্ৰৰ নামত, শিক্ষা সম্প্ৰসাৰণৰ নামত বহুতো কিবা কিবি কৰিব কিন্তু প্ৰকৃততে কি কৰিলে ? তেওঁলোকে শিক্ষাসম্প্ৰসাৰণৰ ঠাইত শিক্ষা সংকোচনৰ নীতিহে লৈছে। গতিকে শিক্ষাৰ বাস্তৱ ছবি আৰু ইয়াৰ পৰিবৰ্ত্তন সাধিব লগীয়া হয় তেতিয়াহলে আজি কৃষকক অৰ্থ নৈতিক ভাবে উন্নতি সাধন কৰিব নোৱাৰিলে এই ব্যৱস্থা কেতিয়াও কাৰ্য্যকৰী কৰিব পৰা নাযাব সময় যেতিয়া কম মই বেচি সময় নলও, আন আন সদস্যও কবলগীয়া আছে। এই শিতানত প্ৰকৃতাৰ্থত প্ৰাথমিক শিক্ষা ব্যৱস্থা কাৰ্য্যকৰী কৰিবলৈ হলে আমি পোন প্ৰথম আমাৰ ইয়াত যি কৃষিৰ ব্যৱস্থা সেই ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন কৰাৰ কাৰণে চৰকাৰ আগুৱাই আহিব লাগিব। গতিকেই এই প্ৰস্তৱটো মই নীতি-গত ভাবে সমৰ্থন কৰিছো আৰু প্ৰস্তাৱটোৰ স্পিৰিট সেইটোয়ো সমৰ্থন কৰিছো কিন্তু ইয়াত যিবিলাক কন্দিশ্যন অৰ্থাত স্বৰ্ত্ত আৰোপ কৰা হৈছে সেইটো সমৰ্থন কৰিব নোৱাৰিলো। এই খিনি কথা কৈয়েই আমাৰ ফালৰ পৰা চৰকাৰক এই কৃষি পদ্ধতিটোৰ এটা আমোল পৰিবৰ্ত্তন আনিবলৈ অনুৰোধ জনালো।

শ্ৰীভবেন শইকীয়াঃ অধ্যক্ষ মহোদয়! মাননীয় সদস্য হুদা ডাঙৰীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৱটোৰ বিৰোধিতা কৰি আৰু জীৱন বৰা ডাঙৰীয়াই ইয়াৰ ওপৰত অনা সংশোধনীটো সমৰ্থন কৰি মই দুয়েষাৰমান ক'ব বিচাৰিছো। প্ৰস্তাৱটোত প্ৰস্তাৱকৰ যি উদ্দেশ্য প্ৰকাশ পাইছে তাৰ কাৰণে ধন্যবাদ জনাইছো, কিয়নো তেখেতে ৰাজ্যখনত শিক্ষা বিস্তাৰৰ কাৰণে আৰু ৰাজ্যখনত শিক্ষাৰ সম্প্ৰসাৰণ যাতে ভালধৰণে হয় তাৰ কাৰণেই এই প্ৰস্তাৱটো উত্থাপন কৰিছে। কিন্তু প্ৰস্তাৱটোত যিখিনি কথা সন্নিবিষ্ট কৰা হৈছে মোৰ বোধেৰে সেইখিনি বাস্তৱত কাৰ্য্যকৰী

কৰা কোনো পধ্যেই সম্ভবপৰ নহব। তাক কাৰ্য্যকৰী কৰিব নোৱাৰা কথাটো এই কাৰণেই উল্লেখ কৰিছো, যিহেতুকে আজি যি অৱস্থাত আমাৰ প্ৰাইমাৰী বিদ্যালয়বোৰ আছে, বিদ্যালয়ৰ অৱস্থা একেবাৰে শোচনীয়। যিখন দেশত এতিয়া-লৈকে থকা প্ৰাইমাৰী বিদ্যালয় নামোতহে বিদ্যালয় কিন্তু সেইবিলাকৰ অৱস্থা এতিয়া গৰুৰ পাল ৰখা ঘৰৰ নিচিনা হৈছে, য'ত কোনো চাল বেৰ নাই, ৪।৫ টা শ্ৰেণীত এজন শিক্ষকে একোডাল চেকনি লৈ ইফালৰ পৰা সিফালে ঘূৰি ফুৰোতেই যায়। তেনে এটা অৱস্থাত আজি শিক্ষাৰ নামত এনে এটা প্ৰস্তাব আহিছে আৰু যিটো প্ৰস্তাৱত ধনৰ ইমান এটা অংক আহি পৰিব যে এইটো কাৰ্য্যকৰী কৰি তোলাটো কেতিয়াও সম্ভৱপৰ নহব। চৰকাৰে আৰু এই সদনে ইতিমধ্যে শিক্ষাৰ শিতানত যি মঞ্জুৰী দাবী আৰু বাজেট গ্ৰহণ কৰিছে আৰু শিক্ষাৰ শিতানত যিখিনি ধন ধৰিছে, হুদা ডাঙৰীয়াই অনা প্ৰস্তাৱটো যদি আমি গ্ৰহণ কৰো, তেতিয়াহলে এই শিতানত সমুদায় টকা তাতেই শেষ হৈ যাব আৰু বাকী শিক্ষাৰ ক্ষেত্ৰত যিবিলাক ব্যৱস্থা হাতত লব লগীয়া আছে সেইবিলাক কাম কৰিবলৈ হাতত টকা নাথাকিব। সকলো পৰিকল্পনা নষ্ট হৈ যাব। অংকটোৰ কথা মই কোৱাই নাই। এনে এটা প্ৰস্তাব গ্ৰহণ কৰিবলৈ যাওঁতে আমি চাব লাগিব যাতে বিসঙ্গতি নঘটে। আমি এই প্ৰস্তাৱৰ জড়ীয়তে প্ৰতি পৰিয়ালক প্ৰতিজন ল'ৰা-ছোৱালীৰ বাবে মাহে ১০০ টকাকৈ দিবলৈ গ'লে আমাৰ অৰ্থনীতিত কেনে আঘাট পৰিব আৰু আন এটা দিশত সমাজৰ দুৰ্নীতিক প্ৰশ্ৰয় দিয়া হ'ব। সেই কথাও দকৈ ভাবি চাব লাগিব। এই বিষয়ে ইয়াৰ আগতে কেবাজনো মাননীয় সদস্যই কৈ গৈছে যে এটা সময়ত আমাৰ ইয়াত ১০ টকা দিলেই ভেচেকটমীৰ কাৰণে মানুহ পোৱা যায়, গতিকে যদি আৰ্থিক সাহাৰ্য্য আগবঢ়োৱাৰ কথা আহে তেতিয়া হলে আমাৰ মানুহৰ মাজত নানা ধৰণৰ নৈতিক অধঃপতন আহি পৰিল। তাৰ পাছত চাওক আমাৰ

ৰাজনৈতিক পেঞ্চন ইত্যাদি আদায় কৰাৰ কাৰণে বহুতো গৰু চোৰ, ছাগলী চোৰেও স্বাধীনতা যুদ্ধত কাৰাবাস খাটা বা তেনে ধৰণৰ নির্য্যাতন ভোগা বুলি কৈ ফল্‌চ চাৰ্টিফিকেট লৈ ভুৱা নাম দি ৰাজনৈতিক পেঞ্চন ভোগ কৰাও দেখা গৈছে। গতিকে তেনে অৱস্থাত যদি এই প্ৰস্তাৱটো গ্ৰহণ কৰা হয় তেতিয়াহলে এনেধৰণৰ ভুৱা প্ৰমাণপত্ৰ ইত্যাদি দি ৰাইজৰ ধন লুণ্ঠন কৰাৰ ব্যৱস্থা চলিব। যাৰ ল'ৰা-ছোৱালী তিনিটা আছে সিয়ো ভুৱা চাৰ্টিফিকেট দি ৬।৭ টা দেখুৱাবলৈও কুণ্ঠা-বোধ নকৰিব। ফলত আমাৰ মানুহৰ মাজত নানা ভাবে দুৰ্নীতি সোমাই পৰিল। এইবিলাক কথাৰ প্ৰতি দৃষ্টি দিলে দেখা যায় যে এই প্ৰস্তাব গ্ৰহণ কৰিলে এফালে যেনেকৈ দুৰ্নীতিক প্ৰশ্ৰয় দিয়া হ'ব, আনহাতেদি আমাৰ ৰাজ্যখনৰ দুৰৱস্থালৈ চাই ইমান সৰহ সংখ্যাৰ টকা খৰচ কৰাটোও কোনোমতে সম্ভবপৰ ন'হব। তাৰ পিচত যিজন মানুহৰ ৫টা ল'ৰা-ছোৱালী থাকিব, তেওঁৰ ৫ টাৰ বাবে ১০০ টকাকৈ ৫০০ টকা পাব, গতিকে সেই মানুহজনৰ পৰিয়ালটো কোনো প্ৰকাৰে চলি যাব; কিয়নো আমাৰ যিসকল চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল আছে তেওঁলোকেতো তাতোকৈ কম টকাৰেই কেৱা-টাও ল'ৰা-ছোৱালী পুহি আছে। গতিকে যেতিয়া বিনা কামতে টকা ৫৭০ পাই তেতিয়াহলে তেওঁলোকৰ আৰু কামৰ প্ৰতি ধাউতি নাথাকিব আৰু তেওঁলোক এলেহুৱা হৈ পৰিব আৰু নিস্কৰ্মা হৈ যাব।

আহোম ৰজাৰ দিনত কিছুমান ধোদ হৈছিল, শেষত গৈ ধোদ সংখ্যা বৃদ্ধি হ'ল—কিন্তু ৰজাই কিমান খুৱাৰ? সেই কাৰণে প্ৰকৃততে সেইবিলাক ধোদ হয় নে, নহয় আৰু প্ৰকৃত ধোদ কোন সেইটো প্ৰমাণ কৰিবলৈ এটা ঘৰত গোটেই-বিলাক সোমোৱাই জুই লগাই দিলে। শেষত জুই লগাই দিয়াত প্ৰকৃত ধোদ কোন ধৰা পৰিল। প্ৰকৃত ধোদ তাত কেইটা ওলাল? প্ৰকৃত ধোদ দুটাহে ওলাল। পি-পো আৰু পি-শো (অৰ্থাৎ পিঠি পুৰিছে—সিফালে শু)।

এই দুটা ধোদৰ বাহিৰে বাকী বিলাক ভুৱা ধোদ ওলাল। ঠিক তেনেকৈ আজি এনে এটা অৱস্থাৰ সৃষ্টি হ'ব—যদি এই প্ৰস্তাৱটো সদনত গৃহীত কৰি লয়। নিস্কৰ্মাৰ সংখ্যা বেছি হ'ব—ওপৰতে ল'ৰা-ছোৱালীৰ নামত টকা ল'ব—জনসংখ্যা বৃদ্ধি হ'ব। জনসংখ্যা সীমিত কৰণক পৰিয়াল পৰিকল্পনা বুলি নকৈ বৰ্ত্তমান চৰকাৰে পৰিয়াল কল্যাণ বুলি কৈছে। পিচে এই প্ৰস্তাৱটো গৃহীত হলে পৰিয়াল পৰিকল্পনাৰ ঠাইত এই প্ৰস্তাৱটো ল'লে পৰিয়াল অকল্যাণহে হ'ব। কাৰণ টকাৰ সংখ্যা বাঢ়িব আৰু টকা বেছিকৈ লবলৈ সকলোৱে চাব আৰু টকা বেছিকৈ বঢ়াবলৈ যাওঁতে ল'ৰা-ছোৱালীৰ সংখ্যাও বাঢ়িব। ত্যৰোপৰি হয়তো ৫ টা ল'ৰা-ছোৱালীৰ ঠাইত ৭ টা ল'ৰা-ছোৱালী হ'ব এইবোৰ আমি দেখিবলৈ পাইছো। কোনো কোনোৱে বহু-বিবাহৰ কথা কৈছে; অৱশ্যে হিন্দু বৈবাহিক আইনমতে সেইটো সম্ভৱপৰ নহব—কথা ওলোৱাৰ কাৰণেহে কলো। কিন্তু হিন্দুৰ বাহিৰে মুছলমান বা খৃষ্টীয়ান সকলৰ ক্ষেত্ৰত কোনো বাধা নাথাকিব— তেওঁলোকৰ ইচ্ছামতেই বিয়াবাৰু চলি থাকিব। গতিকে এই কথাবোৰৰ প্ৰতি লক্ষ্য ৰাখি আমি দেখা পাইছো যে এই প্ৰস্তাৱটো কোনোমতেই সদনত গ্ৰহণ যোগ্য নহয়। তাৰ পৰিবৰ্ত্তে আমি এটা কথা ক'ব পাৰো যে মাননীয় সদস্য জীৱন বৰা ডাঙৰীয়াই যিটো সংশোধনী সংকল্প প্ৰস্তাৱ আনিছে সেইটো ল'লে ইয়াতকৈ বৈছি কাৰ্য্যকৰী হ'ব। কাৰণ সেই সংশোধনীত কোৱা হৈছে যে—যিহেতুকে ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে প্ৰয়োজনীয় যিখিনি বস্তুৰ অভাৱ—সেইখিনি পূৰণ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৰ্থাৎ যেনেকৈ কিছুমান ল'ৰা-ছোৱালী আছে—কিতাপৰ অভাৱ, ফলিৰ অভাৱ আৰু বহী-পেন্সিলৰ অভাৱত স্কুললৈ মাক বাপেকে পঠাব পৰা নাই। সেই কাৰণে সেই ছাত্ৰ-ছাত্ৰীক যাতে কিতাপ কাগজৰ ব্যৱস্থা কৰি দিয়া যায়, কাগজ কলমৰ ব্যৱস্থা কৰি দিয়া যায় আৰু পোছাক-পৰিচ্ছদৰ ব্যৱস্থা কৰি দিয়া যায়—

তাৰ কাৰণে মাননীয় সদস্য শ্ৰীজীৱন বৰাৰ সংশোধনী প্ৰস্তাৱ টোহে অধিক কাৰ্য্যকৰী হ'ব। পোছাক-পৰিচ্ছদৰ ক্ষেত্ৰত মই আমাৰ ওচৰ চুবুৰীয়া গাৱঁত থকা আমাৰ ওচৰৰ কেইজনমান মানুহ পাইছো—যাৰ ল'ৰা-ছোৱালী চোকা, পঢ়াত ভাল—কিন্তু মাক বাপেকে কিতাপ-পত্ৰ দিব পৰা নাই আৰু কিতাপ-পত্ৰ নোহোৱাৰ কাৰণে স্কুললৈ নপঠায় পঢ়া বন্ধ কৰি দিয়া আমি দেখিছো। আনফালে দেখিছো ইউনিফৰ্ম সাধাৰণতে এটা ছোলা আৰু এটা পেণ্ট—এইখিনি দিব নোৱাৰাৰ কাৰণে ল'ৰা-ছোৱালীৰ স্কুললৈ যোৱাটো বন্ধ কৰি দিছে। দিনৰ পাছত দিন সপ্তাহৰ পাছত সপ্তাহ আৰু মাহৰ পাছত মাহ ধৰি ল'ৰা-ছোৱালী স্কুললৈ পঠাবলৈ মাক-বাপেকে পোছাক-পৰিচ্ছদ যোগাৰ কৰি দিব নোৱাৰে। নঠাহৈ ল'ৰা-ছোৱালী কেতিয়াও স্কুললৈ যাব নোৱাৰে। গতিকে এই ল'ৰা-ছোৱালী বোৰ শিক্ষালাভৰ পৰা বঞ্চিত হৈ আছে। এই কথাখিনিলৈ লক্ষ্য কৰি অধ্যক্ষ মহোদয়, মই বেছি সময় লব খোজা নাই—গতিকে ইমানকে কৈ মই শ্ৰীহুদা ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো—যাতে চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা ল'ব পাৰে। আমাৰ সমাজত শিক্ষাৰ প্ৰসাৰতা বঢ়াব লাগে আৰু এই শিক্ষাৰ প্ৰসাৰতা বঢ়োৱাই আমাৰ সকলোৰে লক্ষ্য। গতিকে গোটেই ৰাজ্যত যি নিৰক্ষৰতা আছে সেই নিৰক্ষৰতা দূৰ কৰিবলৈ হলে, মাননীয় সদস্য শ্ৰীজীৱন বৰাই উত্থাপন কৰা সংশোধনী প্ৰস্তাৱটোহে আমি গ্ৰহণ কৰিব লাগিব। এইখিনি কৈ অশেষ ধন্যবাদেৰে মোৰ বক্তব্য সামৰিলোঁ।

শ্ৰীনগেন বৰুৱা :— মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াই অনা প্ৰস্তৱটো বিৰোধীতা কৰি মাননীয় সদস্য শ্ৰীজীৱন বৰা ডাঙৰীয়াই উত্থাপন কৰা সংশোধনী প্ৰস্তাৱটোৰ সমৰ্থনত দুআষাৰমান কথা কবলৈ উঠিছো।

আজি যিটো প্ৰস্তাৱ আহিছে এইটো আলোচনাৰ কাৰণে অতি লাগতিয়াল প্ৰস্তাৱ। কিন্তু এই প্ৰস্তাৱটো যি ধৰণে আহিছে

আৰু ইয়াৰ কাৰ্য্য-কাৰিতাৰ সম্পৰ্কে—বিশেষকৈ যিটো পন্থাৰে সৈতে সমাধান কৰিব বিচাৰিছে— সেইটো আচলতে এই ধৰণে সমস্যা সমাধান কৰিব পৰা নহয়। সেই পন্থাটো বিচাৰ কৰি চাব লাগিব।

উপাধ্যক্ষ মহোদয়, আমাৰ ভাৰতত যিখন সংবিধান আছে সেইখন ১৯৫০ চনতেই গ্ৰহণ কৰা হৈছিল আৰু এই সংবিধান-খন গ্ৰহণ কৰোতে এইটো কথা কোৱা হৈছিল যে - আমাৰ যিবিলাক শিশু ৫ বছৰৰ পৰা ১৪ বছৰৰ ভিতৰত আছে— সেই লৰা-ছোৱালীবিলাকক বিনামূলীয়া শিক্ষা দিয়া হব আৰু নিৰক্ষৰতা দূৰীকৰণ কৰা হব—১০ বছৰৰ ভিতৰত অৰ্থাত ১৯৫০ চনৰ পৰা ১৯৬০ চনৰ ভিতৰত এই প্ৰস্তাৱটো —প্ৰস্তাৱেই নহয় সং-বিধানৰ সংকল্প আৰু সংবিধানত থকা গোটেই জাতিটোৰ কাৰণে গৃহীত কৰা সংকল্পটো কাৰ্য্যকৰী নকৰিলে। আচৰিত কথা ১০ বছৰৰ ভিতৰত অৰ্থাত ১৯৬০ চনৰ ভিতৰতটো কাৰ্য্যকৰী নহলেই— আনকি ১৯৭০ চনটো অৰ্থাত ২০ বছৰৰ ভিতৰতো কাৰ্য্যকৰী নহল—আৰু এতিয়া এই ১৯৭৭-৭৮ চনটো সংবিধানত গ্ৰহণ কৰা এই প্ৰস্তাৱটো কাৰ্য্যকৰী হোৱা নাই সংবিধানৰ যিটো আচল লক্ষ্য সেই লক্ষ্যত এতিয়ালৈকে উপনীত হব পৰা নাই। ইয়াৰ কাৰণ কি? ইয়াৰ মূল কাৰণ হল— যিসকলে সংকল্প লৈছিল আৰু সংকল্প লৈ চৰকাৰ পৰিচালনা কৰিছিল— তেওঁলোকৰ আচলতে কোনো দৃঢ়তা বা দৃঢ় পদক্ষেপ নাছিল। এই সংবিধানৰ প্ৰগতিৰ ক্ষেত্ৰত যিখিনি অন্তৰায় আছে বা শত্ৰু আছে— তাৰ ভিতৰত প্ৰথম আৰু প্ৰধান শত্ৰু হল নিৰক্ষৰতা আৰু অজ্ঞতা। এই অজ্ঞতা আৰু নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে যিটো প্ৰগতিমূলক আচল পন্থা বান্ধি লৈছিল আচলতে সেই পন্থাত এতিয়াও উপনীত হব পৰা নাই। চৰ-কাৰৰ দায়িত্ব আছিল— এইখন সমাজক বা এইখন দেশক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যিটো আচল শত্ৰু—সেই শত্ৰুক চিনি পোৱা আৰু চিনি পোৱা স্বত্বেও এই শত্ৰুক নিৰ্ম্মুল কৰিবৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা নললে। সময়ে সময়ে পঞ্চবাৰ্ষিক

পৰিকল্পনাত বিভিন্ন ধৰণে কেন্দ্ৰীয় বাজেটৰ লক্ষ্যত নানা ৰকমৰ টকা ধৰা হৈছে আৰু তাৰ বাহিৰেও বিভিন্ন সময়ত নানা প্ৰস্তাৱ, নানা অনুদান, অনুষ্ঠান প্ৰতিষ্ঠান আৰু চৰকাৰী বে-চৰকাৰী মাধ্যমত লোৱা হল—কিন্তু আচলতে নিৰক্ষৰতা দূৰ কৰিবৰ কাৰণে যিটো দৃঢ়তাৰ প্ৰয়োজন ঐকান্তিকতাৰে গ্ৰহণ কৰিব নোৱাৰিলে।

যদি সচাঁকৈয়ে দেশৰ পৰা নিৰক্ষৰতা দূৰ কৰিবলৈ বিচৰা হয় তেতিয়া হলে লক্ষ্যত উপনীত হবলৈ চৰকাৰী ভাৱে যদি কাৰ্য্যপন্থা লোৱা হয় তেতিয়াহলে কৃতকাৰ্য্য নোহোৱাৰ কোনো কাৰণ নাই। অৱশ্যে ইয়াৰ বাবে সকলো পৰ্য্যায়ৰ পৰা সহায়-সহযোগ একান্ত দৰকাৰ হব। আচলতে আগৰ চৰকাৰৰ নেতৃত্বৰ অভাৱতে ইমানদিন ধৰি নিৰক্ষৰতা থাকি গ'ল। গতিকে আমাৰ দেশত দৰিদ্ৰতা থাকি গ'ল। কিন্তু আচলতে কেৱল যে অৰ্থনৈতিক দুৰৱস্থাৰ কাৰণেই লৰা-ছোৱালীক স্কুললৈ পঠিওৱা নাই বা পঠিয়াবলৈ মন নকৰে সেইটো নহয় বহুত খেতি বাতি থকা মানুহ, বা সা-সম্পত্তি থকা মানুহেও নিজৰ লৰা ছোৱালীক স্কুললৈ নপঠিয়ায় বৰঞ্চ তাৰ সলনি নিজৰ যিটো বৃত্তি সেই বৃত্তিতহে লৰা-ছোৱালীক লগাই দিয়ে আৰু বেছিকৈ মনোনিবেশ কৰে। এনেকুৱা দৃষ্টান্ত বহুত আছে। এইটো অৰ্থনৈতিক সমস্যা নহয়। ইয়াৰ প্ৰধান আৰু প্ৰথম কাৰণ হ'ল সামাজিক দৃষ্টিভঙ্গী। সামাজিক কেৰোণ বিলাক আতঁৰাব পাৰিলেই তেনেকুৱা এটা পৰিবেশ গঢ়ি উঠিব। সেই পৰিবেশৰ অভাৱৰ কাৰণেই আজি ত্ৰিশ বছৰ পিচতো সেই আগৰ অৱস্থাই থাকি গৈছে। ১৯৭২ চনত মাত্ৰ শতকৰা আঠাইশ জন শিক্ষিত হৈছে বাকী বাসত্তৰ জন নিৰক্ষৰ থাকি গৈছে। অৰ্থাৎ এইটো কথাই ঠিক কেৱল অৰ্থনৈতিক অৱস্থাৰ কাৰণে এই অৱস্থা হোৱা নাই, ইয়াৰ মূলতে নেতৃত্বৰ অভাৱ আৰু যি পৰিকল্পনাৰ যোগে এই কাম কৰিবলৈ কাৰ্য্যপন্থা হাতত লৈছে সিবিলাক ঠিক নহয়। মাননীয় সদস্য সকলে শিশুৰ শিক্ষাৰ কাৰণে

মাক বাপেকক এশ টকাকৈ দিয়াৰ যিটো কথা আগঢ়াইছে সেইটো থিওৰিকেলি সত্য হলেও বাস্তৱত সত্য নহয়। নগদ ধন নিদিলে স্কুললৈ আহিব নোৱাৰে এইটো সত্য হব নোৱাৰে। আচলতে স্কুলৰ পৰিবেশ ভাল কৰিব লাগিব। স্কুললৈ অহা এটা পৰিবেশ সৃষ্টি কৰিব লাগিব মধ্যাহ্ন ভোজনৰ ব্যৱস্থা আৰু স্কুলৰ কাপোৰ-কানি, পোচাক আদি দি দিয়াটো এটা সামাজিক পৰিবেশ গঢ়াত সহায়ক হব কিন্তু শিক্ষাবিভাগৰ পৰা বাধ্যতামূলকভাবে শিক্ষা দিয়াৰ যিটো ব্যৱস্থা কৰা হৈছিল সেই পৰিস্থিতিয়েও প্ৰকৃত পৰিবেশৰ সৃষ্টি কৰিব নোৱাৰিলে। চৰ অঞ্চলত ব্যাপক দৰিদ্ৰতা আছে আৰু উজনী অসমৰ চাহবাগানৰ এলেকাতো আছে। মাক বাপেক বা আন কেইবা-জনো লোকে যদিও কৰ্ম্মক্ষম আৰু উপাৰ্জন কৰে তথাপিও লৰাছোৱালীক স্কুললৈ নপঠিয়ায়। স্কুললৈ শিক্ষকেও এবেলা যদি লৰা ছোৱালী পঢ়ুৱায় আন এবেলা বাগানতে কেৰাণী বা মহৰীৰ কাম কৰিবলৈ যায়। এই ব্যৱস্থাৰে বাগানৰ মাজত লৰা-ছোৱালীৰ নিৰক্ষৰতা দূৰীকৰণ কৰিব নোৱাৰি। লৰা-ছোৱালীক আকৰ্ষণ কৰিব পৰা এটা পৰিবেশৰ সৃষ্টি কৰিব লাগিব। প্ৰথমতে যদিও এজন শিক্ষকৰ কাৰণে চল্লিশ জন ছাত্ৰ-ছাত্ৰীৰ ফৰ্ম্মুলা মানি লৈ নতুন স্কুল খোলা হয় কিন্তু পিচত গৈ ত্ৰিশ পচিশ বা ছয় সাত জন ছাত্ৰ-ছাত্ৰী হয়গৈ। মাননীয় সদস্য শ্ৰীজীৱন বৰা ডাঙৰীয়াই নগদ পইচা দিয়াৰ সলনি মধ্যাহ্ন ভোজন বা কানি-কাপোৰ দিয়াৰ যিটো সংশো-ধনী আনিছে সেই সংশোধনীটো সমৰ্থন কৰিছো আৰু আমি আমাৰ দেশৰ সকলো শিশুকে শিক্ষা দিয়াটো লক্ষ্য হিচাবে লৈ আগবাঢ়িব লাগিব আৰু শিশুৰ শিক্ষাৰ কাৰণে মনোযোগ দিব লাগিব। ইয়াকে চৰকাৰৰ প্ৰতি আহ্বান জনাই এই সংশোধনীটো সমৰ্থন জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা মন্ত্ৰী ) : মাননীয় উপাধ্যক্ষ মহোদয়, আজি কেবাদিনো ধৰি মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱ-

টোৰ ওপৰত পবিত্ৰ সদনত বিভিন্ন মাননীয় সদস্যই বহুত ধৰণৰ আলোচনা আগবঢ়াইছে আৰু সেই আলোচনাৰ পৰা দেখা গৈছে যে প্ৰায়বিলাক সদস্যই অভিভাবক সকলক ধন দিয়াৰ পৰিবৰ্ত্তে ছাত্ৰ-ছাত্ৰী সকলক পঢ়াৰ সা-সুবিধা, মধ্যাহ্ন ভোজন, বিনামূলীয়া পোছাক আদি দিয়াৰ বিষয়ে কিছু কথা অবতাৰনা কৰিছে আৰু লগতে মাননীয় সদস্য শ্ৰীজীবন বৰা ডাঙৰীয়াই এটা সংশোধনীও আগবঢ়াইছে। মই মাত্ৰ তেখেতক কব বিচাৰিছো যে বাস্তবিকতে তেখেতৰ প্ৰাথমিক শিক্ষাৰ প্ৰতি ধাউতি দেখি মই তেখেতক শলাগ ও ওলগ জনাইছো। আমাৰ যিমান স্কুলৰ সংখ্যা আছে আৰু ছাত্ৰ ছাত্ৰীৰ সংখ্যা আছে আজিৰ দিনত তেনেহলে প্ৰায় ২২৪ কোটি টকা এই ব্যৱস্থাৰ কাৰণে দৰ্কাৰ হব তদুপৰি ২ হাজাৰ ভেনচাৰ স্কুল আছে তাতো যদি ৮০ জনকৈ ছাত্ৰ ছাত্ৰী ধৰো তেনেহলে ১৬০ হাজাৰ নতুন শিশু প্ৰাথমিক স্কুলৰ ছাত্ৰ ওলাব তাৰ কাৰণে আকৌ ১ কোটি ৬০ লাখ টকাৰ প্ৰয়োজন হব। গতিকে দেখা যায় প্ৰায় ৪০০ কোটি ধন হলেহে এই ব্যৱস্থা হয়তো কৰিব পৰা হব। এনেস্থলত এই প্ৰস্তাৱটো যিমানেই মনোগ্ৰাহী নহওক কিয় বাস্তৱ ক্ষেত্ৰত পালন কৰিবলৈ বৰ অসুবিধা হব। কাৰণ ইতিমধ্যে আগৰ চৰকাৰে বা আজিৰ চৰকাৰেও প্ৰাথমিক শিক্ষাৰ ওপৰত যথেষ্ঠ গুৰুত্ব আৰোপ কৰি আহিছে আৰু যাতে অহা ২ বছৰৰ ভিতৰত সকলো ল'ৰা-ছোৱালীয়ে পঢ়িবৰ সুবিধা পায় তাৰ কাৰণে আচনি গ্ৰহণ কৰা হৈছে। আমাৰ এজনীয়া শিক্ষক থকা স্কুল আছে, ২ হাজাৰ ভেনচাৰ স্কুল আছে আৰু ২৫০ হাজাৰ স্কুল নথকা গাওঁত স্কুল পাতিব লাগে আৰু সেই স্কুলৰ কাৰণে শিক্ষক নিয়োগ কৰা সমস্যাকে ধৰি আমাৰ ৰাজহৰ গোটেইখিনি টকা প্ৰাথমিক স্কুলতে শেষ হব আৰু তেতিয়া আন আন উন্নয়নৰ কাৰণে ধনৰ অকুলন হব। মই দিঘলীয়া বক্তৃতা নিদিও সেই কাৰণে মই মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াক এই প্ৰস্তাৱটো বৰ্ত্তমান সময়ত সদনৰ পৰা উঠাই লবলৈ অনুৰোধ কৰিছো।

প্ৰাথমিক শিক্ষাৰ প্ৰতি ইতিমধ্যে জনতা চৰকাৰে যি নীতি গ্ৰহণ কৰিছে বা ঘোষণা কৰিছে তাৰ লগত সহযোগ কৰিলে হয়তো বহুত ক্ষেত্ৰতে শিক্ষা আগবাঢ়ি আহিব। গতিকে মই বেছি নকওঁ তেখেতে আগবঢ়োৱা পৰামৰ্শৰ বাবে ধন্যবাদ জনাই তেখেতৰ প্ৰস্তাৱটো সদনৰ পৰা উঠাই লবলৈ অনুৰোধ কৰিলো।

(At 3.22 p.m. Hon'ble speaker returned to the Chamber and occupied the Chair)

*মঃ চামচুল হুদা ঃ — মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে যিখিনি কথা কলে সেইখিনি কথাৰ কাৰণে ধন্যবাদ জনাইছো আৰু যি সকল মাননীয় সদস্যই ইয়াত অংশ গ্ৰহণ কৰি তেখেত সকলৰ বক্তব্য ৰাখিলে তেখেত সকলকো ধন্যবাদ জনাইছো। লগে লগে মাননীয় মন্ত্ৰী মহোদয়ে প্ৰস্তাৱটো উঠাই লবলৈ কোৱাত আচৰিত হৈছো। এই প্ৰস্তাৱটো যেতিয়া মই উত্থাপন কৰো তেতিয়া পৰিস্কাৰভাবে কৈছিলো যে এই প্ৰস্তাৱৰ মূল উদ্দেশ্য হৈছে যোৱা ৩১ বছৰে যিবিলাক অভিভাবকে বা মাক-বাপেকে আজি পৰ্য্যন্ত স্কুললৈ পঠিয়াব পৰা নাই এই প্ৰস্তাৱৰ জৰীয়তে সেই সকল লৰা-ছোৱালী বা অভিভাৱকৰ কথাই কোৱা হৈছে। যি সকল লৰা-ছোৱালীয়ে আজি ৩১ বছৰে স্কুললৈ যাব নোৱাৰিলে বা লৰা-ছোৱালীৰ বয়স ৩১ বছৰ বা কাৰো-বাৰ ৩৫-৩৭ বছৰো হৈছে স্কুলৰ মুখ নেদেখিলে অৰ্থাৎ আউট চাইদ দি এডুকেচনেল ইনচটিটিউচন সেই সকলৰ কথাহে এই প্ৰস্তাৱৰ জৰীয়তে চৰকাৰক বিবেচনা কৰিবলৈ কোৱা হৈছে। শিক্ষা মন্ত্ৰী ডাঙৰীয়াই ২৪০ কোটিৰ অংক দেখুৱাই আমাক ভয় খুৱাইছে কিন্তু তাত ভয় খাবলগীয়া কথা নাই। কিছুদিন আগতে মই এজন শিক্ষাবিদ বা শিক্ষা বিষয়াৰ লগত আলো-চনা কৰিছিলো তেখেতে কৈছিল যে স্কুললৈ যাব নোৱাৰা এই বয়সৰ লৰা ছেৱোলী ২ লাখ মান হব, সেইটো আঢ়ৈ লাখ বা

* Speech not corrected

তিনিলাখ হব পাৰে কিন্তু মই এতিয়া পঢ়ি থকা শিশুৰ কথা এই প্ৰস্তাৱত কোৱা নাই। যি সকলে টকা পইচাৰ অভাৱত স্কুলত যাব নোৱাৰি লোকৰ গোলামী খাটিছে, ফুট পাথত কিবা এটা কৰিছে যি সকলক স্কুললৈ যোৱাৰ অধিকাৰ দিয়া নাই সেই সকলৰ কথা চিন্তা কৰিহে এই দৃষ্টিভঙ্গি ৰখা হৈছিল। গতিকে ২৪০ কোটিৰ ভয় দেখুৱালে নহয় এইটো খুব বেছি বাস্তৱ হৈছে বুলি নাভাবো। এই প্ৰস্তাৱৰ উদ্দেশ্য হৈছে যি সকলে টকা-পইছাৰ অভাৱত সাধাৰণ জ্ঞানকনো বা ভাষাখিনিও নোৱাৰিলে তেওঁলোকৰ কথাহে কৈছো। সিদিনাখন কোনোবা এজন সদস্যই আলোচনাত অংশ গ্ৰহণ কৰি এই প্ৰস্তাৱটো অবাস্তব বুলি কৈছে। যদি এইটো অবাস্তবেই হয় যি সকলে আজি ৩১ বছৰে টকা পইছাৰ অভাৱত স্কুল নেদেখিলে বা পঠিয়াব নোৱাৰিলে তেনেকুৱা কথা এটাও যদি অবাস্তৱ হয় তেনেহলে কি বাস্তাৱ বুজি নাপালো। যি সকলে অভাৱৰ তাড়নাত সাধাৰণ আহিলাখিনি সংগ্ৰহ কৰিব নোৱাৰিলে তাক অবাস্তব বুলি কোৱাত আমি দুখ পাইছো।

*অতুল চন্দ্ৰ গোস্বামী ঃ— মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰস্তাৱ সদনত উত্থাপিত কৰিছিল তাত এই ধৰণৰ কথা নাছিল তাত তেখেতে কৈছিল— among the poor masses of the state, each father or mother, as the case may be. গতিকে তেখেতে এতিয়া যিটো কথা কৈছে এইটো প্ৰস্তাৱৰ লগত বেলেগ। এতিয়া উত্তৰৰ সময়ত যদি এনেকৈ কয় আচৰিত যেন লাগে।

*মঃ চামচুল হুদা ঃ— মই যেতিয়া প্ৰস্তাৱটো উত্থাপন কৰি বক্তৃতা দিও তেতিয়া বোধকৰো সদস্য গৰাকী উপস্থিত নাছিল।

*শ্ৰীগোলক কাকতী ঃ— মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া কোনো এটা প্ৰস্তাৱ সদনত উত্থাপন কৰা হয় তেতিয়া সেই প্ৰস্তাৱটোত যিখিনি

* Speech not corrected

লিখা থাকে সেইখিনিহে আচল, প্রস্তাৱটো উত্থাপন কৰি বহুত কথাই কব পাৰি, সেইখিনি আচল হব নোৱাৰে। প্ৰস্তাৱটোৰ ভাষা গঠনৰ কথাহে আচল কথা তাৰ পিচত আন কথা কবলৈ গলে সদনক বিভ্ৰান্ত কৰা হয়।

* মঃ চামচুল হুদা ঃ— মাননীয় সদস্য গৰাকীয়ে ঠিকেই কৈছে যে লিখিত আকাৰে যি দিয়া সেইটো হব কিন্তু প্ৰস্তাৱটোৰ উদ্দেশ্য কি? তাত সংশোধনী অনাৰ অধিকাৰ আছে কিন্তু একেবাৰে লিখিত কথাটোতে লাগি থাকিব এনে নহয়, উদ্দেশ্যটোও চাব লাগে। বহুত সমস্যাই ছাত্ৰ ছাত্ৰী সকলক সুবিধা দিয়াৰ কথাও কৈছে কিন্তু মোৰ মূল প্ৰস্তাৱৰ উদ্দেশ্য হৈছে ল'ৰা-ছোৱালী সকলক সকলো প্ৰকাৰে স্কুলৰ শিক্ষা দিয়া আৰু সেই পৰিপ্ৰেক্ষিতত শিক্ষা মন্ত্ৰীয়ে যিটো সংখ্যা দাঙি ধৰিছে ২৪০ কোটি বুলি মোৰ বোধেৰে আচল হিচাব বা চাৰ্ভে কৰিলে তাৰ সংখ্যা বহুত কম হব।

অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰীয়তে মাননীয় সদস্যক এটা অনুৰোধ কৰিব খুজিছো যে আমাৰ দেশৰ গৰীৱ সকলক অন্ততঃ বিশ্বাস কৰক আৰু কৰিবলৈ চেষ্টা কৰা উচিত। ল'ৰা ছোৱালীক শিকাবলৈ যাওঁতে দুৰ্নীতি কৰিব। যাৰ তিনিটা ল'ৰা-ছোৱালী আছে তাৰ ঠাইত চাৰিটা কৰিব, বিয়া বেছি হ'ব—এই কথাবোৰ আহিছে—যাহওক, চৰকাৰে জৰীপ কৰিব কোন ল'ৰা-ছোৱালী স্কুললৈ যায় আৰু কোনবিলাক নাযায়। ইয়াৰ স্কুলৰ মাষ্টৰে চাৰ্টিফিকেট দিব কোনটো ল'ৰা স্কুললৈ আহে আৰু কোনটো নাহে। এই প্ৰশ্ন বিলাক সমাধান কৰাৰ মেচিনাৰী আছে আৰু সেই মেচিনাৰীয়ে সহায় কৰিব।

* শ্ৰীভবেন শইকীয়া ঃ—অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। মাননীয় সদস্য গৰাকীয়ে সেই কথাটো কওঁতে মই ক'ব খোজো যে এতিয়ালৈকে যিমানবিলাক তথ্য-পাতি আমি পাইছো চৰকাৰী

* Speech not corrected

ভাৱে সেইবিলাক অশুদ্ধ। তাৰ বাবে মই চৰকাৰী বিষয়াক জগৰীয়া কৰিব খোজা নাই। মানুহে নিজৰ স্বাৰ্থৰ খাতিৰত তেনে ধৰণৰ অশুদ্ধ তথ্য-পাতি দিবলৈ চেষ্টা চলাই আহিছে। এই কথাষাৰৰ প্ৰতি মই মাননীয় সদস্যজনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

* মঃ ছামছুল হুদা ঃ—অধ্যক্ষ মহোদয়, মাননীয় সদস্যক মই তাৰ কাৰণে ধন্যবাদ জনাইছো। ইয়াৰ যোগেদি আলোচনা প্ৰসঙ্গত আৰু বহুতো সমস্যাই কৈছে। মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামীয়ে কৈছে আৰু জীৱন বৰা ডাঙৰীয়াই সংশোধনটো আনিছে। চৈয়দা আনোৱাৰা টাইমুৰেও এটা সংশোধনী আনিছে, টাইমুৰৰ সংশোধনীটো মই গ্ৰহণ কৰিব পৰা নাই। তেখেতৰ প্ৰস্তাৱত বাহিৰত থকা ল'ৰা-ছোৱালীক সুবিধা দিয়াৰ কথা কৈছে। মোৰ প্ৰস্তাৱত সেই সকলক সুবিধা দিয়াৰ কথা কৈছো।

অধ্যক্ষ মহোদয়, আমাৰ দেশৰ সমাজৰ পৰিবৰ্ত্তন ঘটাবলৈ, দেশৰ উন্নতি সাধন কৰিবলৈ অন্ততঃ প্ৰাথমিক শিক্ষাৰ প্ৰয়োজন। কৃষি সম্প্ৰসাৰণ ঘটাবলৈ হলে আমাৰ কৃষি মন্ত্ৰী শ্ৰীবৰা ডাঙৰীয়াই সাৰ কেনেকৈ প্ৰয়োগ কৰা হ'ব সেই কথা শিকাবলৈ হলেও প্ৰাথমিক শিক্ষাৰ প্ৰয়োজন হব। সমবায়ৰ ক্ষেত্ৰতো প্ৰাথমিক শিক্ষাৰ প্ৰয়োজন। সেই কাৰণে মই কৈছো দেশৰ অৰ্থনৈতিক অৱস্থাৰ পৰিবৰ্ত্তন কৰিবলৈ বা সমাজৰ সামগ্ৰিক পৰিবৰ্ত্তন কৰিবলৈ সাধাৰণভাৱে হলেও প্ৰাথমিক শিক্ষাৰ প্ৰয়োজন হয়। যিমান দিনলৈ আমি প্ৰাথমিক শিক্ষা দিব নোৱাৰো তেতিয়ালৈকে কৃষি বিপ্লৱ, অৰ্থনৈতিক বিপ্লৱ, আদি হ'ব। সেই কাৰণে মোৰ উদ্দেশ্যটো হৈছে সেই সকলক কেনেকৈ স্কুললৈ আনিব পৰা যায় তাৰ ব্যৱস্থা কৰা।

মাননীয় অধ্যক্ষ ঃ—মাননীয় সদস্যই প্ৰস্তাৱটো উঠাই লয় নে নলয় সেই সম্পৰ্কেহে কব লাগিছিল। তেখেতে জানে যে এই প্ৰস্তাৱটোৰ ৰাইট

* Speech not corrected

অৰ ৰিপ্লাই নাই। গতিকে তেখেতে সংক্ষেপ কৰা উচিত।

( ধনী—আছে )

কোনোবাই কৈছে আছে, 283 (3) provides that nothing in this Sub-rule shall be deemed to give any right of reply to the neover of an amendment to a Bill or resolution save with the permission of the Speaker.

* মঃ ছামচুল হুদা ঃ— অধ্যক্ষ মহোদয়, মই প্ৰায় শেষেই কৰিব খুজিছোঁ। গতিকে এই প্ৰস্তাৱটোৰ উদ্দেশ্য হৈছে যি সকল স্কুললৈ যোৱা নাই সেই সকলক স্কুললৈ অনাৰ। মোৰ প্ৰস্তাৱটোৰ সম্পৰ্কত সদস্য শ্ৰীজীৱন বৰা ডাঙৰীয়াই যিটো সংশোধনী আনিছে সেইটো উঠাই লোৱাৰ কথা আছিল। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক কৈছো জীৱন বৰা ডাঙৰীয়াৰ সংশোধনীটো এটা চৰ্ত্তত মানি লব পাৰি। সেইটো হৈছে যিসকল ছাত্ৰ-ছাত্ৰী এতিয়ালৈকে স্কুললৈ অহাৰ কোনো সুবিধা হোৱা নাই সেই সকলৰ অভি-ভাৱকৰ সুবিধাৰ কাৰণে যদি প্ৰস্তাৱ থাকে সেই চৰ্ত্তত গ্ৰহণ কৰিব পৰা যায়।

* শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষা মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এতিয়া প্ৰস্তাৱটো সংশো-ধনীত সন্নিবিষ্ট কৰি সদনত আগবঢ়াবলৈ ইচ্ছা কৰিছে মই এই সংশোধনীৰে প্ৰস্তাবটো গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰিলো।

**Mr. Speaker:**— Very well. There are tow amendments, one in the name of Smti. Syeda Anwara Taimur, Shri Promode Gogoi and Shri Akram Hussain. The other amendment is there in the name of Shri Jibon Bora. Now, I put one by one. Han'ble member Smti. Taimur is absent, hon'ble members Shri Promode Gogoi and Sri Akram Hussain are also absent ; so the amendmente stand withdraw.

**Shri Giasuddin Ahmed :**— Sir, I think all the amendments were moved. Now the question is to be put before the House whether

* Speech not Corrected.

the amendment are accepted or not. The amendments have already been moved in the House and these are the property of the House.

**Mr. Speaker :—** If the mover of the motion is absent it will be considered to have been withdraw by him unless any member ask the question be put.

**Shri Giasuddin Ahmed :—** Sir, the amendment moved should be put.

**Mr. Speaker :—** As I have already said it stands withdraw because of their absence. Shall we accept it as withdraw.

( After pause )

It is withdrawn. The next amendment is by Shri Jiban Bara. Now I put the amendment moved by Shri Jiban Bora that after the word "State". in the fourth line in the Resolution No. 3 the words "each father or mother, as the case may be, be paid a monthly educational allowance of Rs. 100.00 for each of his sons and daughters" be substituted by the words "all necessary facilities be provided to poor parents of the students". (after a pasue) The amendment is carried.

Now I put that the Resolution No. 3 as accepted by the House. (after a pause). The Resoltion No. 3 as mended is passed.

Now there are other resolution. Next comes the Resolution No 4 by Shri Dipak Bhattacharjee.

**Shri Dipak Bhattacharjee :—** Mr. Speaker, Sir, I beg to move that this Assembly do recommend to the State Government for arranging food for work programme in the country side during lean season of June, July, August September every year to give relief to the poor and landless cultivatoers from the clutches of money lenders and usurpers bare subsistence.

মাননীয় অধ্যক্ষ মহোদয়, এই যে রিজলিউশন, এই রিজলিউশনের অত্যন্ত গুরুত্ব রয়েছে। বিশেষ করে আসাম রাজ্যের গ্রাম্যঞ্চলের শ্রমজীবি ও বেকার মানুষের যে সমস্যা

সেই সমস্যার পরিপ্রেক্ষিতে এক গুরুত্ব রয়েছে। এশিয়ার বিকাশমান দেশ গুলিতে কোটি কোটি ক্ষেত মজুর এবং গরীব কৃষকেরা সামন্তবাদী জমিদার পুঁজিপাতি ও মহাজনদের দ্বারা অমানুষিক ভাবে শোষিত হন। ভারতবর্ষের পরিস্থিতির সঙ্গে এর মূল্যায়ন ঠিকভাবে সঙ্গতিপূর্ণ। বিশ্বপূজিবাদের এই পতনের যুগে বৃহৎ বুর্জোয়াদের দ্বারা পরিচালিত আমাদের দেশের শাসক শ্রেণীর অনুসৃত পূজিবাদী বিকাশের নীতির ফলশ্রুতিতে আজ গোটা ভারতবর্ষের সঙ্গে সঙ্গে আমাদের আসাম রাজ্যের অর্থনীতিক সংকট আরো ঘণিভূত হয়েছে। তারাই অভিব্যক্তি হয়েছে ভূমি সংক্রান্ত ক্ষেত্রে। আমাদের জনসংখ্যার শতকরা ৮০ ভাগ মানষ থাকে গ্রাম্যঞ্চলে। এই ৮০ ভাগ মানুষের মধ্যে শতকরা ৭০ ভাগ জমিহীন এবং গরীব কৃষক। এদের অবস্থা দিনে পর দিন খারাপ হয়ে যাচ্ছে। আর অন্যদিকে আমাদের দেশের শতকরা ৫ ভাগ লোকের হাতে শতকরা ৪০ ভাগ জমি কেন্দ্রীভূত হয়েছে। গ্রাম্যঞ্চলের প্রায় শতকরা ৬০/৭০ ভাগ লোক যারা শ্রমজীবি কৃষক এবং ক্ষেত মজুর ওরা কার্য্যত জমিহীন, বেকারের পর্যায়ে পড়েন। তাছাড়া, আমাদের আসাম রাজ্যের ক্ষেত মজুরের সংখ্যা শতকরা ৩৫ ভাগ থেকে ৪০ ভাগ হবে। তীব্র বেকারী, গোলামীর বন্ধন, উচ্চহারের খাজনা ও গুরুতর ঋণের চাপে এই শ্রমজীবি মানুষকে আজ আচ্ছন্ন করে ফেলেছে। আজ আমাদের দেশের কোন কোন বিশেষজ্ঞ মনে করেন যে ভারতবর্ষের গ্রাম্য ও শহর মিলে ৬ কোটী বেকারের সংখ্যা উঠতে পারে। এদের মধ্যে গ্রাম্য বেকার বেশী। এবং ভারতবর্ষের এই ভয়াবহ বেকার সমস্যা থেকে আসাম আলদা নয়। আসাম রাজ্যেও আজ বেকারের বিরাট বাহিনী সৃষ্টি হয়েছে। গ্রামে-গঞ্জে, ক্ষেত-খামারে, শহরে-নগরে, অফিস-আদালতে, এমনকি এই বিধান সভার গেটের সামনেও আজ আওয়াজ শোনা যাচ্ছে যে, "কাজ চাই কাজ দাও-বাচর মতো বাচাতে দাও"। সুতরাং, আসামের বেকার সংখ্য তীব্র আকার ধারন করছে এবং আমরা দেখেছি যে গ্রামের যারা নিস্বলোক

তারা গোটা বত্সরের মধ্যে গড়ে কেবল একশত দিন কাজ পায়, আর বাকী দিন তাদের বেকার থাকতে হয়। তাছাড়া তারা যে মজুরি পায়, এই মজুরী অত্যন্ত নীচ হারের। এই মজুরি দিয়ে তাদের সংসার চলে না। একদিকে ভাগ্য পন্যের মূল্য বৃদ্ধি এবং অন্যদিকে ফসল উঠার সঙ্গে গরীব চাষীরা কাজদাসে ফসল বিক্রী করার ফলে ভীষণ ভাবে ঠেকে যায়। নিম্নতম যে মজুরীর আইন আছে, সেই আইন আজও কার্যকরী হয়নি। অন্যদিকে এইযে নিঃস্ব বেকার মানুষ তারা আজ টি বি এবং অন্যান্য দুরারোগ্য ব্যধিতে ভুগছে এবং পশুর মতো জীবন যাপন করছে। সুতরাং আজি কেও এই যে অবস্থা, এই অবস্থাই আমাদের গরীব ও বেকারদের কথা ভাবতে হবে। আজ এই গরীব ও বেকারগণ মহাজনদের খপ্পরে পড়ে অল্প পয়সায় তাদের শ্রমকে বিক্রী করতে বাধ্য হচ্ছে। অথচ এই গরীব কৃষক, এই বেকার লোক, যারা মাথার ঘাম পায়ে ফেলে ফসল উৎপাদন করে, সেই লোকেরা আজ বাঁচার মতো মজুরি পয় না। আজ যে জনতা সরকার আসাম রাজ্যে প্রতিষ্ঠিত হয়েছে, তার পেছনে ঐ গ্রামের গরীব, বেক'র কৃষকদের যথেষ্ট অবদান আছে। কারণ, গ্রামের গরীবলোক ঐ জনস্বার্থ-বিরোধী কংগ্রেস পার্টিকে পরাজিত করছে। কংগ্রেছকে পরাজিত করার ক্ষেত্রে এই গ্রামের নিঃস্ব লোকদের বিরাট ভূমিকা রয়েছে। সুতরাং এই দিক থেকে আজি আমরা আশা করবো যে এই নিঃস্ব লোক যে আশা আকাংশা নিয়ে জনতা সরকারকে গাদীতে বসিয়েছে, জনতা চরকার তাদের এই আশা আকাংশা পূরন করবেন। এদের দাবী বেশী কিছু নয়। এরা কেবল প্রাণে বাঁচতে চায়, দুইবেলা কেবল দুইমুঠি পেটভরে খেতে চায়। সুতরাং, এই যে ন্যূনতম দাবী, এই দবী পূরণ করবেন বলে আমরা জনতা সরকারের নিকট থেকে আশা করবো।

মহোদয়, আমরা দেখেছি, কংগ্রেস সরকারের ৩০ বতসরের রাজত্বের ফলে একদিকে কেবল জিনিষ পত্রের মূল্য বেড়েছে এবং গরীবের উপর ট্যাক্স বেরেছে, যার ফলে গ্রামের মাঝারি

কৃষক গরীব কৃষক হয়েছে আর গরীব কৃষক ক্ষেত মজুরে পরিণত হয়েছে, নিজের গতর খাটানো ছাড়া তাদের আর কিছু অবশিষ্ট নাই। তাই, আজ তারা বাধ্য হয়ে গ্রাম ছেড়ে শহরে এসে রিক্সা, ঠেলাগাড়ী ইত্যাদি চালিয়ে কোন রকমে টিকে থাকার সংগ্রাম করছে। এই অবস্থার ফলে আজ পিতা-মাতা তাদের রুগ্ন ছেলেকে ফেলে রেখে যায় কাজের সন্ধানে কিন্তু কোথাও কোন কাজ পায় না। সমস্ত দিন কাজের সন্ধানে ঘুরে ঘুরে সন্ধাবেলা খালিহাতে তাদের বাড়ী ফিরে আসতে হয়। শিশু পুত্রেরা একমুঠো অন্যের জন্য আর্তনাদ করে অথচ তাদের মুখে একমুঠো অন্ন দিতে পারে না। এ অবস্থায় তাদের মাথা ঠুকে ঠুকে ক্রন্দন ছাড়া আর কোন উপায় থাকে না। তেমনি ভাবে ক'ত শিশু না খেয়ে না খেয়ে মরছে তার হিসাব কে রাখে? আমরা অবশ্যে কংগ্রেস রাজত্বে শুনেছি অনাহারে কোন মৃত্যু হলে বলতেন, "অখাদ্য কুখাদ্য খেয়ে মরছে, না খেয়ে মরেনি"। তারা অনাহারের মৃত্যুর কথা স্বীকার করতেন না। আনহারে বহুলোকের মৃত্যু হওয়ার বাস্তব সত্যকে তার বরাবরই অস্বীকার করতেন, সুতরাং, নতুন জনতা সরকারে যাতে এ রকমভাবে বাস্তব সত্যকে অস্বীকার না করেন, সেইটাই আমরা আশা করবো। তাছাড়া, কংগ্রেসী সরকারের পূজিপাতি নীতির ফলে গ্রাম্যঞ্চলে যে বেকারের সংখ্যা বেড়েছে যার ফলে এই যে মহাজন গোষ্ঠী রয়েছে, জমিদার গোষ্ঠী রয়েছে ওদের বাড়ীতে যখন বেকার লোকেরা কাজের সন্ধান এ যায় তখন তারা বলে যে "আমাদের কাজের প্রয়োজন নাই" কাজ যদি করতে হয়, তাহলে দৈনিক একটাকা মজুরীতে কাজ করো।

(অথচ দৈনিক যে খানে ৬ টাকা রোজী কাজ চলে) এই ভাবে তারা অল্প পয়সায় বেকারের শ্রম আত্মসাৎ করে। সুতরাং গ্রামের বেকারদের কাজের জন্য পশ্চিম বাংলা সরকার আজ যে বলিষ্ঠ পদক্ষেপ নিয়েছেন, সেইরকম জনতা সরকারও যদি নীতি গ্রহণ করতে পারেন তাহলে নিঃস্ব, গরীব জনসাধারণ কোন রকম

জীবন রক্ষা করতে পারবে। আজ এই সদনে যারা উপস্থিত সকলে পেটভরে খেয়ে এসে সুন্দর ভাবে আলোচনা করছেন ও শুনছেন। কিন্তু আজ যদি আমরা গ্রামে যাই বা চা বাগানের ভেতরে যাই তাহলে দেখব যে এইসব নিঃস্ব গরীব কৃষক ছাটাই শ্রমিকেরা চাল তো দূরের কথা একবেলার জন্য তারা আটা পর্যন্ত সংগ্রহ করতে পারে না। তারা, তাদের অস্তিত্ব রক্ষার সংগ্রামে মাটীর তলার মূল, কাঁচ বাঁশ, লতা-পাতা ইত্যাদি সংগ্রহ করে খেয়ে কোন রকমে জীবন রক্ষা করছে।

অধ্যক্ষ মহোদয়, একদিকে মানুষ আজ লতাপাতা সিদ্ধ করে খাবে আর অন্যদিকে তাদেরই পাশাপাশি কিছু মুষ্টিমেয় লোক ধনদৌলতের পাহাড় গড়ে তুলবে—এই বৈষম্যের কি অর্থ থাকতে পারে? আমি মনে করি কিছুদিন আগে এই সদনে যে প্রস্তাব নেওয়া হয়েছে, সমাজবাদের প্রস্তাব, এই প্রস্তাবের আমরা যদি 'খাদ্যের জন্য কাজ' এই নীতি গ্রহন করি, এই নিঃস্ব লোকেদের যদি দুইমুঠি অন্ন দেওয়ার ব্যবস্থা করতে পারি, তাহলে এই প্রস্তাবের একটা স্বার্থকতা আছে বলে জনসাধারণ করবে। সুতরাং এই ব্যাপারে আমি আর বিশেষ বলতে চাই না। হয়ত প্রশ্ন আসতে পারে যে এই প্রোগ্রাম করতে হলে টাকা কোথা থেকে পাব? আমি বলতে চাই যে টাকা আছে। এই আসাম রাজ্যে টাকা আছে, যদি জনতা সরকারের এই টাকায় হাত দেওয়ার হিম্মত থাকে, তাহলে তারা গ্রামাঞ্চলের নিঃস্ব মানুষদের অন্নবস্ত্র জোগাড় করতে পারবেন। বিগত কয়েক বৎসরে আসামের চা বাগানের মালিকরা যে বিপুল সংখ্যক মুনাফা অর্জন করেছে, সেই মুনাফার একটা অংশ যদি আজ সরকার তাদের কাজ থেকে আনতে পারেন, তাহলে ঐ দুঃস্থ মানুষদের খাদ্যের ব্যবস্থা হবে, কাজের জন্য একটা পরিকল্পনাও হাতে নেওয়া যাবে। আজ আমরা পুলিশ খাতে যে অর্থ বরাদ করেছি, তার কোন প্রয়োজন নেই। কংগ্রেস আমলে মানুষকে ঠেঙ্গাবার জন্য

দিল্লী থেকে সি আর পি আনার প্রয়োজন ছিল। কিন্তু জনতা সরকারের সেই প্রয়োজন কেন থাকবে ? জনতা সরকার যদি জনসাধারনের স্বার্থে হয়, তাহলে তাদের মানুষ ঠেঙ্গাবার জন্য কেন সি আর পির প্রয়োজন হবে ? এই সি, আর, পি, দেরে আপনারা দিল্লীতে পাঠিয়ে দিন। আসাম রাজ্যের শান্তি ও শৃখলা আসামের পুলিশই রক্ষা করতে পারবে। সি আর পির জন্য যে টাকা আমরা খরচ করছি সেই টাকা ঐ গরীব নিঃস্ব মানুষদের জন্য খরচ করলে তাদের জীবন রক্ষা হবে। আমি আরও বলতে চাই যে, আমাদের আসামের চাষীরা যে পাট উত্পাদন করে, আসামের চা বাগানের শ্রমিকরা যে চা উত্-করে, আসামে যে তেল উতপন্ন হয়— এসবের যে টাকা দিল্লীতে প্রতিবত্সর যাচ্ছে,— তার ৭৫ শতাংশ যদি আমাদের আসাম রাজ্যকে দেওয়া হয় তাহলে নিশ্চয়ই আমরা এই গরীব লোকে-দের জীবন রক্ষা করতে পারব।

মহোদয়, আসামের নিপীড়িত মানুষ কেন্দ্রর সঙ্গে সঙ্গে এই রাজ্যেও বহু আশা করে জনতা পার্টিকে সরকারের গদীতে বসি-য়েছে। সুতরাং আজ সবচেয়ে বড় প্রশ্ন হলো এই যে, এই জনতা সরকার যদি তাদের নাম করনের স্বার্থকতা প্রমাণ করতে চান তাহলে যেন তারা নিঃস্ব জনসাধারনের দিকে নজ দেন। জনতাঁ সরকারের যদি এই গরীব মানুষদের জীবন রক্ষা করার সদিচ্ছা থাকে তাহলে নিশ্চয়ই তারা এই প্রস্তাব গ্রহণ করে তাদের সদিচ্ছাকে কার্যকরী রূপ দিতে পারবেন। কারন পশ্চিম বাংলার বামপন্থী সরকার যদি এটা কার্যকরী করতে পারে, তাহলে আমাদের আসাম রাজ্য কেন পারবে না ? এর কোন যুক্তি থাকতে পারে। আসামের জনতা সরকারের উপর সারা রাজ্যের দুঃস্থ মানুষ নির্ভর করে আছে। আসামের জনগনের যে আশা আকাংখা আছে,— আপনারা তাকে রূপ দিন কারণ এই রাজ্যের জনগণ কংগ্রেসের বদলে কেবল জনতা পার্টিকে চায়নি, ঐ শরত্ সিংহের যায়গায় কেবল গোলাপ বরবরাকে চায়নি, তারা কাজের পরিবর্ত্তন চেয়েছে। কংগ্রেসের

জনবিরোধী নীতির পরিবর্তে তারা জনস্বার্থের নীতি পরিবর্তন চেয়েছে। আপনারা এই আশা আকাংখা যদি পূরন না করতে পারেন, তাহলে জনসাধারন স্বপ্ন নিয়ে জনতা পার্টিকে গদীতে বসিয়েছে, তাদের এই স্বপ্ন ধুলিস্বাত্ হয়ে যাবে। এই কথা গভীরভাবে আপনারা বিবেচনা করবেন বলে আমরা আশা করবো।

মহোদয়, আমি আর বক্তব্য দীর্ঘস্থায়ী করতে চাই না। কেবল এই সদনের সদস্যগণকে এই ব্যাপারটো গভীরভাবে বিচার বিবেচনা করে, এই প্রস্তাবকে গ্রহণ করে আসামের শ্রমজীবি মানুষের জীবন রক্ষা করার ব্যবস্থা গ্রহণ করবেন বলে আশা রেখে আমার বক্তব্য শেষ করলাম।

Mr. Speaker :—There is an amendment to be moved by Shri Haendra Nath Dev Goswami.

শ্ৰীহৰেন্দ্ৰ গোস্বামী ঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দীপক ভট্টাচাৰ্য্য ডাঙৰীয়াই যি প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱটোৰ মই সংশোধনী দাঙি ধৰিছো। মোৰ প্ৰস্তাৱটো হৈছে এই যে—

This Assembly do recommend to the state Government for arranging food for work programme in the countryside during lean season of June, July, August and September every year to give relief to the poor and landless cultivators from the clutches of money landers and usurers for bare subsistence."

এই প্ৰস্তাৱটোৰ 'এভৰিইয়েৰ' এই শব্দ দুটা আছে তাৰ পৰিবৰ্ত্তে মই ইয়াত যি সংশোধনী আনিব বিচাৰিছো সেইটো হৈছে—Whenever and Wherever Necessary আৰু এই সংশোধনী দিয়াৰ পিচত প্ৰস্তাৱটো এনেধৰণৰ হ'ব।

"This Assembly to recommend to the State Government for arranging food for work programme in the countryside during lean season of June, July, August and September whenever and wherever necessary to give rilief

to the poor and landless cultivators from the clutchers of money lenders and usurers bare subsistence."

এই সংশোধনীটো মই এই কাৰণেই আনিবলৈ বিচাৰিছো যে, আমাৰ অসম প্ৰায় 4 মাহ বানপানীৰ কবলত পৰি তুৰ্দশাগ্ৰস্ত হ'ব লগা হয়। তাৰ ফলত চৰকাৰৰ তৰফৰ পৰাই সাহাৰ্য্যৰ নামত বিনামূলীয়া খাদ্য যোগান ধৰা হয়। এই অঞ্চলত বিশেষকৈ বানপ্ৰীড়িত অঞ্চলৰ সাহায্যৰ জৰীয়তে মানুহবিলাকে যাতে জীৱন নিৰ্বাহ কৰিব পাৰে তাৰ কাৰণে কিছু কৰাৰ ব্যৱস্থা আছে। এই ব্যৱস্থাটো হয়টো সম্পূৰ্ণভাৱে সন্তোষজনক নহ'ব পাৰে, কিন্তু তথাপি চৰকাৰৰ ফালৰ পৰা এই ক্ষেত্ৰত এটা প্ৰচেষ্টা চলোৱা হৈছে। কিছু সাহায্য দিয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি যদি আমাৰ গাওঁ অঞ্চলৰ তুখতুৰ্দ্দশাৰ কথা আলোচনা কৰা হয় তেতিয়াহলে, ই ৰব তুঃখজনক ছবি হব। আজি গাওঁ অঞ্চলৰ মানুহে যি ধৰণে জীৱন নিৰ্ব্বাহ কৰিবলগীয়া হৈছে সেই সম্পৰ্কে যদি সম্পূৰ্ণ তথ্য বিচাৰ কৰা হয় তেতিয়াহলে মানুহ বিলাকে কেনেকৈ বাস কৰি আছে তাৰ এখন তুখলগা ছবি প্ৰকাশ পাব। কামৰ অভাৱত গাওঁ অঞ্চলত আমাৰ মানুহে বাস কৰিছে। যি অলপ অচৰপ পাইছে তাতো আমি এখন তুখজনক ছবি দেখিবলৈ পাইছোঁ। এইটো সচাঁ কথা যে, স্বাধীনতাৰ ৩১ বছৰৰ এই কাল ছোৱাত পৰিকল্পনাৰ যিবিলাক পৰিসংখ্যা আছে সেই বিলাক ভুল বিবৃতিৰ ফলতেই হওঁক বা পৰিকল্পনা সমূহ কাৰ্য্যকৰী কৰাত ব্যৰ্থ হোৱাৰ কাৰণেই হওঁক আমি যি ধৰণেৰে আশা কৰিছিলো সেই ধৰণেৰে আমাৰ দেশখন গঢ়ি নুঠিল। আজি সকল শিক্ষিত নিবনুৱাই নহয়, আজি আমাৰ গাওঁ অঞ্চলত কৰ্ম্মহীন হৈ যি সকল লোক ৰিয়পি আছে সেই সকলৰ কথাও চিন্তা কৰিব লাগিব এইবোৰ। চিন্তা কৰিবলৈ যাওঁতে আমাৰ গাওঁ অঞ্চলৰ যি বিলাক পাৰিপাৰ্শ্বিক অৱস্থা আৰু পৰিৱেশ আছে সেইটোৰ কথাও নিশ্চয় চিন্তা কৰিব

লাগিব। আমাৰ যি খিনি অসমীয়া মানুহ আছে সেই অসমীয়া লোক খিনিৰ অলপ-অচৰপ বস্তিৰ মাটি আছে। এই মাটি খিনিত যি অলপ-অচৰপ শাক-পাচলি কৰাৰ সুবিধা আছে তাত শাক পাচলিৰ খেতি কৰা নহয় কিয় সেই সম্পর্কেও এটা বিশ্লেষণ কৰিব লাগিব। ইয়াৰ অৰ্থ এইটোৱেই নহয় যে, এই অলপীয়া মাটি থকা লোকসকলক আমি দোষ দিবলৈ বিচাৰিছোঁ। আজি যিটো সামাজিক পৰিবেশ আমাৰ গাওঁ অঞ্চলত চলি আছে সেই সম্পৰ্কেহে মই অলপ উন্মুকিয়াব খুজিছো। গাওঁঅঞ্চলত যিটো পৰিবেশ বা পৰিস্থিতি আছে সেইটো আতৰ কৰিব লাগিব। সেইটো কৰিব পাৰিলে আমাৰ কামৰ আচনিৰ জৰীয়তে খেতিয়ক সকলক খাদ্য যোগান দিয়াৰ যিটো আচনি সেইটো কাৰ্য্যকৰী কৰিব পৰা যাব। খানাৰ কাৰণে কামৰ যিটো ব্যৱস্থা সেইটোৰ পৰিবৰ্ত্তন ঘটাই কামৰ জৰীয়তে খানাৰ সংস্থান কৰিব পাৰি তাৰহে ব্যৱস্থাকৰাটো উচিত হব। প্ৰস্তাৱকে তেখেতৰ বাখ্যাৰ প্ৰসঙ্গত যি খিনি কোৱা হৈছে সেই ক্ষেত্ৰতহে এই খিনি কবলৈ বিচাৰিছোঁ। আমাৰ গাওঁ বিলাকত এচাম ডেকা সকলেই হওঁক বা বুঢ়াসকলেই হওঁক তেওঁলোকে এনে ভাৱে জীৱন-যাপন কৰিছে যে, নিজৰ বাৰীতে অন্ততঃ অলপ অচৰপ কাম কৰিলেও দুপইছা উপাৰ্জনৰ থল থাকিলেও সেইটো নকৰি তাছ-পাশা আদি খেলাই সময় নষ্ট কৰি থাকে। এই বিলাক কৰি আমাৰ সামাজিক পৰিবেশটো নষ্ট কৰিব বিচাৰিছে। সেই কাৰণেই এই সংশোধনীৰ জৰিয়তে বাধ্যতামূলক ভাবে যাতে চৰকাৰৰ বহুমূখী সুযোগ গ্ৰহণ নকৰি নিজৰ কৰ্ম্মৰ জৰিয়তে নিজৰ বাৰীতে থকা বা এনেয়ে পৰি থকা খালি মাটিত কাম কৰাৰ উৎসাহ এটা যোগাব পাৰি তাৰ কাৰণে এটা অনুকূল পৰিবেশ সৃষ্টি কৰিবৰ কাৰণেই এই সংশোধনীটো অনা হৈছে। কামকৰি খানাৰ যোগাৰ কৰিবৰ কাৰণেহে মই এইটো কৰিব খুজিছোঁ। আজি এইটো কথা ঠিক যে, আমাৰ ৰাজ্যখনত বিশেষকৈ গাওঁ অঞ্চল বিলাকত কি বা স্বদেশীয়েইহওক বিদেশীয়েই হওঁক, টকা ধাৰে দিয়া মানুহ একশ্ৰেণী ওলাইছে। টকা ধাৰে

দি মানুহ বিলাকক যি সকল গৰীৱ শ্ৰেণীৰ আৰু খেতিয়ক সেই সকলক শোষণ কৰিব লাগিছে। এই ব্যৱস্থাটো অনতি পলমেই বাতিল কৰিব লাগে। এইদৰে যাতে টকা ধাৰে দি লোক সকলে আমাৰ গৰীৱ দুখীয়া খাবলৈ নোহোৱা লোক সকলক শোষণ কৰিব নোৱাৰে তাৰ কাৰণে বাস্তৱবাদী আৰু কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে আমাৰ চৰকাৰক অনুৰোধ কৰিছোঁ। এইটোও বৰ দুখজনক কথা যে, টকা ধাৰে দি শোষণ কৰাৰ ক্ষেত্ৰত বিদেশী নাগৰিক সকলতকৈ আমাৰ দেশীয় ধাৰে দিয়া লোক সকল বেছি নিষ্ঠুৰ আৰু কঠোৰ হয়। সেই কাৰণেই গৰীৱ খেতিয়ক আৰু সাধাৰণ শ্ৰেণীৰ লোক সকল যাতে কাৰো বলি নোহোৱাকৈ কামৰ জৰীয়তে খানাৰ সংস্থান কৰিব পাৰে আৰু এইটোও বাধ্যতামূলক নোহোৱাকৈ, তাৰ কাৰণেই এই সংশোধনীটো আনিব খুজিছোঁ। আজি আমাৰ জনতা পাৰ্টি শাসনলৈ আহিছে। এই জনতাপাৰ্টিৰ চৰকাৰে আমাক ৰুটি আৰু স্বাধীনতাৰ প্ৰতিশ্ৰুতি দিছে আৰু দিব লাগিব। চৰকাৰক স্থায়ী ভাবে স্বাধীনতা আৰু ৰুটিৰ ব্যৱস্থা কৰিবলৈ আমি চৰকাৰক বাধ্য কৰাব লাগিব। জুন, জুলাই, আগষ্ট, চেপ্তেম্বৰ মাহত বানপানীয়ে যি পৰিস্থিতিৰ সৃষ্টি কৰে সেই সম্পৰ্কে আমাৰ চৰকাৰেও আজি বিবৃতি দিব খুজিছে। এই পৰিস্থিতিত কামৰ যোগাৰ কেনেকৈ দিব পাৰি সেইটোও চিন্তা কৰিব লগীয়া বিষয়। এই সম্পৰ্কে এখন বাস্তৱবাদী আচনি গ্ৰহণ কৰিব লাগিব। গাওঁ অঞ্চলত থকা লোক সকলক বানপানী নিয়ন্ত্ৰণ কৰি কামৰ যোগাৰ দিব লাগিব আৰু এইটো কেনেকৈ কৰিব পাৰি এই বিষয়ে চিন্তা কৰিব লাগিব। এই ক্ষেত্ৰত মই এটা কথা কবলৈ বাধ্য হৈছো যে, আমাৰ ৰাইজ আজি চৰকাৰ মুখী হৈছে। জনমুখী হোৱা নাই। প্ৰত্যেকটো কথাৰ কাৰণেই চৰকাৰৰ ওচৰলৈ আগবাঢ়ি আহিছে। এখন স্কুলৰ অনুদানৰ কাৰণেই হওক, নামঘৰৰ অনুদানৰ কাৰণেই হওক, বা এটা লাইব্ৰেৰীৰ কাৰণে অনুদানৰ কাৰণেই হওঁক ৰাইজ সকল

ইয়ালৈ চৰকাৰৰ ওচৰলৈ আহে। ৰাইজ চৰকাৰ মুখী নহৈ ৰাইজ ৰাইজমুখী হব লাগিব। ইয়াৰ কাৰণ বিচাৰ কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। চৰকাৰী কাৰ্য্যসূচী বিলাকত যাতে আমাৰ ৰাইজে অংশ গ্ৰহণ কৰিব পাৰে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু এটা নতুন বাতাবৰণৰো সৃষ্টি কৰিব লাগিব। ইয়াৰ কাৰণে আমি শাষন যন্ত্ৰটোৰ গাঠনি বদলাব লাগিব। আমাৰ দেশখনত থকা পদ্ধতিটো যিটো ঠিকাদাৰী পদ্ধতি বুলি অভিহিত কৰিব পাৰি সেইটো ভাৱ আতৰ কৰিব লাগিব। ৰাস্তাঘাট বনোৱা, স্কুল ঘৰ আদি সজাই বা অনান্য বিলাক উন্নয়ণমূলক কামত বা আঁচনি বিলাকত ৰাইজক অংশ গ্ৰহণ কৰিবলৈ দিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু মোৰ বক্তৃতা দিঘলীয়া কৰিব খোজা নাই। এইখিনি কথাকৈয়েই মোৰ এই সংশোধনী আগবঢ়াইছো যাতে এই প্ৰস্তাৱটো কাৰ্য্যকৰী কৰাত আমাৰ চৰকাৰৰ কোনো অসুবিধা নহয় আৰু প্ৰতিবছৰে বাধ্যতামূলক ভাৱে নকৰাকৈয়ে যেতিয়া আৰু য'ত প্ৰয়োজন হয় কামৰ যোগেদি খানাৰ ব্যৱস্থা কৰিব পাৰি। এইখিনি কথা কৈয়েই মোৰ বক্তব্যটোৰ সামৰণী মাৰিলোঁ।

Mr. Speaker :— Hon. members are requested not to take a long time, because there are yet a large number of resolutions. If these cannot be completed to day these will be taken up on the next Private Members' day.

শ্ৰীশশকমল সন্দিকৈ :— অধ্যক্ষ মহোদয়, দিপক ভট্টাচাৰ্য্য ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত দুআষাৰ ক'ব বিচাৰিছো। পুঁজিবাদী সমাজ ব্যৱস্থাত এই দেশৰ আলোচ্য জনসাধাৰণৰ চৰিত্ৰ দুখ ক্ৰুটি আঁতৰোৱা উপায় নাই। এই সমাজ ব্যৱস্থাত চুৰি, ডকাইটি থাকিবই, সেইটো অৱশ্যম্ভাবী। গতিকে মানুহৰ বাবেই দেশত অভাৱ অনাটন হৈছে। এইটো বাস্তব নহয়। উদাহৰণস্বৰূপে ক'ব বিচাৰিছো সমাজবাদী দেশত মানুহৰ শ্ৰমত নিৰ্ভৰ কৰি মানুহৰ শ্ৰমৰ মৰ্য্যদা দি মানুহে উচিত

কামত খটুৱাই দেশখন সমৃদ্ধ কৰিব বিচাৰে। তাত দেখা যায় তাত অভাৱ নাই অনাটন নাই। আজি স্বাধীনতাৰ পাচত অসমৰ কৃষিৰ অর্থনীতি সম্পূর্ণৰূপে ভাঙি গৈছে। বানপানীয়ে ৩১ বছৰ আগতেও আৰু আজিও বছৰে বছৰে হাজাৰ হাজাৰ বিঘা খেতি উচ্ছন্ন কৰিছে আৰু হাজাৰ হাজাৰ জীৱন বিপন্ন হৈছে। খৰাং অঞ্চলত ইৰিগেচনৰ ব্যৱস্থা কৰিব বুলি চৰকাৰে প্রতিশ্রুতি দিছিল, অসমৰ ৰাইজক অসমৰ কৃষকক সেই ইৰি-গেচনৰ যোগেদি এক ফুটা পানীও দিয়াৰ ব্যৱস্থা নহ'ল। স্বাভাবিকতে অসমৰ যি ধৰণে উন্নতি প্রগতি হ'ব লাগিছিল সেইধৰণে নহ'ল। ব্রহ্মপুত্র আৰু উপনৈবোৰ প্রণালীবদ্ধভাবে নিয়ন্ত্রন বা বান্ধ দিয়া ব্যৱস্থা নকৰাৰ ফলত হাজাৰ হাজাৰ মাটি, হাজাৰ হাজাৰ গাওঁ নৈৰ বুকুত লীন গ'ল। মাজুলীৰ কথা আজি দুই বছৰৰ আগতে এই সংসদত আলোচনা হৈছিল। মাজুলীৰ হাজাৰ হাজাৰ মানুহ গৃহহীন হ'ল। গোৱালপাৰাতো ১৫ হাজাৰ লোক অনাহাৰে মৃত্যুমুখত পৰিছে। এই বিলাক হোৱাৰ এটাই কাৰণ হ'ল, ভূমি সংস্কাৰ আজিলৈকে নহ'ল। যিবিলাক চাহবাগানৰ মাটি, উতবৃত্ত মাতি চিলিং আইনৰ যোগেদি বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগিছিল, সেইবিলাকৰ বিতৰণৰ ব্যৱস্থা নহ'ল! ফলত আমি ৩১ বছৰে কি দেখিছো— অসমতে দাৰিদ্রতাই থাকি গ'ল। অসমৰ কবিয়ে গান গাইছিল, কবিতা লিখিছিল—অসম সুজলা-সুফলা, শস্য-শ্যামলা দেশ বুলি, কিন্তু সেইখন দেশতেই সেই গৌৰৱ আজি আৰু নাই। আজি সেই অসমতেই শতকৰা ৩০ ভাগ মানুহ মাটিহীন, ৪৫ ভাগ মানুহ কর্মহীন। গড়াখহনীয়াই মাটি উতুৱাই লৈ গৈছে। মোৰ সমষ্টিৰে নাহৰকটীয়া চাটা মৌজাৰ উতবৃত মৌজা যোৱা বছৰ খেতিৰ ধান বানপানীৰ লগত, তেলৰ লগত উটি গ'ল। মৌজাটোত ২৮ বিঘা মাটিত ৭ মোন ধানহে কৃষকে পালে? ১৩০ খন গাওঁ আজি দুই তিনি বছৰে বানপানীয়ে উতুৱাই লৈ গৈ আছে। তেল কোম্পানীৰ তেলেও উতুৱাই নিলে। তেল কোম্পানীৰ তেলে খেতিবোৰ নষ্ট কৰিলে। কৃষকে

আন্দোলন কৰিলে। চৰকাৰক দাবী জনালে। চৰকাৰে ক্ষতিপূৰণ দিয়া ব্যৱস্থা কৰিলে। অনুসন্ধানৰ বাবে এক্সপাৰ্ট আনিলে—এক্সপাৰ্টক দেখা গ'ল গাড়ীত উঠি ঘুৰি ফুৰা। অনুসন্ধান কৰি খেলিমেলি ৰিপোৰ্ট দিলে। ইয়াৰ যোগেদি কিছুমান খেতিয়কক ক্ষতিপূৰণ দিয়া ব্যৱস্থা কৰিলে। কিন্তু দেখা গ'ল যিবিলাক খেতিয়কে ক্ষতিপূৰণ পাব লাগিছিল সেই বিলাকে নাপালে আৰু যিবিলাকে পোৱাৰ যোগ্য নহয় অথচ কংগ্ৰেছী সেইবিলাকেই পালে। আমি কলো ডি, চিক যে এনে কিয় হ'ল কিন্তু ডি, চিয়ে একো ক'ব নোৱাৰে। হয়তো ভবিষ্যতে এক্সপাৰ্টসকল হেলিকেপ্তাৰেৰে আহিলেহে হয়তো পাবলগীয়া কৃষকে ঋণ পাব নহ'লে নাপায়। It is an act of Good. বৰ্ত্তমান অৱস্থাত মৃত্যুৱে অসমৰ গাওঁৰ দুৱাৰদলিত আহি ভুমুকি মৰিছে। বানপানীৰ ফলত অজি অসমত ৪৫ ভাগ মানুহৰ উপাৰ্জন ক্ষমতা নাই। মাটি নাই ৩০ ভাগ মানুহৰে আৰু যিখিনি খেতি কৰে সিও ধান নাপায়। যিসকল শ্ৰমিকে শ্ৰম কৰিব খোজে তেওঁলোকক শ্ৰম কৰাই মজুৰি দিয়া নহয়। কামৰূপ জিলাত ভূমিহীন কৃষকক শ্ৰমৰ কাৰণে দিনে ৫ টকাকৈ চৰকাৰে নিৰ্দ্ধাৰণ কৰি মজুৰি দিয়া নহয়। এই কৃষক সকলক কামত খটুৱাই, যেতিয়া পইচা বিচাৰি যায় তেতিয়া শ্ৰমৰ বিনিময়ত সুদা হাতে ঘৰলৈ ঘূৰি আহিবলগীয়া হয়। ঘৰলৈ আহি ল'ৰা-ছোৱালীক খাবলৈ দিবলৈ একো নাথাকে। ভাগৰত ভাগি পৰে। ফলত ল'ৰা-ছোৱালী বিলাক ভিক্ষা কৰিবলৈ বা চোৰ কৰিবলৈ পঠিয়াবলৈ বাধ্য হৈ যায়। UNESCO ৰিপোৰ্টমতে ভাৰতবৰ্ষৰ ২০ লাখ শিশুৱে ৰাতি কান্দে। কাৰণ এই শিশু সকলে ৰাতি খাবলৈ নাপাই সুদা পেটে থাকি ৰাতি শুব নোৱাৰি কান্দি থাকে। আৰু জেল বিভাগৰ মন্ত্ৰীয়ে কৈছিল যে, জেলৰ ভিতৰত কণ কণ ল'ৰা-ছোৱালী বহুত দেখিবলৈ পাইছো। কিন্তু দেশৰ এই কণ কণ ল'ৰা-ছোৱালী বিলাকৰ পেটত যেতিয়া খুদ কণ নপৰিব তেতিয়া জীয়াই থকাৰ তাড়নাত আৰু ভোকত

অবৈধ্য কাম কৰিবলৈ বাধ্য হৈ যায়। মাক-দেউতাকে দিনটোৰ পৰিশ্ৰমৰ পাচত যেতিয়া মহাজনৰ ওচৰলৈ পইচা বিচাৰি যায় আৰু মহাজনে আঠ অনা পইচা দি যেতিয়া ভেকাহি মাৰি পঠিয়াই দিয়ে তেতিয়া ঘৰলৈ আহি খাবলৈ নোপোৱা ল'ৰা-ছোৱালীৰ ওপৰত মাৰপিত আৰম্ভ কৰে আৰু কৰবাত হয়তো নিশংস মাৰপিত কৰে। দেশৰ ল'ৰা-ছোৱালী বিলাকেই বাটৰ কাষত পৰি থকা উচিষ্ঠ বস্তু খাই জীয়াই আছে।

আজি আমাৰ ৰাজ্যত শিশুবিলাকৰ কি অৱস্থা হৈছে? আমি গাড়ী মটৰত উঠি ঘুৰি ফুৰোতে কি দেখা পাও যি-বিলাক বস্তু আমাৰ উচিষ্ঠ, পেলাই দিয়া সেইবিলাক কন কন শিশুৱে কুকুৰৰ নিচিনাকৈ বুটলি বুটলি খাইছে। গাওঁৰ মানুহ আজি কোন ফালে ঢাল খাইছে। এবেলা আহাৰৰ কাৰণে হাহাকাৰ কৰি ঘূৰি ফুৰিছে আনহাতেদি বিৰলাৰ নিচিনা কোটি পতিৰ দিনে দিনে আয় বৃদ্ধি হৈ আছে, এতিয়া ডেৰ হাজাৰ কোটিতকৈয়ো বৃদ্ধি হৈছে। অথচ আমাৰ গাওঁৰ মানুহৰ ঘৰ নাই, বাৰী নাই, ভাত নাই, হাহ নচৰা অৱস্থা হৈছে। জীৱনৰ তাগিদাত আমাৰ দেশৰ শিশুৱে জন্মৰ লগে লগে কুকুৰ শিয়ালৰ লগত ফুৰিছে, খাইছে, এয়ে হল আমাৰ গাওঁৰ মানুহৰ অৱস্থা। প্ৰচাৰ পত্ৰিকাত কোৱা হয় ইয়াত চোৰ ডকাইত বৃদ্ধি হৈছে, গাভৰু ছোৱালীয়ে সতিত্ব নস্ত কৰিব লগীয়া হৈছে। এইবিলাক কিয় হৈছে? গাওঁৰ মানুহে অভাৱৰ দুৰ্যোগত পৰি ভাত মুঠিৰ কাৰণে নানা ধৰণৰ ব্যৱস্থাৰ আশ্ৰয় লবলগীয়া হৈছে। এতিয়া জনতা দলে শাসনলৈ অহাৰ আগতে প্ৰতিশ্ৰুতি দিছিল যে আমাৰ ইয়াত সমাজবাদ সৃষ্টি কৰিব, গাওঁৰ মানুহক নুন্যতম সুবিধা দিয়া হব। তেনে ক্ষেত্ৰত আজি ইয়াত যি প্ৰস্তাৱ আহিছে মই জনতা দলৰ হওক বা আন সকলো সদস্যকেই হওক আমাৰ গাওঁৰ মানুহৰ প্ৰকৃততে যাতে সৰ্বাঙ্গিন উন্নতি সাধন কৰিব পাৰে তাৰ কাৰণে প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ আহ্বান কৰিলো। যদি তেওঁলোকৰ অৱস্থাৰ উন্নতি সাধন কৰিব নোৱাৰো, তেওঁলোকৰ ক্ৰয় ক্ষমতা বৃদ্ধি

কৰিব নোৱাৰো তেতিয়াহলে অসমৰ উন্নতিৰ কথা কোৱাতো বাতুলতাহে হব। আমাৰ ইয়াত প্ৰাকৃতিক সম্পদেৰে ভৰপুৰ। এই সম্পদৰ পৰা কোনো ধৰণৰ উদ্যোগ আজিলৈকে গঢ়ি তোলাৰ কাৰণে আগৰ চৰকাৰে চিন্তা নকৰিলে। যি দুই এটা আছে সিয়ো বিদেশী সাম্ৰাজ্যবাদীৰ হাতত। গতিকে অসমৰ নিবনুৱা সমস্যাৰ সমাধানৰ বাবে, অসমৰ উৎপাদন বৃদ্ধিৰ কাৰণে যিটো কৰা দৰকাৰ আছিল অৰ্থাত 'মেন ইনটেনচিপ ইণ্ডাষ্ট্ৰি' কৰাৰ কথা আছিল সেইটো কৰা নহল। আমাৰ শিক্ষিত অৰ্দ্ধশিক্ষিত ডেকাই চাকৰি বিচাৰি বলিয়াৰ দৰে ঘূৰি ফুৰিছে। তেওঁলোকে কৈছে আমি সৰ্ব্বচ্চ দিম প্ৰয়োজন হলে মৃত্যুকো সাবটি লম। তথাপিটো আমাক জীয়াই থাকিবলৈ চাকৰি দিয়ক, খাবলৈ এমুঠি অন্নৰ যোগাৰ কৰি দিয়ক। সেই কাৰণে মই সকলোকে আহ্বান কৰিছো ইয়াত যিটো প্ৰস্তাৱ আহিছে আৰু তাৰ লগতে যিটো সংশোধনী আহিছে সি অসমৰ কাৰণেই নহয় ভাৰতবৰ্ষৰ কাৰণেও অত্যন্ত প্ৰয়োজন। অসমৰ ভূমি সমস্যা আজি বিৰাট সমস্যা। তাৰ পিচত ব্ৰহ্মপুত্ৰ নদী নিয়-ন্ত্ৰণ কৰিবৰ কাৰণে কি ব্যৱস্থা কৰিছে ? গৰাখহনীয়া কত হৈছে, কেনেকৈ হৈছে ইত্যাদি বিলাক পৰীক্ষা নকৰালৈকে অসমৰ বানপানী সমস্যা কেতিয়াও দূৰ কৰিব পৰা নাযাব। ইয়াৰ উপৰি, নৈৰ উৎপত্তি স্থলত পৰীক্ষা নিৰিক্ষা চলাব লাগিব। আমাৰ যিবিলাক চাহ বাগিছা আছে এই চাহ বাগিছা বিলাকত যিবিলাক উতবৃত্ত মাটি চাহ মালিকৰ হাতত আছে আৰু মাটিৰ মালিক, জমিদাৰৰ হাতত যি বিলাক মাটি এনেয়ে পৰি আছে সেই সকলোবিলাক মাটি অসমৰ মাটিহিন মানুহক বিলাই দিয়াৰ কাৰণে নতুন চৰকাৰ প্ৰতিশ্ৰুতি বদ্ধ। চাহবাগিচাৰ এই বিলাক স্থায়িত্ব কৰি বাকী যি উদ্ধৃত্ত মাটি ওলাব পাৰে সেই মাটি, উদ্ধৃত্ত মাটি মাটিহীনক বিলাই দিব লাগিব। বৰ্তমান অৱস্থা আৰু ভবিষ্যত সমাজ ব্যৱস্থা পুঁজিবাদীৰ পৰা আতৰ কৰি অসমৰ সমাজ ব্যৱস্থাতত পূজিবাদী অৰ্থনীতিৰ যাতে হেচা নপৰে সেই ধৰণে গঢ়ি তুলিব লাগিব। গতিকে এই প্ৰস্তাৱ

আপোনালোকে সমৰ্থন কৰক আৰু আহক অসমৰ দুখীয়া মানুহৰ কাৰণে এই প্ৰস্তাৱটো গ্ৰহণ কৰক। এইখিনি কৈয়ে মই সামৰণি মাৰিলো।

শ্ৰীগোলক কাকতি ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গাৱৰ অৱস্থাৰ কথা দৰিদ্ৰ খেতিয়ক সকলৰ ওপৰত কেনেভাবে অন্যায় কৰা হ'ল আৰু ইয়াক কেনেকৈ দূৰ কৰিব পাৰি তাৰ কাৰণে আমাৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই অনা প্ৰস্তাৱটো আৰু তাৰ ওপৰত গোস্বামী ডাঙৰীয়াই যি সংশোধনী দিছে তাৰ কাৰণে দুয়োকে ধন্যবাদ জনাইছোঁ। প্ৰস্তাৱটো আৰু সংশোধনীৰ মাজত কিবা পাৰ্থক্য আছে বুলি আমি ভবা নাই। বিধান সভালৈ বা বিধান সভাৰ মজিয়ালৈ নহাৰ আগতে যোৱা ৩০ বছৰে ট্ৰেজাৰী বেঞ্চ আৰু বিৰোধী দলে দিয়া দেশৰ খেতিয়ক সকলৰ কাৰণে বহু ধৰণৰ বক্তৃতা আমি শুনিবলৈ পাইছো আৰু আমাৰ সদনত মাননীয় সদস্য সকলে দুখিয়া ৰাইজৰ কথা কৈ কান্দি দিয়াও শুনিবলৈ পাইছো। কিন্তু বাস্তৱ ক্ষেত্ৰত যদি চাবলৈ যাও তেতিয়াহলে আমি কি দেখিবলৈ পাওঁ। এই বক্তৃতাৰ পৰা আমাৰ গৰীব খেতিয়ক সকলৰ যে কিবা এটা ভাল ফল হৈছে সেইটো আমি বুজিব পৰা নাই। আমি প্ৰতিনিধি সকলে পাহৰি যাওঁ কোন বিলাক মানুহৰ ভোট লৈ আমি প্ৰতিনিধি হৈ আহিছো, কোন বিলাক মানুহে আমাক ভোট দিছিল আৰু ভোট দিয়া সকলৰ প্ৰতিনিধি হৈ আহি তেখেত সকলৰ বিষয়ে ৫ বছৰৰ কাৰ্য্যকালত আমি তেখেত সকলৰ কিমান উপকাৰ কৰিলো। আমি পাহৰি যাওঁ যে যি সকল লোকে আমাৰ দেশৰ স্বাধীনতা আনি দিলে সেই সকলৰ হিচাব যদি আমি লওঁ তেতিয়াহ'লে এইটো পৰিস্কাৰ হৈ পৰে যে যোৱা ৩০ বছৰৰ শাসনত সেই সকলে এই স্বাধীনতা ভোগ কৰিবলৈ নাপালে। স্বাধীনতা অনা সকলৰ হিচাৰ কৰিবলৈ পাহৰি গৈছো, সেই সকল হ'ল কনক লতা, কুশল কোঁৱৰ, মুকুন্দ কাকতি, এই সকল লোক কৰ পৰা আহিছিল এই সকল লোক খেতিয়ক ৰাইজৰ মাজৰ পৰাই অহা, আজি

সেই গাৱঁ-ভূঁইৰ খেতিয়ক সকলৰ অৱস্থা কি ? এইটো পৰিস্কাৰ হৈ আছে যে যি সকলে আন্দোলন কৰিব পাৰে যি সকলে সত্যাগ্ৰহ কৰিব পাৰে, যি সকলে অনশন কৰিব পাৰে সেই সকলৰ লগত আমাৰ গাৱৰ মেহনতীৰ কৰা গৰীব খেতিয়ক সকলৰ স্বাৰ্থ কেনে ? তেল পানীৰ নিচিনা হৈ আছে। সেই কথাটো আমি পাহঁৰি যাওঁ। আজি আমাৰ ৰাজহৰ ধন কাৰ কাৰণে কিমান ব্যয় কৰা হৈছে এই কথা আজি পৰিস্কাৰ কৰাৰ কাৰণে আমি বিশেষ মন কৰাতো প্ৰয়োজন হৈছে বুলি মই ভাবো। চৰকাৰী বিষয়াৰ দৰমহা বাঢ়িছে গৃহ নিৰ্মাণৰ কাৰণে টকা দিছে, বয়-বস্তুৰ দাম বৃদ্ধি হোৱাৰ কাৰণে মৰগীয়া বানচ বা ভাট্টা দিছে, যদি কাৰোবাক প্ৰমোশ্যন দিব লাগে বুলি ভাবো, প্ৰমোচন দিয়া হৈছে, স্থানান্তৰ কৰিব লাগে কৰি দিয়া হৈছে। আকৌ কাৰোবাৰ চাকৰি-বাকৰি সা-সুবিধাৰ কাৰণে সহায়-সহযোগ দিছো। আমাৰ আজি ইয়ালৈ যি সকল প্ৰতিনিধি যাৰ ভোটৰ বলত আহিছে তেওঁলোকে, নিশ্চয় ক'ব লাগিব তেওঁ-লোকে সেই সকলৰ প্ৰতি বিশ্বাসঘাটকতা কৰিছে। আজি আমি গাৱঁৰ মতবাদ দিব নোৱাৰো, গাৱৰ কথা ক'ব নোৱাৰো, গাৱঁৰ কাৰণে যুঁজ কৰিব নোৱাৰো, গাৱঁত ক'ত কি ঘটিছে ক'ব নোৱাৰো তেতিয়াহলে সেইসকল লোকৰ কাৰণে আমি কি কৰিলো ?

আজি আমি মাটি নোহোৱা মানুহৰ কাৰণে কৰিছো কি ? সেইসকল খেতিয়ক আজি আমাৰ পিতৃস্বৰূপ বুলি আদৰ কৰিব লাগিছিল সেই সকলে আমাক বিধান সভালৈ নিৰ্বাচন কৰি পঠাইছে—কিন্তু আজি এই খেতিয়ক সকলৰ স্বাৰ্থৰ প্ৰতি সম্পূৰ্ণ উদাসীন, সেই সকলক বিভিন্ন উপায়ে শোষণ কৰি আছে যি চাম মানুহে— সেই চাম মানুহৰ আজি কাৰ্য্যসিদ্ধি হৈছে। গৰীব খেতিয়ক গৰীব মানুহ যিচাম আছে—সেই সকল আজিও দৰিদ্ৰৰ কবলত দুৰ্যোগ ভুগি আছে সেইসকল মানুহক আজি ৰাজনৈতিক দিশ নিৰ্ণয়কাৰী সকলে এই খেতিয়ক শ্ৰেণীটোক

পিতৃ-মাতৃৰ দৰে জ্ঞান কৰিব লাগিছিল। আমি ভাত নহ'লে জীয়াই থাকিব নোৱাৰো—কাগজখন নহলে জীয়াই থাকিব পাৰি বা কাপোৰখন নহলেও জীয়াই থাকিব পাৰি। কিন্তু ভাতমুঠি নহলে জীয়াই থাকিব নোৱাৰি, কিন্তু আজি সেই শস্য উৎপাদনকাৰী সকলৰ ঘৰ নাই, বাৰী নাই, শিক্ষা নাই, চিকিৎসা নাই একো নাই। সেই কাৰণে মই ক'ব বিচাৰিছো যে আজি আমাৰ যিটো প্ৰস্তাব এতিয়া আহিব আমাৰ এই ৩০ বছৰ কাল ধৰি দেশৰ সকলো সুবিধাৰ পৰা বঞ্চিত হৈ থকা লোকৰ—সেই চাম মানুহৰ কাম কৰিবৰ কাৰণে যি প্ৰস্তাব আহিছে সেই প্ৰস্তাৱটো কোনো ধৰণৰ বিৰোধিতা হোৱা উচিত নহয়। অন্ততঃ মই এজন খেতিয়কৰ প্ৰতিনিধি হিচাবে, গাৱৰ মানুহ হিচাবে আৰু এজন খেতিয়ক মানুহ হিচাবে বিধান সভালৈ নিৰ্ব্বাচিত হোৱাৰ পিচত গাৱঁত গৈ মাটি নোহোৱা সকলৰ বাবে এই জনতা চৰকাৰৰ জৰিয়তে কিবা অলপ কাম সমাধা হ'ব বুলি আশা কৰিব পাৰিম? সেই কালৰ পৰা মোৰ কৰলৈ আৰু মোৰ কৰিবলৈ যদি কিবা অলপ আছে গৰীৱ খেতিয়কৰ কাৰণে কিবা যুক্তি দাঙি ধৰিবলৈ বা জ্ঞান শিক্ষা লাভ কৰিছো তেতিয়াহলে এই গৰীৱ খেতিয়কৰ কাৰণে সকলোখিনি কৰিব লাগিব। সেই কালৰ পৰা দেশত মৰি থকা, বানপানীত ৩০ বছৰে জুৰুলা হোৱা আৰু বিভিন্ন প্ৰকৃতিক দুৰ্য্যোগত ভোগি থকা দেশৰ সম্পত্তিৰ পৰা বঞ্চিত হৈ থকা লোকসকলৰ কাৰণে মই ভাবো যদি আমাৰ বাজেটত যি ধৰণে টকা আছে বাজেটখনৰ বেচিভাগ সেইচাম মানুহৰ কাৰণে ব্যয় কৰিব লাগে। যোৱা বানপানীৰ সময়ত আমি দেখিবলৈ পাইছো বাইজে এমুঠি চাউলৰ কাৰণে হাঁহাকাৰ কৰিছে—কিন্তু আজি তেওঁলোকৰ ভোট লৈয়েই ৰাজত্ব কৰিছো অথচ আজিলৈকে সেই বানপানীৰ প্ৰতিৰোধৰ কোনো স্থায়ী ব্যৱস্থা নকৰিলে। তেওঁলোকৰ মাটি-বাৰীৰ কাৰণে, তেওঁলোকৰ ঘৰবাৰীৰ কাৰণে আৰু তেওঁলোকক জীয়াই ৰাখিবলৈ কোনো ব্যৱস্থা কৰা নহ'ল

তেওঁলোকক বিপদৰ সময়ত খেতি কৰিবলৈ গৰুহাল মৰিলে যেতিয়া সাহায্য প্ৰয়োজন হয় তাৰ কাৰণে উৰলি যোৰা ঘৰৰ কাৰণে আৰু উৎপাদনৰ কাৰণে সাহায্য দিবলৈ ভাল ৰাজনৈতিক নেতা সকলে বৰ মধুৰ ভাষাৰে প্ৰতিশ্ৰুতি দিয়ে ভোট বিচৰাৰ সময়ত—কিন্তু চাৰি-পাঁচ বছৰৰ পাছতো তেওঁলোকক মাত দিবলৈ কোনো নাই। সেই ফালৰ পৰা মোৰ প্ৰাৰ্থনা যে খেতিয়কে খেতি কৰা সময়ত আমাৰ গাৱঁৰ দুখীয়া জনসাধাৰণৰ কিবা কাৰণত যদি অসুবিধা হয়, সেই কাৰণে সময়ত যাতে তেওঁলোকক সমাজৰ ধনী মানুহৰ ওচৰলৈ যাবলৈ নিদি চৰকাৰী সাহাজ্য দিয়াৰ ব্যৱস্থা কৰা হয়। বৃটিছ চৰকাৰৰ দিনত শোষণ কৰিছিল যি চাম মানুহে আৰু ধান পোৱাৰ লোভত কংগ্ৰেছৰ বিৰোধিতা কৰিছিল যি চাম মানুহে আৰু স্বাধীনতা লাভৰ পাচত একে ৰাতিৰ ভিতৰতে পইলকল ডাঙৰ কংগ্ৰেছী হৈ পঞ্চায়তৰ চেক্ৰেটাৰী, প্ৰেচিডেণ্ট হৈছিল যত ধন আছে বা ধনৰ গছ দেখি দৌৰ মাৰিছিল আৰু ৩০ বছৰে কংগ্ৰেছৰ লগত থাকি শোষণ কৰিছিল আজি জনতা চৰকাৰৰ দিনতো সেই চাম মানুহে আকৌ সাজ সলাইছে। কিন্তু মই আচৰিত হোৱা নাই জনতা চৰকাৰৰ ওপৰত মোৰ বিশ্বাস আছে ৰাইজৰ বিশ্বাস আছে আজি এই চাম মানুহকহে জনতাই ক্ষমা নকৰে। মই সেই ফালৰ পৰা কব বিচাৰিছো আমাৰ জনতাদলে নিশ্চয় গৰীৱ মানুহখিনি আগবঢ়াই নিবলৈ চেষ্টা কৰি পুণৰ সেই বৃটিছ চৰকাৰৰ দিনত শোষণ কৰা স্বাৰ্থজৰীত মানুহখিনিৰ কবলত নিদিয়ে আৰু তেওঁলোকৰ উদ্ধাৰৰ কাৰণে প্ৰয়োজনীয় সহায় আৰু সা-সুবিধা নিশ্চয় দিব বুলি আশা কৰিছো। আমি দেখিছো মূল প্ৰস্তাৱ আৰু সংশোধনী প্ৰস্তাৱৰ মাজত কোনো পাৰ্থক্য নাই। গতিকে মই প্ৰস্তাৱটো মোৰ মনোভাবেৰে সৈতে যিসকল আমাৰ দেশত গৰীৱ খেতিয়ক শ্ৰেণী আছে তেওঁলোকৰ জীয়াই থকাৰ কাৰণে তেওঁলোকৰ মাটিবাৰী, ঘৰবাৰীৰ কাৰণে আৰু দুৰ্গত হোৱা বিপদ হোৱা সময়ত সহায় কৰিবৰ কাৰণে চৰকাৰ আগবাঢ়ি আহিব—এইখিনি কৈ মই সামৰিলো। ধন্যবাদ

* শ্ৰীগুল বৰা ঃ — মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কমৰেদ শ্ৰীদীপক ভট্টাচাৰ্য্য ডাঙৰীয়াই যিটো প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱটো মই দৃঢ়তাৰে সমৰ্থন কৰিছো আৰু সমৰ্থন কৰিবলৈ গৈ মই কেইআষাৰমান প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছো । সেই কেইটা হল যে — যি সময়ত অসম ৰাজ্যখনত শতকৰা ৯৪ জন লোক দ্ৰবিদ্ৰ সীমাৰেখাৰ তলত সেই সময়ত এইখন ৰাজ্যত যিখন ৰাজ্যত এতিয়াও বানবিধস্তত হাঁহাকাৰ — হাজাৰ হাজাৰ — লাখ লাখ খেতিয়ক মাটিহীন আৰু দুখৰ সময়ত ভূমি সংস্কাৰ কৰি মাটি দিব নোৱাৰে আৰু মাটি নিদিয়া পৰ্য্যন্ত আৰু তাৰ কাৰণে যি আচনি লৈছে তাত ৬ মাহৰ কাৰণে অপেক্ষা কৰিব লগীয়া হৈছে। তাৰ বাহিৰে খেতিয়ক ৰাইজৰ আমাৰ ৰাজ্যখনৰ গাওঁ অঞ্চলত কামৰূপ -গোৱালপাৰা জিলাকে আৰম্ভ কৰি বিভিন্ন জিলাত যি সকলৰ কোনো ব্যৱস্থা নাই — আইনৰ কোনো ব্যৱস্থা নাই — আয়ৰ কোনো ব্যৱস্থা নাই আৰু বিশেষকৈ যিবিলাক দুখীয়া খেতিয়কৰ হালৰ গৰু বানপানীত বা অন্যান্য ভাবে প্ৰাকৃতিক দুৰ্য্যোগত বা বেমাৰত মৃত্যু হলে— সেই সময়ত গো-ঋণ দি অধিক শস্য উৎপাদন কৰাৰ কাৰণে চৰকাৰে আৱশ্যক অনুসৰি আজি এই খেতিয়কৰ গো-ঋণ লৈ হালৰ গৰু কিনি খেতি কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিব পৰা নাই। মই জানো মোৰ জিলাত এই গো-ঋণৰ কাৰণে জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত হাজাৰ হাজাৰ দৰ্খাস্ত দিয়া হৈছে আৰু মই জনাত এই গো-ঋণৰ কাৰণে ধৰা হৈছিল ২৫ হেজাৰ টকা আৰু সেই ভাৱে বিভিন্ন জিলাত বানপানী আৰু আন আন বেমাৰত ভেটেৰিনাৰী বিভাগৰ ব্যৰ্থতাৰ কাৰণে গৰু মহ মৰিছে। যদি হালৰ গৰুৰ ঋণ আদি দি সহায় কৰা নহয় তেতিয়াহলে অধিক শস্য উৎপাদন হব নোৱাৰে। খাদ্য সংকট নাতৰিব। প্ৰায় ৯৫ জন মানুহ গাৱঁত খাদ্য সংকট ভোগ কৰে। ইতিমধ্যে হাহাকাৰ আৰম্ভ হৈছেই। গতিকে খাদ্য সংকট নোহোৱাৰ কাৰণে মানুহৰ হাহাকাৰ নোহো-

* Speech not corrected

ৱাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব । পঞ্জীয়ন অফিচত নাম লিখাৰ বাহিৰেও বহুত নামনিলিখা লোক আছে। সেই সকলক কোনো চাকৰিত নিযুক্ত দি খাই বাচি থকাৰ উপায় কৰি দিব লাগিব। জৰুৰী অৱস্থাৰ সময়ত হাজাৰ হাজাৰ লোকৰ চাকৰিৰ অৱসান ঘটোৱা হৈছিল যদিও সেই সকলৰ পুনৰ নিযুক্তিৰ কাৰণে কোনো খৰতকীয়া ব্যৱস্থা আজি পৰ্য্যন্ত দেখা পোৱা নগ'ল। অসম ৰাজ্যখনৰ চাৰিও ফালে হাহাকাৰ। বিভিন্ন শ্ৰমিক কৰ্মচাৰী শিক্ষক সকলে জীয়াই থকাৰ কাৰণে আন্দোলন আৰম্ভ কৰিবলীয়া হৈছে। আন্দোলনৰ জোঁৱাৰ উঠিছে আৰু দমন কৰিবৰ কাৰণে আগৰ কংগ্ৰেছ চৰকাৰে যিবিলাক ব্যৱস্থা লৈছিল সেই বিলাক পুঁজিপতি ব্যৱস্থা।

অধ্যক্ষ মহোদয়, যোৱা ত্ৰিশ বছৰ শাসন কালত ধনীবোৰ আৰু ধনী হৈ গ'ল আৰু দুখীয়াবোৰ দুখীয়া হৈ গ'ল নোখোৱাকৈ মৰা সকল নাখায়েই মৰিবলগীয়া হৈছে। দুবেলা দুমুঠি খাই জীয়াই থকাৰ কাৰণে সকলোৱে হাহাকাৰ কৰিব লগীয়া হৈছে। আমাৰ কোৱালিশ্যন জনতা চৰকাৰে আগৰ কংগ্ৰেছ চৰকাৰৰ কথা বতৰাৰ লগত কোনো তফাত্ থকা কথা পতা দেখা নাই। আনকি শিক্ষকসকলে অনশন কৰিবলৈ অহা সময়তো কোৱালিশ্যন চৰ-কাৰে গৈ মাত নলগালে।

( ভইত্ব কংগ্ৰেছ আই কাৰণে )

মই আই বাই একো নাজানো। মানুহ জীয়াই থকাৰ কথাকেহে জানো। টকা নাই। টকা নাই। আগৰ কংগ্ৰেছ চৰকাৰৰ দিনতো টকা নাই টকা নাই এতিয়াও সেই একে টকা নাই টকা নাই। জনতা কোৱালিশ্যন চৰকাৰেও টকা নাই বুলি কয়।

* শ্ৰীভবেন্দ্ৰ নাথ শইকীয়া :—অধ্যক্ষ মহোদয়, মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

* Speech not Corrected.

মাননীয় অধ্যক্ষ ঃ— পিচত কৰ পাৰিব।

* শ্ৰীভবেন্দ্ৰ নাথ শইকীয়া ঃ— তেখেতে কোৱালিশ্যন চৰকাৰৰ কথা কৈছে। বোধকৰো কব নাপায়। কিয়নো এইটো কোৱালিশ্যন চৰকাৰ নহয়। গতিকে মই আপোনাৰ জৰীয়তে মাননীয় সদস্য গৰাকীক জনাইছো।

* শ্ৰীএ-এন-আক্ৰম হুচেইন ঃ—ফৰেষ্ট মিনিষ্টাৰ ৰহি আছে। তেখেতেই কওক-চোন জনতা হয় নে নহয়?

শ্ৰীযোগেন গগৈ ঃ— ৫৩ জন জন জনতা আছে আৰু ইফালে চোৰালিষ্ট জন আছে। গতিকে কোৱালিশ্যন নহয় কি হব পাৰে?

*শ্ৰীভবেন্দ্ৰ নাথ শইকীয়া ঃ— পি-টি-চি আমাৰ লগত থাকিল বুলিয়েই কোৱালিশ্যন আখ্যা দিয়া সমীচীন নহব। কিয়নো পি-টি-চি জনতা চৰকাৰৰ লগত জনতা চৰকাৰ হিচাবেই কাৰ্য্যনিৰ্ব্বাহ কৰি আছে। বোধকৰো কংগ্ৰেছৰ লগত চি-পি-আই থকা কাৰণেই এই ভাবে ভাবি কথাটো কৈছে।

*শ্ৰীগুল বৰা ঃ— মই কোৱালিশ্যন চৰকাৰ বুলি কৈছো। এইটো স্পষ্টীকৰণ দিব। এতিয়া আচল কথালৈ আহো। টকা নাই টকা নাই বুলি কৈছে। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনক অৱহেলা কৰি ৰাখিছে। লুটপাত কৰিছে। অন্য ৰাজ্যক ৰস দিছে আমাৰ ইয়াত সিঠা দিছে আৰু আমি সিঠা লৈয়েই থপাথপি লগাইছো। পিচপৰা ৰাজ্যখনৰ অণগ্ৰসতাৰ দূৰীকৰণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা দাবী কৰিব লাগে আৰু কেন্দ্ৰৰ জনতা চৰকাৰৰ পৰা সেই পৰিমাণে আৱশ্যকীয় টকা আনি ৰাজ্যখনৰ ভয়াবহ অৱস্থাৰ অৱসান ঘটাব লাগে

( সময়ৰ সংকেত )

অধ্যক্ষ মহোদয়, দেশী-বিদেশী কোটিপতি লাখপতি সকলে টকা লুট কৰিছে। দেশখনত দুটা চৰকাৰ চলি আছে। এটা মন পলিষ্ট সকলৰ চৰকাৰ আৰু আনটো আমাৰ এই চৰকাৰ।

* Speech not corrected

ৰেকমানি কিমান চলিছে সেইটো অধ্যক্ষ মহোদয়, আপুনিও জানে। বিৰাট ব্যৱসায়ীক গোষ্ঠী কোটিপতি হৈছে। আমাৰ কোৱালিশ্যন চৰকাৰে যদি কেন্দ্ৰীয় জনতা চৰকাৰৰ পৰা টকা আনিব নোৱাৰে তেনেহলে আমাৰ ভয়াবহ অৱস্থাৰ ৰাজ্যখনৰ অৱস্থা কি হব পাৰে।

মাননীয় অধ্যক্ষ ঃ— চমু কৰক।

* শ্ৰীগুল বৰা ঃ— সেই কাৰণে মই এই প্ৰস্তাৱটো সমৰ্থন কৰিছো। আজি ধনৰ অভাৱত কাম কৰিব নোৱাৰি বুলি কোৱা হয়। চৰকাৰে নিজেই দায়িত্ব লব লাগিব আৰু সাধাৰণ ভাৱে খাই বৈ থকাৰ সুবিধা খিনি মানুহে পাব লাগিব। যি হওক অধ্যক্ষ মহোদয়ে চমু কৰিবলৈ দিছে যেতিয়া আৰু বেছি সময় নলৈ এই খিনি কৈয়েই মোৰ বক্তৃতাৰ সামৰণি মাৰিছো আৰু এইখিনি সময় দিয়া কাৰণে অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো।

***Shri Fokhrul Islam** :— Mr Speaker, Sir, I thank you very much for giving me a chance to speak a few words in support of the amendment moved by hon. member, Shri Harendra Goswami. Sir, our country has achieved independence long 31 years back but till today the Government has failed to provide the basic needs of life to the people. There are three basic needs such as, food, cloth and shelter which must be provided to every person in a civilized country. Even inspite of developmental activities adopted by our Congress Govt. during the long 30 years of rule they have failed to provide the basic need. In our country there are yet 25 crores of people who are living below the subsistence or below the poverty line and the per capita income in our country is even less than Rs. 20 per month. This is unimaginable for a civilized country and yet we are claiming ourselves to be a developing country, to be a progressive country, to be a country which is striving to become socialist and where the Congress people wanted to establish a socialist pattern of society. These conditions of our country speakes very well when the Congress regime has completely failed to provide the basic needs of life to the people and their high sounding slogans

* Speech not corrected

which they have put forward to the people for catching votes and coming to the 'gaddies' have failed and it has become a mockery to the people and as a result people have thrown them out of power. Mr. Speaker, Sir I would support the amendment here because in this Motion the hon. member has brought to the notice of the people at large in our country that still a large number of people. particularly during the last months of year they did not have even the food to eat. Therefore, every democratic country, every responsible Govt. which professes to be creating a welfare State, they must provide work to the people, particularly those to poorer people. We have also noticed that during the Congress regime unemployment has grown up in a menacing proportion. They have created a structure for capital intensive development. As a student of Economics we know in our country there are two types of development. namely, capital intensive development and labour intensive development. India is most suited for labour intensive development, as the labour is available in abundance in our country. If we want to solve the unemployment problem in our country we should absorb the entire labour force available in our country and that is only possible if we go for labour intensive programmes. But it is a matter of great surprise that the Congress Govt. during their regime has created large number of big industries which are capital intensive in nature. I hope, Sir, our Janata Govt. which has come to power with all the difficulties created by the Congress Govt. will not make the same mistake. They will provide work to the poor people, specialy to our rural population. Our people in the countryside are in danger ; they are at the verge of starvation. They are not getting food at all and some of them are even eating refuse materials and even unhygenic food which is not fit for human consmption. In such a state our people are living and, we are claiming that ours is democratic country and ours is a welfare state. If ours is a really welfare state, we must provide basic need to our people and give them work. I hope Janata Govt. will take such projects which will utilise

* Speech not Corrected.

our labour force as and when necessary. With these observations, Sir, I support the amendment moved by my friend Shri Goswami

**শ্ৰীবীৰেন্দ্ৰ চৌধুৰী** :— অধ্যক্ষ মহোদয়, আজি যি পৰিস্থিতিত দেশৰ সৰ্বশ্ৰান্ত হৈ যোৱা শ্ৰেণীটোৱে কি ভাৱে জীৱন যাপন কৰিছে সেই বিষয়ে গুৰুত্ব পূৰ্ণ ভাবে বিবেচনা কৰিব লাগিব। আমি মনত ৰাখিব লাগিব যে বৰ্ত্তমান ৰাজ্যত জনতা চৰকাৰ প্ৰতিষ্ঠিত হৈছে কংগ্ৰেছৰ একচেতীয়া শাসন উচ্ছেদ কৰি আৰু জনসাধাৰণে নতুন চৰকাৰ প্ৰতিস্থা কৰাৰ সময়ত বিশেষকৈ গাঁৱে-ভুৱে, নগৰে-চহৰে, আলিয়ে-গলিয়ে অৰ্দ্ধহাৰে-অনাহাৰে, অৰ্দ্ধনগ্ন অৱস্থাত জীৱন যাপন কৰিছে। কৰ্ম্ম সংস্থান নোহোৱা মানুহে নাখায় মৰিছে।

**Mr. Speaker** :— Hon. Member will resume his speech on the next private Members Day.

## STATEMENT BY MINISTER

***Sri Ramesh Mohan Kouli**, (Minister) :— Mr. Speaker, Sir. I want to make a short statement on the flood situation in Assam. The first wave of flood in this year was experienced in the second week of June/78. Due to heavy rainfall in the upper catchment and in the Brahmaputra valley the river Brahmaputra and its tributaries were in spate from the 10th to 12th June for the first time of this season. During this period the Brahmaputra at Dibrugarh attainedalevel of 1o4.91m (346.20 ft.) on 13th June against the danger level of 104.24 m (342.00 ft.) Due to the direct attack of river Brahmaputra the newly constructed Mathola Protection wark on the upstrems of Dibrugarh town faced a critical situation due to embankments in between the dampeners. All the structures however stood against this wave of flood. In the lower reaches the rivers Pagladiya, Puthimari, Manas and Beki were also in high spate and crossed their respective danger levels on 12th June and remained above the same upto 13th June. There was one breach in the Puthimari right bank embankment at 66th km. near the outfall on 12th June due to river erosion.

The second wave of flood hit almost the entire valley which created serious flood situation since 23rd June.

* Speech not corrected

The rivers Lohit and Siang in Arunachal Pradesh were flowing above the danger level from 22nd onwards and these began to recede . only from the 26th June. The river Brahmaputra at Dibrugarh remained above the danger level of 104.24 m (342.00 ft.), since 22nd June and it started receding from 26th June. The highest water level recorded in this period was 105.34 m. on 24th June at Dibrugarh. The Brahmaputra water level at Neamatighat and Tezpur remained above the danger levels till 26th June. It is expected to fall within the next 24 hours. The river Brahmaputra rose sharply at Gauhati and Dhubri on 25th and crossed danger level of 49.68 m. (163 ft.) Gauhati on 26th when it touched level of 49.90 m. The water level of Brahmaputra is expected to rise further in the lower reach of the valley in next 24 to 48 hours. The river Buhridihing at Naharkatia and Khowang also rose sharply from 24th and crossed danger level at 120.40. m. and 102.11 m. respectively at these places. The rivers Pagladia, Puthimari, Manas and Beki were also flowing above the danger mark from 23rd June and have however receded now.

The entire Baghbar village under Barpeta Civil sub-division is under the attack of severe erosion of Brahmaputra and the newly constructed retirement was found to be at a distance of 720 metre and appears safe presently.

In this wave of flood, breaches in the embankments are reported at ( i ) Dikhow left bank at Ch. 6th K.m. at 11/30 a.m. on 25-6-78, at 37.5 k.m. and 52 k.m. under Sibsagar Division ( 2 ) Dikhow right bank embankment near Goalgaon ( 3 ) Brahmaputra dyke from Biswanath to Panpur at 15th k.m. at Tezpur, ( 4 ) Brahmaputra embankment at 5th k.m. fron Moriaholla to K. R. F. boundary, ( 5 ) Barhmaputra dyke Silghat to Dhing at 62.37 k.m. in Nowgong ( 6 ) Desang embankment at 1.3. k.m. at Laka and 1.4. k. m. ( 7 ) Brahmaputra dyke from Deorighat to Sissikalghar at 9th k. m. on 24.6.78 at 11 a.m. Besides these there had been seven cuts by public in Dikhow embankment to take water to their fields.

The river Barak and its tributaries were also in

spate but the water levels of Borak remained below danger levels.

The possibilities of closing these breaches can be assessed only after the water recedes. Full reports are still awaited. Sir, in the mean time I request co-operation from the hou'ble members.

**Sri Baneswar Saikia** :— On a point of clarification. Just now I have received a message from Dhing that the embankment on Dhing was brcaehed yesterday and entire Muamari was inundated by flood. So immediate relief is urgently necessary.

**Sri Ramesh Mohan Kouli**, (Minister) :— This is I think on Silghat Dhing. That is recorded here.

শ্ৰীনৰেণ দত্ত :— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ ৰিপৰ্টত আটাইতকৈ বান ৰিধস্ত যিটো এলেকা তাৰ নাম নোলাল। সেইটো হল বৰভাগ সমষ্টি। বৰভাগ মৌজাত এমাহ ধৰি বান পানী হৈ আছে মোৰ লগতে মন্ত্ৰী মহোদয়েও পৰিদৰ্শন কৰি আহিছে। এই সমষ্টিটো প্ৰতি বছৰেই জলমগ্ন হয়। গতিকে এই এৰিয়াটো তাত অন্তভূক্ত নোহোৱাটো দুখৰ কথা। পাগলাদিয়া নদীয়ে টিহু অঞ্চলৰ নাম দিয়া মৌজা ক্ষতিগ্ৰস্ত কৰিছে এই সম্পৰ্কে ব্যৱস্থা লবলৈ মই অনুৰোধ কৰিছো।

শ্ৰীৰমেশ মোহন কুলি – ( মন্ত্ৰী )— পাগলা দিয়া, পুথিমাৰী, বেকী মানস আদি নদীৰ কথা ইয়াত উল্লেখ আছে।

শ্ৰীগোলোক ৰাজবংশী :— অধ্যক্ষ মহোদয়, ডি, চি দৰঙৰ পৰা এই মাত্ৰ খবৰ পালো যে পানপুৰ বিশ্বনাথ অঞ্চলত মথাউৰী ভঙাৰ কাৰণে ব্ৰহ্মপুত্ৰৰ বানপানীয়ে দোকুল ওপচাই পেলাইছে। ফলত মিলিটেৰী কুইট কৰি মানুহ উদ্ধাৰ কৰা কামত লগোৱা হৈছে। ইতিমধ্যে এজন মানুহ মৰিছে। এই ঠাইত বিচ বা বান্ধ দি ১৫ কিলোমিটাৰ মথাউৰী দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীৰমেশ মোহন কুলি - ( মন্ত্ৰী ) —কি পথটো ? বিশ্ব নাথ– পানপুৰ।

* Speech not corrected

শ্ৰীযোগেন গগৈ ঃ—অধ্যক্ষ মহোদয়, শিৱসাগৰ মৌজা খন গড়াখহনীয়াৰ কবলত পৰি সৰু হৈ আহিছে। ইতিমধ্যে গম পাইছো দিহিং মুখৰ মিটিং গাওঁ খন পানীত তল গৈছে। এই সম্পৰ্কত মোলৈ টেলিগ্ৰাম আহিছে। তাৰ পুৰণা বান্ধটো ভাঙো ভাঙো অবস্থা হৈছে। গোটেই মানুহ খিনি পানীত তল যাব। তাৰ পিচত পানী দিহিংৰ ৰিৰ্জাভত দুই হাজাৰ মানুহ আছে, সেইখিনি মানুহ পানীত তল গৈছে। এই সম্পৰ্কত এটা ব্যৱস্থা লব লাগে।

মাননীয় অধ্যক্ষ ঃ— এই সম্পৰ্কত ৰাজহ মন্ত্ৰীয়ে বিবৃতি দিব।

চৈয়দা আনোৱাৰা টাইমুৰ ঃ— অধ্যক্ষ মহোদয়, আজি কল এটেনচনৰ সময়ত শ্ৰীবিনয় বসুমতাৰীয়ে মঙ্গলদৈ মহকুমাৰ কথা কৈছে আৰু কাগজত এই কথা ওলাইছে। উদালগুৰী, দলগাওঁ, চিপাঝাৰ সমষ্টি, ৰঙাগড়া, কপাতি আদিত গড়াখহনীয়া হৈছে। কপাতি আদি অঞ্চলৰ ৰাইজ গড়াখহনীয়াত উঠি আহিব লগা হৈছে। এই সম্পৰ্কত বিনয় বসুমতাৰীয়ে কৈছে। এই অঞ্চলবিলাকত যাতে ৰিলিফৰ ব্যৱস্থা হয় তাৰ কাৰণে ৰাজহমন্ত্ৰী আৰু বান নিয়ন্ত্ৰণ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো। মঙ্গলদৈৰ কথাটো উল্লেখ নকৰাত আচৰিত হৈছো। এই সম্পৰ্কত মোলৈ টেলিগ্ৰাম আদি আহিছে।

মাননীয় অধ্যক্ষ ঃ— ৰাজহমন্ত্ৰীয়ে ষ্টেটমেণ্ট দিব।

শ্ৰীএ,এন আক্ৰাম হুচেইন ঃ পলাশবাৰী নগৰবেৰাত গুৱাহাটীৰ কাষত থকা মথাউৰিটো ভাঙে নেকি ঠিক নাই, তেনে অবস্থাই দেখা দিছে। মই আশা কৰিছো যাতে এই সম্পৰ্কত এটা ব্যৱস্থা লয়।

শ্ৰীৰবীন্দ্ৰ নাথ চৌধুৰী ঃ— অভয়াপুৰী লেংটিচিঙত থকা নতুন বান্ধটো খহাই দিছে। মানাহ, আইনদীয়ে আজি কেবা বছৰ ধৰি বজাৰ খন উটুৱাই লৈ গৈছে। যদি প্ৰটেকচন মিজাৰ নলয় তেন্তে ৭—৮ মাইল অঞ্চলটো সম্পূৰ্ণৰূপে জলমগ্ন হব। মই অনুৰোধ কৰিছো যাতে বান্ধৰ কটকটীয়া ব্যৱস্থা লয়।

* Speech **not** corrected

শ্ৰীহেমেন দাস ঃ— বেকী নদীৰ গড়াখহনীয়াত আমগুৰী গাৱঁৰ চাৰিটা পৰিয়াল উচ্ছেদ কৰিছে। মোলৈ অলপতে খবৰ আহিছে। বাকী বিলাক মানুহৰ ঘৰ ভাঙো ভাঙো অৱস্থা। গৰাখহনীয়াৰ প্ৰতিৰোধৰ বাবে যি খিনি ব্যৱস্থা লোৱা আবশ্যক লব লাগে।

**Mr. Speaker**— Order, Order. Now Revenue Minsster

* **শ্ৰীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ মন্ত্ৰী ) ঃ**—অধ্যক্ষ মহোদয়, যোৱা কেইদিমান ধৰি অসম আৰু অৰুণাচলত বৰষুণ হৈ থকাৰ ফলত অসমৰ ব্ৰহ্মপুত্ৰ, বুঢ়ীদিহিং, সোৱণশিৰি, বুঢ়ীসুতি, জীয়াভৰলী, ধনশিৰি, পুথিমাৰী, পাগলাদিয়া, মানস, বেকী আৰু বৰাক আদি নদীৰ পানীৰ বাঢ়িবলৈ লয় আৰু অসমৰ প্ৰায়বোৰ ঠাইত এই নদী সমূহৰ জলপৃষ্ঠ বিপদসীমাৰ ওপৰত থকা দেখা যায় আৰু কেইবাটিও অঞ্চল ইতিমধ্যে বানপানীৰ দ্বাৰা আক্ৰান্ত হয়। জিলা আৰু মহকুমাৰ পৰা এতিয়ালৈকে পোৱা তথ্য পাতিমতে বিভিন্ন অঞ্চলত হোৱা বানপানীৰ পৰিস্থিতি সম্বন্ধে এটা বিবৰণ সদনৰ জ্ঞাতাৰ্থে ডাঙি ধৰা হল।

১। ধেমাজীৰ পৰা জনোৱামতে কুমতীয়া নদীৰ পানী বঢ়াৰ ফলত ২৪।৬।৭৮ তাৰিখে ৮ খন গাৱঁৰ প্ৰায় ৩৩৬ ঘৰ পৰিয়াল বানপানীৰ সন্মুখীন হয়। এই বানপানীৰ ফলত প্ৰায় ২০০০ বিঘাৰো অধিক মাটিত আহুধান, বাওধান আৰু শালি কঠিয়া নষ্ট হয়। দেউৰীঘাট আৰু চিচিকল ঘাটৰ মাজত থকা ব্ৰহ্মপুত্ৰৰ বান্ধটো ৯ কিলোমিটাৰত ভঙাৰ ফলত প্ৰায় ১২০ বৰ্গ কিলোমিটাৰ অঞ্চল বানপানীত আক্ৰান্ত হয়। মুক্তি আৰু চি চি-টাঙনি গাওঁ পঞ্চায়ত এলেকাৰ ৬৪ খন গাৱঁৰ প্ৰায় ২০,০০০ লোক এই বানপানীৰ কবলত পৰে। গৰুমহ বান্ধৰ ওপৰত ৰাখিছে। বানপীড়িত লোকসকলৰ বাবে সাহায্যৰ কাম চলি আছে।

২। ডিব্ৰুগড় জিলাৰ বুঢ়ীদিহিং নদী বিপদ সীমাৰ বহু ওপৰত উঠাৰ ফলত মাৰ্ঘেৰিটা নাহৰকটিয়া এলেকাত বানপানী হয়

* Speech not corrected

আৰু ২৩খন মান বানপানীৰ কবলত পৰে। কিছুলোক তেওঁলোকৰ আত্মীয় স্বজনৰ ঘৰলৈ আশ্ৰয়ৰ কাৰণে গৈছিল আৰু পুনৰ নিজ নিজ ঘৰলৈ ঘুৰি আহিছে। মাৰ্ঘেৰিটা আৰু নাহৰকটিয়াৰ পথ পানীত বুৰ গৈছিল, কিন্তু যান-বাহণ সম্পূৰ্ণ বন্ধ হোৱা নাছিল। কিন্তু মাৰ্ঘেৰিটা আৰু বৰগোলাইৰ মাজত থকা নামডাং ৰেলওৱে দলংখন পানীত তল যোৱা বাবে লিডু আৰু ডিব্ৰুগড়ৰ মাজত চলা যাত্ৰীবাহী ৰেলখন ২৫ তাৰিখে বন্ধ আছিল। বৰ্ত্তমান খোৱাং আৰু লৰুৱা মৌজাত বানপানী হৈ আছে। এই জিলাত যিহেতু আহুধানৰ খেতি সাৰণতে কম — সেইবাবে শস্যৰ ক্ষয়-ক্ষতিৰ পৰিমান তাকৰ। কিন্তু শালি ধানৰ কঠিয়াও আংশিক ভাবে নষ্ট হৈছে। গৰুম'হ মৰাৰ কোনো বাতৰি পোৱা নাই। উপায়ুক্ত আৰু মহকুমাধিপতিয়ে প্ৰয়োজন অনুসৰি সাহায্যৰ কাম হাতত লৈছে। ২৫ জুন তাৰিখে মাৰ্ঘেৰিটা অঞ্চলত এজন লোকৰ প্ৰাণহানি হৈছে বুলি জনাইছে। বৰুৱাগ্ৰাণ্টৰ মাকুমকিল্লা নামে ঠাইত উক্ত লোকজনৰ নাঙলৰ জুৱঁলীখন এটা জানৰ বাঢ়নী পানীয়ে উটুৱাই নিয়া দেখি আনিবলৈ যাওঁতে পানীৰ সোঁতত মানুহ জন মৃত্যুৰ মুখত পৰে। তেওঁৰ মৰাশটো পোৱা হোৱা নাই।

ডিব্ৰুগড় নগৰৰ পশ্চিমপিনে থকা ঠাই পানীত বুৰ গৈছে বুলি খবৰ পোৱা গৈছে। ডিব্ৰুগড় জিলাৰ উপায়ুক্তই বিভিন্ন অঞ্চলৰ পৰিস্থিতি সম্বন্ধে তথ্য পাতি সংগ্ৰহ কৰি আছে আৰু — চৰকাৰকো জনাই আছে।

৩। উত্তৰ লক্ষীমপুৰ প্ৰায় ৬৫ বৰ্গ কিলোমিটাৰ এলেকাৰ ৮৫ খন গাওঁ বানপানীৰ সন্মুখীন হৈছে। এই অঞ্চলৰ পৰা ৫ টা গৰু নদী পাৰ হওঁতে সোঁতত উঠি যোৱা বুলি জনা গৈছে। বানপীড়িত অঞ্চলত সাহায্যৰ কাম চলি আছে।

৪। শিৱসাগৰ আৰু নাজিৰা চক্ৰ অঞ্চলত ক্ৰোঁৱৰপুৰ মেটেকা বনগাওঁ, শিমলুগুৰি মৌজাৰ ভালেখিনি অঞ্চলত দিখৌ নৈৰ বাঢ়নী পানীৰ পৰা হোৱা বানপানীৰ সন্মুখীন হৈছে। দিখৌ নৈৰ

নদীৰ বান্ধটো ২৫ জুন তাৰিখে ৰাতি ৯ বজাত ডকাইচুক মৌজাৰ মগলু পুখুৰী গাৱঁৰ ৰাইজে গৌৰীসাগৰ টেলীয়াডঙা পথটো কাটি দিয়া বুলি জনা গৈছে। দিচাং মুখেৰে টেলীয়াডঙা গাওঁ অঞ্চলত সাহায্যৰ কাম চলাবলৈ চেষ্টা কৰা হৈছে। এই বিষয়ে আৰু বিতং বাতৰি বিচৰা হৈছে।

৫। যোৰহাটৰ পৰা জনামতে আহঁতগুৰি শালমৰা আৰু কমলাবাৰী অঞ্চলত বানপানী হৈছে। যোৱা জুনমাহৰ ২৫ তাৰিখে টুণী নদীৰ ১ নম্বৰ চেক্-বান্ধটো পানীয়ে ভাঙিছে। আহঁতগুৰীৰ বামুণগাওঁ খহনীয়াত আক্ৰান্ত পৰিয়ালসমূহ নিৰাপদ ঠাইলৈ স্থানান্তৰিত কৰা হৈছে আৰু আৱশ্যকীয় সাহাযাৰ ব্যৱস্থা কৰা হৈছে। মাজুলীৰ আন আন অঞ্চলতো সাহায্য দিয়াৰ ব্যৱস্থা কৰিছে। দক্ষিণ পাৰৰ নিমাতী জাজিমুখ অঞ্চল আৰু পৰ্ব্বতীয়া আৰু চাৰি গাওঁ মৌজাত কিছু অঞ্চলত বানপানী সোমাইছে যদিও অৱস্থা বিশেষ গুৰুতৰ হোৱা নাই বুলি এতিয়ালৈকে জানিব পৰা গৈছে।

গোলাঘাটৰ ধনশিৰি নদীৰ বান্ধ বোকাখাটৰ পৰা প্ৰায় ৫ কিলোমিটাৰ আতৰত যোৱা ২৫-৬-৭৮ তাৰিখৰ নিশা ভাঙি যোৱাত প্ৰায় ২০ খন গাৱঁৰ ১২০০০ মান লোক বানপানীৰ সম্মুখীন হৈছে আৰু কাটিবলৈ থকা আহুধানৰ প্ৰায় আধা ভাগেই পানীত তল গৈছে। উদ্ধাৰ আৰু সাহায্যৰ কাম চলি আছে। মানুহ বা গৰুমহৰ মৃত্যুৰ বাতৰি এতিয়ালৈকে পোৱা নাই। তেজপুৰৰ বান পৰিস্থিতি চতিয়াৰ ওচৰত গড়পাল নামে ঠাইত ব্ৰহ্মপুত্ৰৰ মঠাউৰিটো যোৱা ২৫ জুন তাৰিখে আবেলি ৫ বজাত ভঙাৰ ফলত প্ৰায় ২০ খন গাওঁৰ গুৰুতৰ ধ্বংস হয়। সেনাবাহিনীক উদ্ধাৰ কাৰ্য্যত নিয়োগ কৰা হৈছে আৰু ছাত্ৰ সকলেও সহায় কৰিছে আৰু বাতৰি পোৱালৈকে ৯০ জন লোকক উদ্ধাৰ কৰি চতিয়াৰ ওচৰৰ নৰ্ম্মাল স্কুলৰ হোষ্টেলত আশ্ৰয় শিবিৰত ৰখা হৈছে। উদ্ধাৰৰ কাম সেই অঞ্চলত চলি আছে। তেজপুৰৰ ওচৰত পাচ মাইলতো মহাভৈৰব অঞ্চলৰ বানপীড়িত

লোকৰ বাবে এটা আশ্রয় শিবিৰ খোলা হৈছে আৰু এতিয়ালৈকে ৫০ জন মানুহক আশ্রয় দিয়া হৈছে। লোহিত আৰু বিশ্বনাথ অঞ্চলৰ মঠাউৰিৰ বাহিৰৰ অঞ্চলতো বানপানী হোৱাৰ বাতৰি পোৱা হৈছে। জিলা কর্তৃপক্ষই আবশ্যকীয় সাহায্যৰ ব্যৱস্থা লৈছে। বিশ্বনাথ চাৰিআলিৰ এনে অঞ্চলতে বাঢ়নী পানীত এজনী ৩ বছৰীয়া ছোৱালী পানীত পৰি মৃত্যু হৈছে। জিলা কর্তৃপক্ষই প্রয়োজনমতে সাহায্যৰ কাম হাতত লৈছে।

মঙ্গলদৈৰ দক্ষিণ অঞ্চলৰ চৰ এলেকাত বানপানী হোৱা বুলি জনাইছে। ৰঙামাটি আৰু কুৰুৱাৰ মাজত মঠাউৰিটো প্রায় আঢ়ৈ ফার্লং খহনীয়াৰ মুখত পৰাত বিপদৰ সম্ভাবনাই দেখা দিছে আৰু স্থানীয় ৰাইজ আৰু বিভাগীয় কর্তৃপক্ষই মঠাউৰিটো ৰক্ষাৰ বাবে ব্যৱস্থা হাতত লৈছে।

দলগাওঁ শিয়ালমাৰী আৰু কলাই গাৱত উন্নয়ন খণ্ডৰ প্রায় ৫৭ খন গাৱত পানী সোমোৱা বুলি জনা গৈছে।

নগাওঁ জিলাৰ শিলঘাটৰ পৰা মায়ং অঞ্চললৈকে বহু ঠাই ব্রহ্মপুত্রৰ বাঢ়নী পানীৰ ফলত বানপানীৰ সন্মুখীন হৈছে। ঢিং চক্ৰৰ ৬২'৩৭ কিলোমিটাৰত ব্রহ্মপুত্রৰ বান্ধটো ভঙা বুলি জনা গৈছে ভূৰাগাৱৰ ওচৰত আৰু মৈৰাবাৰী মৌজাতো বান্ধ ভঙা বুলি বাতৰি আহিছে। ঢিং চক্ৰৰ ব্রহ্মপুত্রৰ বান্ধৰ ভিতৰত থকা ৫ খন গাৱত বানপানী হৈছে। এই গাওঁ কেইখনৰ প্রায় ২০০০ বিঘা মাটিৰ সস্য ( আহু, মৰাপাট ) নষ্ট হৈছে। কলিয়াবৰ চক্ৰ আৰু মৰিগাও মহকুমাৰ কিছু অঞ্চলতো বানপানীয়ে দেখা দিছে। গৰাখহনীয়াত পৰা প্রায় ১০০ ঘৰ পৰিয়ালক মৰিগাৱৰ নিৰাপদ ঠাইলৈ স্থানান্তৰিত কৰাৰ ব্যৱস্থা লোৱা হৈছে। নলবাৰী মহকুমাৰ বৰক্ষেত্রী আৰু টিহু চ'কৰ কিছু কিছু অঞ্চলত ব্রহ্মপুত্র আৰু পাগলাদিয়া নদীৰ পৰা বানপানী সৃষ্টি হৈছে। বৰপেটা মহকুমাৰ বাঘবৰ অঞ্চলত গড়াখহনীয়াৰ পৰা প্রায় ৬০ ঘৰ মানুহ এতিয়ালৈকে ক্ষতিগ্রস্ত হোৱাৰ পৰিস্থিতি হৈছে। ১৪ ঘৰ মানুহৰ ঘৰ ইতিমধ্যে খহাই নিচেই। মেডিকেল চাব-চেণ্টাৰ, এল, পি স্কুল গড়াখহনীয়াত গৈছে আৰু থানাখনো

খহনীয়াত যোৱা আশংকাই দেখা দিছে। লোক সকলক নিৰাপদ ঠাইলৈ স্থানান্তৰিত কৰাৰ ব্যৱস্থা হৈছে।

গোৱালপাৰা, ধুবুৰীৰ পৰা এতিয়াও বাতৰি পোৱা নাই বাবে তাৰ পৰিস্থিতি আজিয়েই জানিব পৰা নহল।

কাছাৰ জিলাৰ আটাই কেইখন নদীৰে পানী বাঢ়ি আছে। চিংলা আৰু লঙাই নদীৰ বিপদ সীমা পাইছে। বাকী নৈবোৰ এতিয়াও বিপদ সীমাৰ তলত আছে। চৰকাৰে সকলো অঞ্চলৰ পৰা বাতৰি শিঘ্রে পোৱাৰ ব্যৱস্থা লৈ আছে আৰু জিলা কর্তৃপক্ষই সাহায্য কার্য্যত প্রয়োজনীয় ভাবে হাতত লৈছে। চৰকাৰ এই বিষয়ত অতি সজাগ আৰু যত যেনেকুৱা প্রয়োজন হয় তাৰ বাবে লবৰ দিহা কৰিব। সাহায্যৰ পৰিমাণ কিমান এতিয়াও কোৱা টান। মঞ্জুৰী পোৱা টকাৰ ওপৰিও প্রয়োজনীয় মঞ্জুৰী পাব বুলি জিলা আৰু মহকুমাৰ কর্তৃপক্ষই সাহাযাৰ কাম চলাই আছে।

এই দুর্দশাগ্রস্ত লোক সকলক যাতে সহায় কৰিব পাৰো তাৰ কাৰণে মাননীয় সদস্য সকলৰ সহযোগীতা কামনা কৰিছো।

Mr. Speaker— The House stands adjourned till 10 A. M. to-morrow the 28th June, 1978.

## ADJOURNMENT

The House then rose at 6.22 P. M. and stood adjourned till 10 A.M. on Wednesday, the 28th June, 1978.

Dated Dispur,
The 27 th June, 1978

P. D. Barua
Secretary.
Assam Legislative Assembly